● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

যিসকলে সদ্ব্যৱহাৰ কৰে, সেইসকলৰ বাবে অপৰ্যাপ্ত সময় বৈ যায়।

লিওনাৰ্ডো ডা ভিন্সি
*ইটালীৰ চিত্ৰশিল্পী*



www.dainikagradoot.in

৭ চীনত বৃদ্ধি পাইছে নিবনুৱাৰ সংখ্যা
১৫ ধোনিয়ে দলৰ কথাই ভাবিছিল ঃ কাৰ্ষ্টেন
৪ গুৱাহাটীখনক বাসোপযোগী কৰি তোলক

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১৮৮তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ৫ ব'হাগ ১৪২৯ ভাস্কৰাব্দ ১৯ এপ্ৰিল ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 19 April 2022 মূল্য ঃ ৯.০০ টকা

■ জেহাদীৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান ■ অভয়াপুৰী-যোগীঘোপা অঞ্চলত বাহৰ পাতি গঢ়ি তুলিছিল শ্লীপাৰ চেল ■ আনছাৰুল্লাহ বাংলা টীমৰ (এবিটি) আৰু তিনি সদস্য আৰক্ষীৰ জালত

# ত্ৰিপুৰাৰ পৰা গ্ৰেপ্তাৰ তিনি জেহাদীক

মছজিদৰ ইমাম-শিক্ষক-কৃষক জেহাদী কাৰ্যকলাপত ■ সহযোগীৰ তথ্যৰ ভিত্তিত গ্ৰেপ্তাৰ


**বঙাইগাঁও, ১৮ এপ্ৰিল ঃ** ৰাজ্যৰ বিভিন্ন জিলাত সক্ৰিয় হৈছে দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী সংগঠন অল-কায়দাৰ শ্লীপাৰ চেল। বৰপেটাৰ পাছত এইবাৰ বঙাইগাঁৱত ধৰা পৰিল জেহাদী সংগঠনটোৰ নেটৱৰ্ক। ত্ৰিপুৰাত গ্ৰেপ্তাৰ কৰা আনছাৰুল্লাহ বাংলা টীম (এবিটি)ৰ সদস্যৰ স্বীকাৰোক্তিৰ ভিত্তিত এই তথ্য



পোহৰলৈ আহিছে। ভাৰতীয় উপ-মহাদেশত অল-কায়দাৰ সক্ৰিয় গোট বাংলাদেশৰ এবিটিৰ এই তিনি সদস্যই বঙাইগাঁও জিলাত বাহৰ পাতি সাংগঠনিক ভেটি মজবুত কৰি তোলাৰ বাবে গোপনে কাম-কাজ চলাইছিল। বঙাইগাঁও জিলাৰ আৰক্ষী অধীক্ষক স্বপ্নীল আঠ পৃষ্ঠাত চাওক

## আশা-প্ৰত্যাশাৰ ক'লা-বগা

■ সঞ্জীৱ সভাপণ্ডিত



**মই** যিটো কোঠাত বহি আছিলো তাত ক'লা কোট-বগা পেন্ট পিন্ধা মানুহ কিছুমান বহি আছিল। এখন কিতাপে দিয়া কিছুমান নীতি-নিৰ্দেশৰ আধাৰত তেওঁলোকে জীৱন নিৰ্বাহ কৰে, বজাৰ কৰে, দৰৱ কিনে, হাঁহে-কান্দে, ল'ৰা-ছোৱালীক খুৱাই-পিন্ধাই, নিজে ভাত খায়, মদ খায়, বিয়া-বাৰুৰ কাৰণে উপহাৰ কিনে, মটৰ চাইকেল বা গাড়ীত তেল ভৰায়। ক'লা কোটটো ১০ পৃষ্ঠাত চাওক

ৰাজ্যত বৰদৈচিলাৰ তাণ্ডৱ অব্যাহত ■ গছ-গছনি উভালি, ঘৰ-দুৱাৰ ভাঙি বিস্তৰ ক্ষতিসাধন ■ শোৱাপাটীতে ঘৰ বাগৰি মৃত্যুক সাৱটিলে মহিলাই-গছ বাগৰি মৃত্যু চাৰি সন্তানৰ পিতৃৰ

## প্ৰচণ্ড ধুমুহা-শিলাবৃষ্টিত পুনৰ দুজনৰ মৃত্যু



■ শতাধিক পৰিয়াল গৃহহীন ■ নামৰূপত ধুমুহাত ছটাকৈ ১১ কে ভি লাইন ধ্বংস ■ জালাহত বিহু মঞ্চ, ৰভা ধ্বংস ■ আঘাতপ্ৰাপ্ত হ'ল বহু লোক

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৮ এপ্ৰিল ঃ** ৰঙালী বিহুৰ আনন্দ-উলাহৰ মাজতে ৰাজ্যত অব্যাহত আছে বৰদৈচিলাৰ তাণ্ডৱ। বিগত কে'বাদিন ধৰি ধাৰাবাহিকভাৱে ৰাজ্যখনত নেৰানেপেৰা বৰষুণৰ পাছত অব্যাহত আছে ধুমুহা-শিলাবৃষ্টিৰ তাণ্ডৱ। বিগত দিনকেইটাত হোৱা ধুমুহা-শিলাবৃষ্টিত এডজনৰো অধিক লোকৰ মৃত্যু হোৱাৰ পাছত যোৱা নিশা ৰাজ্যৰ বিভিন্ন প্ৰান্তত হোৱা ধুমুহাত আৰু দুজন লোকৰ মৃত্যু হোৱাৰ লগতে কে'বাজনো আঘাতপ্ৰাপ্ত হয়। যোৱা নিশা অহা ধুমুহাত তিতাবৰত ঘৰ ভাঙি পৰাত এগৰাকী ৬০ বছৰীয়া মহিলাৰ শোৱাপাটীতে মৃত্যু হোৱাৰ বিপৰীতে ১০ পৃষ্ঠাত চাওক



*বঁটা গ্ৰহণৰ পাছত বিহু সম্ৰাজ্ঞী শতাব্দী কলিতাৰ স'তে বিহুৰাণী নিমিষা দিহিঙীয়া (বাওঁফালে) আৰু বিহু কুঁৱৰী প্ৰীতিৰাণী বৰগোহাঁই (সোঁফালে), মহানগৰীৰ লতাশিল বিহু সন্মিলনীত দেওবাৰে নিশা।*

পুনৰ উচ্ছেদ চলালে অসম আৰক্ষীয়ে

## পানীখেতি সীমান্তৰ একে স্থানত নগাৰ চতুৰ্থবাৰলৈ গৃহ নিৰ্মাণ

**বিশেষ সংবাদদাতা**
**নগাবাট, ১৮ এপ্ৰিল ঃ** চতুৰ্থবাৰৰ বাবে নগালেণ্ডৰ দুৰ্বৃত্তই তিতাবৰ মহকুমাৰ নগাবাট পানীখেতি সীমান্তৰ অসমৰ ভূমিত অবৈধভাৱে নিৰ্মাণ কৰা এটা গৃহ অসম আৰক্ষীয়ে উচ্ছেদ কৰে। এই ঘটনাই সীমান্তৰ অসমীয়া গঞাৰ মাজত শংকাৰ সৃষ্টি কৰিছে। উল্লেখ্য যে অসমৰ প্ৰশাসনৰ নিৰ্দেশনাক ভেঙুচালি কৰি পানীখেতি সীমান্তত একেঠাইতে নগালেণ্ডৰ দুৰ্বৃত্তই আকৌ নিৰ্মাণ কৰিছিল গৃহটো। ইয়াৰ আঠ পৃষ্ঠাত চাওক

## কাৰ্বি আংলঙৰ চোৰাং কাঠ ট্ৰাকেৰে সৰবৰাহ হয় গুৱাহাটীলৈ

**অগ্ৰদূত বাৰ্তা**
**চামগুৰি, ১৮ এপ্ৰিল ঃ** কাৰ্বি আংলং জিলাৰ সেউজ পাহাৰৰ বনভূমিত চোৰাং কাঠ বেপাৰীয়ে গছ কাটি তহিলং কৰি আছে। কাৰ্বি আংলং জিলাৰ পৰা সৰবৰাহ কৰা চোৰাং কাঠসমূহ কলিয়াবৰৰ মাজেৰে বাগৰি, কুঠৰী, ৰঙাগড়া আদিৰ পৰা নগাঁও জিলাৰ বিভিন্ন অঞ্চললৈ সৰবৰাহ কৰি আছে। বিশেষকৈ জুৰীয়া অঞ্চলত গঢ় লৈ উঠা অবৈধ কাঠ ফলা কলত আঠ পৃষ্ঠাত চাওক

দক্ষিণ-পূব এছিয়াৰ দুৱাৰমুখ গুৱাহাটীক সজাই তোলাৰ প্ৰতিশ্ৰুতি

■ ভূমিপট্টা-পানী যোগান-৬০ হেজাৰ নতুন অৰুণোদয় পৰিয়াল সৃষ্টি

## মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হকে জনসভা ৰোডশ্ব'ৰে মাৰাথন প্ৰচাৰ মুখ্যমন্ত্ৰীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৮ এপ্ৰিল ঃ** লোকসভা আৰু বিধানসভাৰ দৰে গুৱাহাটী পৌৰ নিগম (জিএমচি)ৰ সমাগত নিৰ্বাচনৰ বাবেও ৰোড শ্ব' আৰু ৰাজহুৱা সভাৰে আজিও মহানগৰীৰ চাৰিটা স্থানত প্ৰচাৰ অভিযান চলায় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। মুঠ ১৮ টা ৱাৰ্ডক সামৰি চলোৱা এই প্ৰচাৰত মিত্ৰদল অসম গণ পৰিষদে প্ৰক্ষেপ কৰা প্ৰাৰ্থীৰ ৱাৰ্ডো আছে। আঠ পৃষ্ঠাত চাওক



মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে নিৰ্বাচনী আচৰণ বিধি ভংগৰ অভিযোগ

## অজাপৰ অভিযোগৰ ভিত্তিত তদন্তৰ নিৰ্দেশ নিৰ্বাচন আয়োগৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৮ এপ্ৰিল ঃ** আগন্তুক গুৱাহাটী পৌৰ নিগমৰ (জিএমচি)ৰ নিৰ্বাচনৰ প্ৰচাৰ সভাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিৰ্বাচনী আচৰণ বিধি ভংগৰ অভিযোগ উঠাত ৰাজ্যিক নিৰ্বাচনী আয়োগে তদন্তৰ নিৰ্দেশ জাৰি কৰিছে। কামৰূপ মহানগৰৰ উপায়ুক্তক এই নিৰ্দেশ দি তৎকালে ইয়াৰ প্ৰতিবেদন দাখিল কৰিবলৈ কোৱা হৈছে। উল্লেখ্য যে আঠ পৃষ্ঠাত চাওক

■ আগতে 'পাৰ্টি' চূড়ান্ত কৰি হস্তান্তৰৰ যোজা চৰকাৰৰ ■ শংকিত ১৫ হেজাৰ চাহ শ্ৰমিক ■ দুৰ্বল পৰিচালনা-অৱহেলাৰ পৰিণতি

## চাহ নিগমৰ ১৫ বাগিচা ব্যক্তিগত খণ্ডক গতাবলৈ সাজু অসম চৰকাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৮ এপ্ৰিল ঃ** অসম চাহ নিগম লিমিটেড (এটিচিএল)ৰ অধীনৰ ১৫খন বাগিচা এইবাৰ ব্যক্তিগত খণ্ডক হস্তান্তৰৰ প্ৰক্ৰিয়া চমু চপাই আনিছে ৰাজ্য চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগে। ইয়াৰ পূৰ্বে বিজেপি



মিত্ৰজোঁটৰ বিগত চৰকাৰেও বাগিচাকেইখন ব্যক্তিগত খণ্ডক লীজত দিয়াৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল; কিন্তু লীজ প্ৰক্ৰিয়াটোত থকা বিসংগতি আৰু পাছলৈ সৰ্বানন্দ সোণোৱাল চৰকাৰে গা এৰা দিয়াৰ বাবে বিষয়টো অধিক আগনাবাঢ়িল; ১০ পৃষ্ঠাত চাওক

লিখিত পৰীক্ষাৰ ফলাফল বিচাৰি প্ৰতিবাদ আৰক্ষীৰ মুখ্য কাৰ্যালয়ত


## কনিষ্টবল পৰীক্ষাত জাল প্ৰমাণপত্ৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৮ এপ্ৰিল ঃ** অসম আৰক্ষীৰ ৯,০১৭ টা কনিষ্টবলৰ লিখিত পৰীক্ষাৰ ফলাফল শীঘ্ৰে ঘোষণাৰ দাবীত আজি একাংশ প্ৰাৰ্থীয়ে অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰে। অৱশ্যে আৰক্ষীয়ে বাধা প্ৰদান কৰাত তেওঁলোকে অতি কম সময়ৰ বাবেহে প্ৰতিবাদ সাব্যস্ত কৰাৰ সুযোগ লাভ কৰে। প্ৰতিবাদকাৰীসকলক আৰক্ষীয়ে আটক কৰি পাণবজাৰ আৰক্ষী থানালৈ লৈ যায়। থানাতো তেওঁলোকে প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদকাৰীসকলে দাবী জনায় যে যোৱা ২০ ফেব্ৰুৱাৰীত তেওঁলোকৰ লিখিত পৰীক্ষা অনুষ্ঠিত হৈছিল; কিন্তু আজিলৈকে তাৰ ফলাফল ঘোষণা কৰা হোৱা নাই। শাৰীৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱাতহে তেওঁলোকে লিখিত ১০ পৃষ্ঠাত চাওক

## যোৰহাটত হেৰ'ইনসহ এজনক গ্ৰেপ্তাৰ বাহন-ফোন জব্দ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ১৮ এপ্ৰিল ঃ** আৰক্ষীয়ে নগৰৰ তৰাজান সোনাৰী গাঁৱৰ পৰা ৭.৫১ গ্ৰাম নিষিদ্ধ হেৰ'ইন জব্দ কৰে। লগতে দীপ দাস নামৰ এজনক গ্ৰেপ্তাৰ কৰাৰ উপৰি ড্ৰাগছ সৰবৰাহত ব্যৱহাৰ কৰা এ এছ ০৩ এ এফ ৬৩৮০ নম্বৰৰ এখন স্কুটি আৰু ম'বাইল ফোন আৰক্ষীয়ে জব্দ কৰে।

**মাহে ৰমজান**
ইফটাৰ
আজি আবেলি ঃ ৫.৪৯ বজা
ছেহেৰী
কাইলৈ পুৱা ঃ ৩.৩৫ বজা
* গুৱাহাটীৰ সময়



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৯° | ২১° |
| ডিব্ৰুগড় | ২৭° | ১৮° |
| দিল্লী | ৪১° | ২৮° |
| কলকাতা | ৩৬° | ২৭° |
| মুম্বাই | ৩৩° | ২৭° |
| চেন্নাই | ৩৪° | ২৮° |
| বাংগালুৰু | ৩২° | ২১° |
| শ্বিলং | ২৩° | ১৫° |

*১৮ এপ্ৰিল, ২০২২*

২২ বছৰে উন্নয়নৰ নামত একো কৰিব নোৱাৰিলে ■ পৌৰ নিৰ্বাচনৰ প্ৰচাৰত কংগ্ৰেছ সভাপতি

## গুৱাহাটীবাসীৰ ভোটৰ মূল্য অৰুণোদয় আঁচনিহে



**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৮ এপ্ৰিল ঃ** গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনলৈ মাজত মাথোঁ আৰু তিনিটা দিন। ২২ এপ্ৰিলত অনুষ্ঠিত হ'ব নিৰ্বাচন। সম্প্ৰতি মহানগৰীৰ প্ৰতিটো ৱাৰ্ডত নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে। নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা প্ৰতিটো দলৰ শীৰ্ষ নেতাই তেওঁলোকৰ প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী সভা-শোভাযাত্ৰাত অংশগ্ৰহণ কৰিছে। প্ৰদেশ আঠ পৃষ্ঠাত চাওক

## নিৰ্বাচনৰ পূৰ্বে ছশ কোটিৰ পেকেজ ঘোষণা কৰি বিধি উলংঘা

অভিযোগ আম আদমীৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৮ এপ্ৰিল ঃ** আম আদমী পাৰ্টি (আপ)ৰ উত্থানত শংকিত হৈছে মুখ্যমন্ত্ৰী। সেয়ে নিৰ্বাচনী বিধি উলংঘা কৰি হ'লেও বিজেপিৰ ইস্তাহাৰত নথকা ছশ কোটিটকীয়া পেকেজ ঘোষণাৰে ৰাইজক প্ৰলোভন আঠ পৃষ্ঠাত চাওক

## কাৰ্বি পৰিষদৰ নিৰ্বাচনৰ প্ৰাৰ্থীৰ সৰ্বোচ্চ ব্যয় ৪.৫ লাখ

**গুৱাহাটী, ১৮ এপ্ৰিল ঃ** অসম স্বায়ত্তশাসিত জিলাৰ অধিনিয়ম ১৭৬ (জিলা পৰিষদ গঠন)ৰ নীতি ১৯৫১ (সংশোধিত অনুসৰি)ৰ অধীনত ৰাজ্যপাল জগদীশ মুখীয়ে কাৰ্বি পৰিষদৰ নিৰ্বাচনৰ বাবে প্ৰতিজন প্ৰাৰ্থীৰ সৰ্বাধিক ব্যয়ৰ সীমা নিৰ্ধাৰণ কৰিছে। সেই অনুসৰি এগৰাকী প্ৰাৰ্থীয়ে চাৰি লাখ ৫০ হেজাৰ টকা ব্যয় কৰিব পাৰিব।

■ গুৱাহাটীত কাৰ্যালয় মুকলি কৰিলে মমতাৰ দলে ■ ১৪ লোকসভা আসনতে প্ৰতিদ্বন্দ্বিতা

## অসমৰ কংগ্ৰেছৰ অধিক নেতাৰ তৃণমূলত যোগদান চূড়ান্ত ঃ দাবী সাংসদৰ

■ **নিউজ ব্যুৰ'**
**কলকাতা, ১৮ এপ্ৰিল ঃ** অসম প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সভাপতি, প্ৰাক্তন সাংসদ তথা প্ৰাক্তন মন্ত্ৰী ৰিপুন বৰাৰ তৃণমূল কংগ্ৰেছত যোগদানক লৈ ৰাজ্যৰ ৰাজনীতিত চৰ্চা অব্যাহত আছে। এনে সময়তে প্ৰদেশ কংগ্ৰেছৰ আৰু অধিক সংখ্যক নেতাই মমতা বেনাৰ্জী নেতৃত্বাধীন দলটোত যোগদানৰ সম্ভাৱনা প্ৰকট হৈছে। ইয়াৰ মাজতে আজি কংগ্ৰেছৰ পৰা গৈ তৃণমূলত যোগ দিয়া নিখিল ভাৰত মহিলা ১০ পৃষ্ঠাত চাওক



## বকোত পথ দুৰ্ঘটনাত এজনৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**
**বকো, ১৮ এপ্ৰিল ঃ** অসম মেঘালয় সীমান্তৱৰ্তী চিৰসেউজ লাম্পী-বকো পথত আজি পুৱা এক পথ দুৰ্ঘটনাত এজন যুৱকৰ থিতাতে মৃত্যু হয়। যুৱকজন লাম্পীৰ ধনবাহাদুৰ মগৰ (২১)। উল্লেখ্য যে নিয়ন্ত্ৰণ হেৰুৱাই ইণ্ডিকা চিএছ পৰি গৈছিল পথৰ দাঁতিৰ খাৱৈত। ওমসাগৰ নামৰ ঠাইডোখৰৰ পৰা এএছ-০১ এ জেদ ৬২৭২ নম্বৰৰ ইণ্ডিকা চি এছ এখনত নিহত ধনবাহাদুৰ চিৰসেউজ লাম্পী দিশলৈ গৈ আছিল।

■ অত্যধিক মূল্যত সামগ্ৰী বিক্ৰী কৰি গ্ৰাহকক প্ৰবঞ্চনা ঃ ইডি


কে'বাটাও পৰ্যায়ত বৃহৎ কেলেংকাৰি ■ প্ৰৱৰ্তক সঞ্চালকালয়ৰ তদন্ত

## এমৱেৰ ৭৫০ কোটিৰ স্থাৱৰ-অস্থাৱৰ সম্পত্তি, বেংক একাউণ্ট বাজেয়াপ্ত

■ **নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৮ এপ্ৰিল ঃ** দেশজুৰি প্ৰসাৰ লাভ কৰা বিভিন্ন উপভোক্তা সামগ্ৰী গ্ৰাহকক পোনপটীয়াকৈ বিক্ৰী কৰি অহা কোম্পানী এমৱেৰ ৭৫০ কোটি টকাৰ সম্পত্তি বাজেয়াপ্ত কৰা হৈছে। ধনৰ অবৈধ লেনদেন প্ৰতিৰোধ আইনৰ অধীনত দেশৰ প্ৰৱৰ্তক সঞ্চালকালয়ে এই সম্পত্তিসমূহ বাজেয়াপ্ত কৰিছে। এমৱে ইণ্ডিয়া এণ্টাৰপ্ৰাইজেছ প্ৰাইভেট লিমিটেডৰ তামিলনাডুৰ দিণ্ডিগুল জিলাস্থিত ১০ পৃষ্ঠাত চাওক




**চেঙা তেল**



*মাজসাগৰত ডুব যোৱাতকৈ খেৰকুটা সদৃশ এই ঘাঁহ ফুলেই শ্ৰেয়!*

■ এক্তিয়াৰ নাই ঃ ১৬৩টা বস্তি অঞ্চলৰ এটাকো স্বীকৃতি নিদিলে গুৱাহাটী পৌৰ নিগমে

ৰেলপথৰ কাষতে জীৱন ■ বস্তিবাসীৰ ক্ষোভ ঃ কোনো চৰকাৰেই সমস্যা সমাধান নকৰিলে

## মহানগৰীত উপেক্ষিত ৬০ হেজাৰ বাসিন্দা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৮ এপ্ৰিল ঃ** গুৱাহাটী মহানগৰীত এতিয়া নিৰ্বাচনী প্ৰচাৰৰ ধুমুহা। কাৰণ অহা ২২ এপ্ৰিলত অনুষ্ঠিত হ'ব গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচন। গতিকে শাসকীয় দলৰ নেতা-মন্ত্ৰীকে ধৰি বিৰোধী দলসমূহৰো ৰথী-মহাৰথীসকল নামি পৰিছে প্ৰচাৰ কাৰ্যসূচীত। শাসক-বিৰোধী সকলো ৰাজনৈতিক দলে মহানগৰবাসীয়ে সন্মুখীন হৈ



অহা দীৰ্ঘদিনীয়া সমস্যাসমূহ সমাধানৰ প্ৰতিশ্ৰুতিৰে দলীয় ঘোষণা পত্ৰ প্ৰকাশ কৰিছে। ঘোষণা পত্ৰ হাতে হাতে লৈ মহানগৰবাসীৰ ঘৰে ঘৰে প্ৰৱেশ কৰিছে। তাৰ মাজতো দৃষ্টিকটুভাৱে ৰাজনৈতিক দলসমূহৰ প্ৰতিশ্ৰুতিৰ পৰা বঞ্চিত, উপেক্ষিত আৰু অৱহেলিত হৈ ৰ'ল মহানগৰীৰ বস্তি অঞ্চলৰ বাসিন্দাৰ সমস্যাসমূহ। মহানগৰীৰ ১০ পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৯ এপ্ৰিল, ২০২২ মঙ্গলবাৰ পৃষ্ঠা তিনি

## নগাঁও চহৰত পদপথৰ ব্যাপক বেদখল

### পদপথৰ বেদখল উচ্ছেদৰ দাবীত যুব-ছাত্ৰ পৰিষদৰ স্মাৰকপত্ৰ প্ৰদান

**বিশেষ সংবাদদাতা**
**নগাঁও, ১৮ এপ্ৰিল ঃ** নগাঁও চহৰৰ একাংশ ব্যৱসায়ীয়ে পদপথসমূহ বেদখল কৰি ব্যৱসায় চলাই থকাত ৰাইজে জীয়াতু ভুগিব লগীয়া হৈছে। শেহতীয়াকৈ পদপথ বেদখলক লৈ সোচ্চাৰ হৈছে জাতীয়তাবাদী যুব-ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতি। চহৰখনৰ বিষ্ণু ৰাভা মাৰ্কেট, বৰবজাৰ, ঢাকাপট্টি, হয়বৰগাঁও বজাৰ, চিভিল গেইট, নতুন বজাৰ, খ্ৰীষ্টান পট্টি, ডং হিউজ ৰোড, ষ্টেডিয়াম মাৰ্কেট, নেহৰুবালি, পানীগাঁও, ডিমৰুগুৰি প্ৰমুখ্যে বিভিন্ন অঞ্চলৰ পদপথ সমূহেৰে লোক খোজকাঢ়ি ছয় পৃষ্ঠাত চাওক

## জল্পনা-কল্পনাৰ অন্তত নলবাৰী পৌৰসভা গঠন ঃ অধ্যক্ষ জয়শ্ৰী, উপাধ্যক্ষ ৰবীন দাস

# ৮৫ বছৰৰ মূৰত প্ৰথমবাৰলৈ কংগ্ৰেছমুক্ত পৌৰসভা

**বিশেষ সংবাদদাতা**
**নলবাৰী, ১৮ এপ্ৰিল ঃ** বিগত ডেৰমাহ ধৰি বহু জল্পনা-কল্পনাৰ অন্তত আজি গঠন হ'ল নলবাৰী পৌৰসভা। নাট্য মন্দিৰত জিলা প্ৰশাসনে আয়োজন কৰা শপতগ্ৰহণ অনুষ্ঠানত পৌৰপতি ৰূপে শপতগ্ৰহণ কৰে ছয় নম্বৰ ৱাৰ্ডৰ পৰা নিৰ্বাচিত বিজেপিৰ জয়শ্ৰী তালুকদাৰ পাঠকে আৰু ১১ নম্বৰ ৱাৰ্ডৰ অগপৰ ৰবীন দাসে উপ-পৌৰপতিৰূপে। নলবাৰী পৌৰসভাৰ কাৰ্যবাহী বিষয়া চয়নিকা ঠাকুৰীয়াৰ সামগ্ৰিক পৰিচালনাত অনুষ্ঠিত উক্ত অনুষ্ঠানত বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক উপদেষ্টা জয়ন্ত মল্ল বৰুৱা, সাংসদ দিলীপ শইকীয়া, নলবাৰী বিজেপিৰ সভাপতি ডাঃ মৃগাংক তালুকদাৰ উপস্থিত থাকে। শপতগ্ৰহণ কৰি অধ্যক্ষ তালুকদাৰ পাঠক আৰু দাসে আগন্তুক সময়ছোৱাত পৌৰসভা অঞ্চলৰ মুখ্য সমস্যা ক্ষেত্ৰত প্ৰথমে ভূমিকা গ্ৰহণ কৰাৰ বিষয়ে সদৰী কৰে। লগতে ঠিকাত ব্যস্ত হৈ পৰা বুলি নলবাৰী পৌৰসভাৰ ৱাৰ্ড কমিছনাৰসকলৰ বিপৰীতে চৰ্চিত হৈ অহা অভিযোগ এইবাৰৰ সমিতিখনে আঁতৰ কৰিব বুলি দুই অধ্যক্ষ-উপাধ্যক্ষই সংবাদ মাধ্যমক সদৰী কৰে। ইপিনেল পৌৰসভাৰ নতুন সমিতিখনক সততাৰে কাম কৰি চহৰখনক এখন আকৰ্ষণীয় চহৰৰূপে গঢ়ি তোলাত মনোনিৱেশ কৰিবলৈ আহ্বান ছয় পৃষ্ঠাত চাওক


অসম-নগালেণ্ড সীমান্তৰ নগাবাট পানীখেতিত নগাই নিৰ্মাণ কৰা গৃহ উচ্ছেদ অসম আৰক্ষীৰ, সোমবাৰে।

## দৰঙৰ তিনিওখন পৌৰসভাৰ পাইলটৰ আসনত মহিলা প্ৰাৰ্থী

**অগ্ৰদূত বাৰ্তা**
**মঙলদৈ, ১৮ এপ্ৰিল ঃ** দৰং জিলাৰ তিনিখন পৌৰসভাৰ চালকৰ আসন তথা পাইলটৰ আসনত অধিষ্ঠিত হৈছে তিনিজনী অগ্ৰণী মহিলা। সেইমতে মঙলদৈ পৌৰসভাৰ এক নম্বৰ ৱাৰ্ডৰ নিৰ্বাচিত বিজেপিৰ প্ৰাৰ্থী নিৰ্মালী দেবী শৰ্মাক ৬৫ বছৰীয়া ঐতিহাসিক পৌৰসভাখনৰ নতুন সভাপতিৰূপে বাছনি কৰা হৈছে। অসম ৰাজ্যিক বিজেপিয়ে এক বিশেষ দলীয় বাছনি প্ৰক্ৰিয়াৰে তেওঁক পৌৰসভাখনৰ মহিলাৰ বাবে এইবাৰ সংৰক্ষিত সভাপতিৰ আসনৰ বাবে বাছনি কৰাৰ সিদ্ধান্তৰ বিষয়ে আজি ৰাজহুৱাকৈ সদৰী কৰা হয়। দৰং জিলা বিজেপিৰ সভাপতি অমৰেন্দ্ৰ শৰ্মাই এই সন্দৰ্ভত সংবাদ মাধ্যমক জনায় যে জিলা বিজেপিৰ মঙলদৈৰ কাৰ্যালয়ত অনুষ্ঠিত এক কাৰ্যসূচীত ৰাজ্যিক বিজেপিয়ে বন্ধ খামত প্ৰেৰণ কৰা সিদ্ধান্ত জিলাখনৰ আটাইকেইখন পৌৰসভাৰ নিৰ্বাচিত দলীয় সদস্যৰ উপস্থিতিত বন্ধ খাম খুলি বাচনিপ্ৰাপ্ত সভাপতি, উপ-সভাপতিসকলৰ নাম ৰাজহুৱাকৈ ঘোষণা কৰে। সেইদৰে মঙলদৈ পৌৰসভাৰ উপ-সভাপতি পদটোৰ বাবে গেৰুৱা দলটোৰ চাৰি নম্বৰ ৱাৰ্ডৰ নিৰ্বাচিত প্ৰতিনিধি অচ্যুত দাসক বাছনি কৰা হয়। সেইদৰে মহিলাৰ বাবে সংৰক্ষিত ছিপাঝাৰ পৌৰসভাৰ সভাপতি পদত পিনাক্ষী শৰ্মাই আৰু উপ-সভাপতি পদত অভিনৱ হাজৰিকাই দলীয় বাছনি লাভ কৰে। আনহাতে, সংৰক্ষণ মুকলি খাৰুপেটীয়া পৌৰসভাৰ সভাপতিৰ ছয় পৃষ্ঠাত চাওক


## অথন্তৰ নুগুচিল মাজুলীৰ ফেৰী সেৱাৰ

## পুনৰ ব্ৰহ্মপুত্ৰৰ মাজত আবদ্ধ যাত্ৰীবাহী ফেৰী

**অগ্ৰদূত বাৰ্তা**
**কমলাবাৰী, ১৮ এপ্ৰিল ঃ** চৰকাৰে মাজুলীৰ ফেৰী যিমানেই গতিশীল কৰাৰ চেষ্টা নকৰক মাজুলীৰ ফেৰী সেৱাৰ আপদ নুগুচিল। আজিও তেনে এটা অঘটন সংঘটিত হয় নিমাতী অফলামুখ ঘাটত। দিনৰ ভাগতে ব্ৰহ্মপুত্ৰত আৱদ্ধ হ'ল এখন যাত্ৰীবাহী ফেৰী। আজি নিমাতীৰ পৰা পদ্মা নামৰ ফেৰীখন ১-৩০ বজাত মাজুলী অফলামুখ ঘাট অভিমুখে গৈছিল। কিন্তু ব্ৰহ্মপুত্ৰৰ তীব্ৰ সোঁতৰ বাবে উজাব নোৱাৰি ফেৰীখন ব্ৰহ্মপুত্ৰৰ এটা চাপৰিত চপাই ৰখাবলগীয়া হয়। যাত্ৰীসকলে জনোৱা মতে, পুৰণি ইঞ্জিন কেইটাৰে নৈৰ সোঁতত উজাব পৰা শক্তি নাই বাবে পৰিচালকে ফেৰীখন নিবলৈ অপাৰগ হৈ যাত্ৰীৰ নিৰাপত্তাৰ বাবে এনে সিদ্ধান্ত ল'বলৈ বাধ্য হয়। ১২০জন যাত্ৰী আৰু মটৰ চাইকেলসহ আবদ্ধ ফেৰীখনৰ পৰা আভ্যন্তৰীণ জল পৰিবহণ বিভাগে অন্য এখন ফেৰীৰে যাত্ৰীসকলক উদ্ধাৰ কৰে। ইয়াৰে বহুতো যাত্ৰী যোৰহাটলৈ উভতি যায়।

## ধনশিৰি মহকুমা ছাত্ৰ সন্থাৰ উদ্যোগত মুকলি বিহু

### সংগ্ৰামী যাত্ৰা আগুৱাই নিবৰ বাবে বয়োজ্যেষ্ঠৰ পৰা ল'লে আশীৰ্বাদ



**সৰুপথাৰ, ১৮ এপ্ৰিল ঃ** প্ৰতি বছৰৰ দৰেই ধনশিৰি মহকুমা ছাত্ৰ সন্থাই সৰুপথাৰ আঞ্চলিক ছাত্ৰ সন্থা আৰু সৰুপথাৰবাসী ৰাইজৰ উদ্যোগত এইবাৰো চাৰি ব'হাগত সৰুপথাৰ ৰাজহুৱা খেলপথাৰত দিনজোৱা কাৰ্যসূচীৰে আয়োজন কৰে মুকলি বিহু। ধনশিৰি মহকুমা ছাত্ৰ সন্থাই পুৱাৰ ভাগত পতাকা উত্তোলন আৰু ছহিদ তৰ্পণেৰে অনুষ্ঠানৰ আৰম্ভ কৰে। তেওঁলোকে মুকলি বিহু অনুষ্ঠানৰ প্ৰাকমুহূৰ্তত ধনশিৰি মহকুমাৰ বয়োজ্যেষ্ঠ ব্যক্তিসকলক নিমন্ত্ৰণ কৰি আনি সকলোকে বিহুৰ জলপানেৰে আপ্যায়ন কৰে আৰু চৰণত গুৱাপাণৰ শৰাই ছয় পৃষ্ঠাত চাওক

## দুৰ্ঘটনাত হেলেমৰ বিহুৱা-বিহুৱতী মৃত্যু কাণ্ড ঃ চালকৰ আমগুৰি থানাত আত্মসমৰ্পণ

**অগ্ৰদূত বাৰ্তা**
**আমগুৰি, ১৮ এপ্ৰিলঃ** গহপুৰৰ হেলেমৰ টকৌবাৰীত হোৱা দুৰ্ঘটনাত পাঁচগৰাকীকৈ বিহুৱা- বিহুৱতীৰ মৃত্যু হোৱা ঘটনাৰে জৰিত তথা পলাতক চালক অভিজিত গগৈয়ে আজি আমগুৰি থানাত আত্মসমৰ্পণ কৰে। চালকজনৰ বিৰুদ্ধে সুৰাপান কৰি অহাৰ অভিযোগ উত্থাপিত হোৱাৰ পাছতে তেওঁ পলাতক হৈ আছিল। চালকজনৰ ঘৰ আমগুৰি আৰক্ষী থানাৰ অন্তৰ্গত আমগুৰি নগৰত। উল্লেখ্য যে দীৰ্ঘদিন ধৰি তথা কৰ্মসূত্ৰে অভিজিত হেলেমত ৰৰ বছৰ ধৰি ব্যৱসায় কৰি আহিছিল।

## বেলশৰত ডাঃ ভূমিধৰ বৰ্মনৰ আৱক্ষ মূৰ্তি স্থাপন-স্মৃতিচাৰণ সভা সম্পন্ন

**অগ্ৰদূত বাৰ্তা**
**নলবাৰী/ চামতা, ১৮ এপ্ৰিল ঃ** এজন সু চিকিৎসকৰ পৰা সফল ৰাজনীতিবিদলৈ ডাঃ ভূমিধৰ বৰ্মনে মানুহৰ মাজতে থাকি সেৱা আগবঢ়াইছিল। ৰাজনৈতিক ভেম বা বিলাসৰ পৰা তেওঁ বহুত দূৰত আছিল। প্ৰাক্তন মুখ্যমন্ত্ৰী তথা জননেতা ডাঃ ভূমিধৰ বৰ্মন সাধাৰণ মানুহৰ মাজত থকা এজন অতি সাধাৰণ মানুহ আছিল। এই গুণটোৱে তেওঁক মানুহৰ মাজত বহু ওপৰলৈ লৈ গৈছিল। এই মন্তব্য বিশিষ্ট সাহিত্যিক তথা শিক্ষাবিদ, প্ৰাগজ্যোতিষ মহবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° দয়ানন্দ পাঠকৰ। আজি নলবাৰী জিলাৰ বেলশৰৰ ভকতৰ



পুখুৰী 'শান্তিভূমি'ত ভকতৰাম বৰ্মন ৰাজহুৱা স্মাৰক ন্যাসৰ উদ্যোগত আৰু পৰিয়ালবৰ্গৰ সহযোগত আয়োজিত ডাঃ বৰ্মনৰ প্ৰথম মৃত্যু বাৰ্ষিকী উপলক্ষে ডাঃ ভূমিধৰ বৰ্মনৰ এটি আৱক্ষ মূৰ্তি উন্মোচন কৰি ড° পাঠকে এইদৰে কয়। স্মৃতিচাৰণ সভাত সাংবাদিক অৰূপ ৰঞ্জন বৰ্মনে সম্পাদনা কৰা 'দীনবন্ধু' নামৰ সোঁৱৰণী গ্ৰন্থখন উন্মোচন কৰি প্ৰবীণ সাংবাদিক, সমালোচক হাইদৰ হুছেইনে কয় যে শিপাৰ লগত সম্পৰ্কহীন কোনো শিক্ষাই, কোনো উদ্ভাৱনী চিন্তাই মানুহক মহৎ কাম কৰিবলৈ প্ৰেৰণা নিদিয়ে। শিপাৰ লগত সম্পৰ্কহীন মানুহ আৰু টাবত ৰোৱা ফুল সদৃশ। তেওঁ কয় ডাঃ বৰ্মন আছিল ছয় পৃষ্ঠাত চাওক

## বহিঃৰাজ্যৰ পৰা বিহুত ঘৰলৈ ওভতাৰ পথত যুৱকে হেৰুৱালে ভৰি

**চেলেংহাটৰ, ৮ এপ্ৰিল ঃ** ৰঙালী বিহুৰ আনন্দ উল্লাসৰ মাজতে মৰিয়নিৰ এটা পৰিয়াললৈ নামি আহিল ঘোৰ অমানিশা। কৰ্মসংস্থাপন বিচাৰি গৈ গোৱাৰ এটা কোম্পানীত কাম কৰা মৰিয়নিৰ চেলেংহাট হালোৱাপথাৰ গাঁৱৰ অমৰজীৎ বৰুৱা নামৰ এজন যুৱক বিহুত আপোন ঘৰখনলৈ আহি থকা অৱস্থাত বিহাৰ আৰু পশ্চিম-বংগৰ সীমান্ত অঞ্চলত ৰেলত সংঘটিত এটা ঘটনাৰ পাছত দুয়োখন ভৰি চিৰদিনৰ বাবে হেৰুৱাব ছয় পৃষ্ঠাত চাওক

## লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ সোণালী জয়ন্তী সমাৰোহৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**
**শিঙৰী, ১৮ এপ্ৰিল ঃ** ঢেকিয়াজুলিৰ লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয়ৰ সোণালী জয়ন্তী সমাৰোহ আৰু গ্ৰন্থমেলাৰ আয়োজন কৰা হৈছে। সোণালী জয়ন্তী সমাৰোহ উপলক্ষে অহা ২০ এপ্ৰিলৰ পৰা ছয়দিনীয়াকৈ গ্ৰন্থমেলাৰ আয়োজন কৰা হৈছে। ইপিনে, সোণালী জয়ন্তী সমাৰোহৰ মূল অনুষ্ঠান ২৩, ২৪ আৰু ২৫ এপ্ৰিলত অনুষ্ঠিত হ'ব। সোণালী জয়ন্তী সমাৰোহ আৰু গ্ৰন্থমেলাৰ কাৰ্যসূচী অনুসৰি অহা ২০ এপ্ৰিলত দিনৰ ১১ বজাত গ্ৰন্থমেলা উদ্বোধন কৰিব ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ড° অমলেন্দু চক্ৰৱৰ্তীয়ে। গ্ৰন্থমেলাৰ উদ্বোধনী অনুষ্ঠানত উদ্বোধক ড° অমলেন্দু চক্ৰৱৰ্তীয়ে 'সৌৰ আৰু চান্দ্ৰ সংস্কৃতিৰ পৰিপ্ৰেক্ষিতত অসম' শীৰ্ষক এক গুৰুত্বপূৰ্ণ বিষয়ত বক্তৃতা প্ৰদান কৰিব। আনহাতে, ২১ আৰু ২২ এপ্ৰিলত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আবৃত্তি আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ বিদ্যাৰ্থীক সামৰি (ক শাখা) আৰু স্নাতকৰ পৰা স্নাতকোত্তৰ শ্ৰেণীৰ বিদ্যাৰ্থীক সামৰি (খ শাখা)ত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। ক শাখাৰ আবৃত্তিৰ বাবে নিৰ্ধাৰিত কবিতা -'মোৰ দেশ মানুহৰ দেশ' (কবি দেৱকান্ত বৰুৱা) আৰু খ শাখাৰ বাবে কবিতা-'পথাৰ' (কবি ৰাম গগৈ)। আনহাতে, ক শাখাৰ আকস্মিক বক্তৃতাৰ বিষয়বস্তু বিহু সম্পৰ্কীয় আৰু খ শাখাৰ আকস্মিক বক্তৃতাৰ বিষয়বস্তু অসমৰ লোক-সংস্কৃতি সম্পৰ্কীয় হ'ব। প্ৰতিটো প্ৰতিযোগিতাত বিদ্যালয়-মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ নিৰ্বাচিত দুগৰাকীকৈ প্ৰতিযোগী আৰু লোকনায়ক অমিয় কুমাৰ দাস মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ আগ্ৰহী সকলো শিক্ষাৰ্থীয়ে যোগদান কৰিব পাৰিব বুলি সোণালী জয়ন্তী সমাৰোহ উদ্‌যাপনৰ গ্ৰন্থমেলা উপ-সমিতিৰ সম্পাদক ভগৱান বৈশ্যই জনাইছে।

## চিত্ৰ কৰ্মশালাত ভাগ ল'লে এজাক কণমানি শিশুৱে

## জাতি-জনগোষ্ঠীৰ নৃত্য-গীতেৰে উজলিল ঐতিহ্যমণ্ডিত মৰিগাঁৱৰ বিহুতলী



**অগ্ৰদূত বাৰ্তা**
**মৰিগাঁও, ১৮ এপ্ৰিলঃ** মৰিগাঁও জিলাৰ অতি প্ৰাচীন ঐতিহ্যমণ্ডিত ৬০ সংখ্যক সদৰ বিহু সন্মিলনৰ আজি নিশা সামৰণি পৰে। মৰিগাঁও চহৰৰ মাজমজিয়া বিহুতলিত কালিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত বিহু উৎসৱ এক উখল-মাখল উৎসৱমূখৰ পৰিৱেশেৰে আৰম্ভ হয়। তেজপুৰ, শিৱসাগৰ, গুৱাহাটী,কলিয়াবৰ, বোকাখাট, মৰিগাঁৱকে ধৰি ৰাজ্যৰ কে'বাটাও আগশাৰী বিহুৱা দলে মুকলি বিহু প্ৰদৰ্শন কৰি বিহু দল সমূহৰ ঢোলৰ চাপৰত মৰিগাঁও চহৰৰ চৌদিশে ৰঙালী কৰি তোলে। বিহু সন্মিলনৰ কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলনৰে কাৰ্যসূচী আৰম্ভ কৰে মৰিগাঁও সদৰ ৰঙালী বিহু সন্মিলনৰ সভাপতি হৰেন্দ্ৰ বৰাই। পতাকা ছয় পৃষ্ঠাত চাওক

## মৰিয়নিত ছাত্ৰ সন্থাৰ মুকলি বিহু

## অসমীয়া জাতি আজি জটিল সন্ধিক্ষণত উপনীত হৈছে

**অগ্ৰদূত বাৰ্তা**
**মৰিয়নি, ১৮ এপ্ৰিল ঃ** অসমীয়া জাতি আজি জটিল সন্ধিক্ষণত উপনীত হৈছেহি। বহিৰাগতৰ হেঁচাই অসম আৰু অসমীয়াৰ স্বাভিমানৰ প্ৰতি ভাবুকি নমাই আনিছে। অসমীয়াৰ মুখৰ ভাষা কাঢ়ি নিবলৈও চেষ্টা চলাইছে। এনে জটিল সময়ত প্ৰতিজন অসমীয়া সজাগ হ'ব লাগিব। অসমক চিৰদিনৰ বাবে অসমীয়াৰ কৰি ৰাখিব পাৰিব লাগিব।' মৰিয়নি আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আজি অনুষ্ঠিত মুকলি বিহু অনুষ্ঠানত বিহুৰ বাকৰি উদ্বোধন কৰি এইদৰে কয় আছুৰ সম্পাদক জুল খাউণ্ডে। তেওঁ লগতে গছ তলৰ বিহু কিদৰে বিৱৰ্তন হৈ আজি মঞ্চ পালেহি তাৰ ওপৰতো বিস্তৃতভাৱে উল্লেখ কৰে। ছাত্ৰ সন্থাই বিহু উদ্‌যাপনৰ জৰিয়তে সকলো জাতি জনগোষ্ঠীৰ মাজত সম্প্ৰীতি সদ্ভাৱ জগোৱাৰ প্ৰয়াস চলোৱা বুলিও তেওঁ লগতে উল্লেখ কৰে। ইয়াৰ পাছতেই ছাত্ৰ সন্থাই অসমীয়া লোক সংস্কৃতিলৈ অৱদান আগবঢ়োৱা কে'বাগৰাকীও ব্যক্তিক সম্বৰ্ধনা জনায়। প্ৰবীন বিহুৱা ছয় পৃষ্ঠাত চাওক

## দুলীয়াজানত গভাইত চোৰ আটক

**অগ্ৰদূত বাৰ্তা**
**দুলীয়াজান, ১৮ এপ্ৰিল ঃ** আজি পুৱতি নিশা প্ৰায় ৩ মান বজাত তৈলনগৰী দুলীয়াজানৰ ইন্দপুৰী অঞ্চলৰ পাঁচ নম্বৰ লাইনৰ নিৱাসী শ্বকিল নামৰ এজন ব্যৱসায়ীৰ ঘৰত এটা চোৰৰ দলে চুৰি কাৰ্য কৰিবলৈ লওতেই স্থানীয়লোকে চোৰৰ চুৰি কৰ্মৰ কিছু উমান পাই চিঞৰ বাখৰ কৰাত সন্দৰ্ভত এজনক আটক কৰে যদিও চোৰৰ দলটোৰ দুজন লোক পলাই যাবলৈ সক্ষম হয়। পাছত ৰাইজে আটকাধীন চোৰজনক দুলীয়াজান আৰক্ষীক চমজাই দিয়ে। আটকাধীন চোৰজন হৈছে মাকুম অঞ্চলৰ নিৱাসী বাবা কুৰ্মী (৪৫)। আটকাধীন চোৰটোৱে আৰক্ষীক সদৰী কৰা অনুসৰি উক্ত ঘটনাৰ পৰা অন্য ছয় পৃষ্ঠাত চাওক

## পাঁচ ব'হাগত আৰিয়া দিলে মনোকামনা পূৰ্ণ হয় ভক্তৰ

### বেঙেনাআটী সত্ৰত তিনিদিনীয়া কাৰ্যসূচীৰে সবাহ আৰম্ভ

**অগ্ৰদূত বাৰ্তা**
**গোৰেশ্বৰ, ১৮ এপ্ৰিল ঃ** তামুলপুৰ জিলাৰ ঐতিহাসিক সত্ৰ বেঙেনাআটী সত্ৰত আজিৰে পৰা বেঙেনাআটী সত্ৰ সবাহ আৰম্ভ হৈছে। প্ৰবাদ আছে যে এই সত্ৰ সভাৰ প্ৰথম দিনা অৰ্থাৎ পাঁচ ব'হাগত যিসকল ব্যক্তিয়ে আৰিয়া দিয়ে তেওঁলোকৰ মনোকামনা পূৰ্ণ হয়। সতী সন্তান, ধন-সম্পত্তি আদি কৰি যিয়ে যি বিচাৰে সেয়া পাবলৈ সমৰ্থ হয়। লোকবিশ্বাস অনুসৰি অসমৰ বিভিন্ন প্ৰান্তৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ ভক্তপ্ৰেমী ৰাইজে পাঁচ ব'হাগত আৰিয়া দিয়া প্ৰথা চলি আহিছে। স্থানীয় ৰাইজ তথা পূৰ্ব পুৰুষসকলে জনোৱা মতে ১৭০০ খ্ৰীষ্টাব্দত আহোম ৰজা পূৰ্ণানন্দ সিংহৰ আক্ৰমণত মাজুলীৰ সত্ৰাধিকাৰ ৰমাকান্ত দেৱগোস্বামী পলাবলগীয়া হয়। আহোম ৰজাৰ আক্ৰমণত সত্ৰাধিকাৰ ৰমাকান্ত দেৱগোস্বামীয়ে ব্ৰহ্মপুত্ৰৰ নদীৰে ভটিয়াই আহি উত্তৰ গুৱাহাটীৰ পৰা ভূটান অভিমুখে আহে। প্ৰায় এশ সৈন্য সামন্ত লৈ ভূটানলৈ অহা সত্ৰাধিকাৰ ৰমাকান্ত দেৱগোস্বামী ভোক-পিয়াহত ৰ'ব নোৱাৰি কামৰূপ জিলাৰ গোৰেশ্বৰৰ ওখ ঠাই এডোখৰত ছাউনী পাতি জিৰণি লয়। এই ছাউনীতে খোৱা-লোৱাৰ বাবে তিনিডাল অৰ্জুন গছৰ ডাল কাটি জুইশাল বনায়। এই তিনিডাল গছৰ ডালৰ জুহালৰ এডাল জীৱিত হয়। অৱশ্যে এই অৰ্জুন গছডাল প্ৰায় এশ বছৰ মান জীৱিত আছিল যদিও ছয় পৃষ্ঠাত চাওক

## ইটাখোলাত নাবালিকাক বলাৎকাৰৰ চেষ্টা ঃ ৰঙাঘৰৰ আলহী অভিযুক্ত

**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ১৮ এপ্ৰিল ঃ** বিশ্বনাথ জিলাৰ ইটাখোলা আৰক্ষী চকীৰ অন্তৰ্গত তথা জামুগুৰিহাটৰ নিকটৱৰ্তী ইটাখোলাৰ সমীপৰ বালিজুৰিত আজি এগৰাকী নাবালিকা ছাত্ৰীক বলাৎকাৰৰ অপচেষ্টা চলাই এজন অসৎ চৰিত্ৰৰ যুৱক ৰঙাঘৰৰ আলহী হ'বলগীয়া হয়। বালিজুৰিস্থিত সাপ্তাহিক বজাৰ ঘৰৰ নিৰ্মাণ কাৰ্যত কৰ্মৰত মেহেৰ আলী (২৫) নামৰ এজন লোকে ওচৰৰে মাছ বজাৰৰ ছয় পৃষ্ঠাত চাওক

## বাগ্‌সাৰ শালবাৰীত কেন্দ্ৰীয় মন্ত্ৰী মিনাক্ষী লেখী

## মৌলবাদী জেহাদীৰ কাৰ্যকলাপ ৰোধ কৰাৰ বাবে চৰকাৰে শক্তি প্ৰয়োগ কৰিব লাগে

**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ১৮ এপ্ৰিল ঃ** কেন্দ্ৰীয় বহিঃ পৰিক্ৰমা আৰু সাংস্কৃতিক দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী মিনাক্ষী লেখীয়ে অসমত প্ৰধানমন্ত্ৰীৰ চৰকাৰী আঁচনিবোৰ সঠিকভাৱে ৰূপায়িত হৈছে নে নাই, সেয়া তদাৰক কৰিবলৈ কালি বাগ্‌সাৰ শালবাৰীত উপস্থিত হয়। শালবাৰীৰ চৰকাৰী বিভাগীয় বিষয়ববীয়াসকলৰ লগত মত বিনিময় কৰাৰ অন্তত মানাহ ৰাষ্ট্ৰীয় উদ্যানত উপস্থিত হয়। শালবাৰীৰ চৰকাৰী বিভাগীয় বিষয়ববীয়া সকলৰ লগত মত বিনিময় কৰাৰ অন্তত মানাহ ৰাষ্ট্ৰীয় উদ্যানত মানাহৰ মুছা ল'জত কেন্দ্ৰীয়



মন্ত্ৰীজনে সংবাদ মাধ্যমক সম্বোধন কৰি কয় যে প্ৰধানমন্ত্ৰীৰ চৰকাৰী আঁচনিবোৰ অসমত কেনে ধৰণে ৰূপায়িত হৈছে, কাগজে-পত্ৰই কেনেকুৱা বা প্ৰকৃতাৰ্থত কি হৈ আছে আৰু কি কি কাম কৰিব লগা প্ৰয়োজন আছে সেইবোৰৰ তদাৰক কৰি প্ৰতিবেদন যুগুত কৰিবলৈ মন্ত্ৰীসকলক বিভিন্ন ঠাইত দায়িত্ব দিয়া হৈছে আৰু সেই মতে মন্ত্ৰীসকলে ঠায়ে ঠায়ে কাম কৰি আছে। পূৰ্বতকৈ অসমৰ ৰাস্তা-ঘাট ভাল হোৱা বুলি শলাগ লৈ মন্ত্ৰীজনে অংগনৱাড়ী ছয় পৃষ্ঠাত চাওক

## শালবাৰীত ইউপিপিএলৰ ৰঙালী বিহু উদ্‌যাপন

## বিহু সংস্কৃতিক জাকতজিলিকাকৈ জীয়াই ৰখাটো অসমবাসীৰ নৈতিক দায়িত্ব ঃ মন্ত্ৰী উৰ্খাও



**অগ্ৰদূত বাৰ্তা**
**শালবাৰী, ১৮ এপ্ৰিল ঃ** 'বিহু সংস্কৃতিক জাকত-জিলিকাকৈ জীয়াই ৰখাটো অসমবাসীয়ে নৈতিক দায়িত্বৰূপে ল'ব লাগিব। অসমৰ মাটিত প্ৰতিটো জনগোষ্ঠীয়ে নিজৰ নিজৰ বিহুৰ স্বকীয়তাৰে ৰঙালী বিহুক সুৰক্ষিত কৰি ৰাখিবই লাগিব। কাৰণ বিহু অসমৰ জাতীয় অস্তিত্ব।' এই মন্তব্য মন্ত্ৰী তথা সাহিত্য একাডেমী বঁটা বিজয়ী সাহিত্যিক উৰ্খাও ছয় পৃষ্ঠাত চাওক

## ৰঙিয়াত উদ্ধাৰ হোৱা মৃতদেহৰ আজিও নহ'ল চিনাক্ত

**অগ্ৰদূত বাৰ্তা**
**ৰঙিয়া, ১৮ এপ্ৰিল ঃ** ৰঙিয়া ৰেল ষ্টেছনৰ পাঁচ নম্বৰ প্লেটফৰ্মৰ ৰেল লাইনৰ কাষত যোৱা ১৬ এপ্ৰিলত উদ্ধাৰ হোৱা মৃতদেহটো আজিও চিনাক্ত হোৱা নাই। আৰক্ষীৰ সূত্ৰ অনুসৰি ৰেল লাইনৰ কাষত পৰি থকা প্ৰায় ৫০ বছৰীয়া লোকজনৰ পিন্ধনত পাতল নীলা ৰঙৰ ছাৰ্ট আৰু ক'লা ৰঙৰ পেণ্ট আছিল। লোকজনৰ দেহত কোনো ধৰণৰ আঘাতৰ চিন পৰিলক্ষিত হোৱা নাই। ফলত তেওঁ বেমাৰত আক্ৰান্ত হৈ মৃত্যু ছয় পৃষ্ঠাত চাওক


**NOTIFICATION**

Date : 18.04.2022

No.AHSEC/EXB/HS-I/2022/04 : It is notified for information of all concerned that due to some unavoidable circumstances, the programme for the H.S.1st Year Examination-2022 is partly rescheduled. As per re-scheduled programme, the examinations of English (Morning Shift) and Bihu* (Afternoon Shift) scheduled on May 04, Wednesday will be held on May 30, Monday and the examinations of Economic Geography/Music Group B** (Morning Shift) and Mathematics (Afternoon Shift) scheduled on May 19, Thursday will be held on May 31, Tuesday, 2022. The following schedule is given for better confirmation.

| DATE & DAY | MORNING | AFTERNOON |
|---|---|---|
| | From 9.00 AM to 12.00 Noon | From 1.30 PM to 4.30 PM |
| May 30 Monday | English | Bihu** |
| May 31 Tuesday | Economic Geography/ Music Group B** | Mathematics |

** Examination Timing for Morning Shift from 9.00 AM to 11.00 AM/Afternoon Shift from 1.30 PM to 3.30 PM (For 30 Marks).

Sd/-
(Pankaj Borthakur)
Controller of Examinations
Assam Higher Secondary Education Council
Bamunimaidam, Guwahati-21

দৈনিক অগ্ৰদূত

গুৱাহাটী মঙলবাৰ ৫ ব'হাগ ১৪২৯ভাস্কৰাব্দ ১৯ এপ্ৰিল ২০২২



## সংস্কাৰৰ প্ৰয়োজন

সম্প্ৰতি শিক্ষিত নিবনুৱাই দেশত ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। অধিকাংশই চৰকাৰী চাকৰি বিচৰা হেতুকে এনেদৰে নিবনুৱা সমস্যা গুৰুতৰ হৈছে। কিন্তু ইউৰোপৰ দেশসমূহত আত্মসংস্থাপনৰ ব্যাপক সম্ভাৱনা থকা হেতুকে চৰকাৰী চাকৰিৰ প্ৰতি অনীহা প্ৰকট হৈ উঠিছে, যাৰ ফলস্বৰূপে চৰকাৰী বিভাগসমূহত হেজাৰ হেজাৰ পদ খালী হৈ আছে। ইয়াৰ বিপৰীতে আমাৰ নিবনুৱা যুৱক-যুৱতীয়ে আনৰ উপাৰ্জিত সম্পদেৰে জীৱন নিৰ্বাহ কৰিব লগা হোৱা হেতুকে সামগ্ৰিকভাৱে ৰাষ্ট্ৰীয় গড় আয় নিম্নমুখী হৈছে। আমাৰ সংবিধানৰ নিৰ্দেশনাত প্ৰত্যেকলৈ কৰ্মসংস্থান দিয়াৰ পোষকতা কৰা হৈছে যদিও সেয়া চৰকাৰী চাকৰি নহয়। দৰাচলতে দেশৰ উন্নয়নৰ হেতুকে চৰকাৰী চাকৰিয়ালতকৈও কৃষক-শ্ৰমিকসকলেহে অধিক বৰঙণি আগবঢ়ায়; কিন্তু তেওঁলোকে সততে চৰকাৰৰ দ্বাৰা প্ৰাপ্যৰ পৰা কিদৰে বঞ্চিত হৈ আহিছে, তাক উল্লেখ কৰাৰ প্ৰয়োজন নাই। এই ক্ষেত্ৰত চৰকাৰী নীতিৰ সংস্কাৰৰ বিশেষ প্ৰয়োজন আছে। চৰকাৰী চাকৰিয়ালে যদিহে কৰ্মকালৰ অন্তত পেঞ্চন লাভ কৰিব পাৰে, তেন্তে শ্ৰমিক-কৃষকসকলে বৃদ্ধাৱস্থাত আৰ্থিক অনাটনত ভুগিব লগা হয় কিয়? তেওঁলোকেও বৃদ্ধাৱস্থাত চিকিৎসা আৰু অন্যান্য চৰকাৰী সা-সুবিধা চাকৰিয়ালৰ দৰেই পোৱাটো বাঞ্ছনীয়। কৃষি আৰু উদ্যোগ ক্ষেত্ৰত মানসিকতাৰ পৰিৱৰ্তন হোৱা হ'লে নিশ্চয় আমাৰ যুৱক-যুৱতীসকলো সেই পথলৈ ধাবিত হ'লহেঁতেন। কিন্তু ব্ৰিটিছৰ আৰ্হিৰে আমাৰ প্ৰশাসনীয় ব্যৱস্থা এনেদৰে ৰখা হৈছে যে কঠোৰ পৰিশ্ৰম কৰা কৃষক আৰু শ্ৰমিকসকল অৱহেলিত হৈ আছে। স্বাধীন দেশ এখনত তেওঁলোকেও চৰকাৰৰ ফালৰ পৰা নাগৰিকৰ পূৰ্ণ মৰ্যাদা পোৱাটো বাঞ্ছনীয়।

আমাৰ সমাজৰ সামগ্ৰিক উন্নয়নৰ হেতুকে প্ৰাথমিক স্তৰৰ শিক্ষাৰ পৰাই কৰ্মৰ জৰিয়তে আত্মনিৰ্ভৰশীলতাৰ শিক্ষাদানৰ ওপৰতেই দেশৰ সামগ্ৰিক বিকাশ নিৰ্ভৰ কৰে। আমি সততে পাশ্চাত্যক অনুসৰণ কৰি ভাল পাওঁ; কিন্তু পাশ্চাত্যৰ ভালখিনি গ্ৰহণ কৰিবলৈ আগ্ৰহী নহয়। ইউৰোপ বা আমেৰিকাত এজন কৃষক আৰু উচ্চপদস্থ চৰকাৰী চাকৰিয়ালৰ জীৱন যাত্ৰাৰ মাজত কোনো পাৰ্থক্য নাথাকে। সমাজেও দুয়োশ্ৰেণীকে সমদৃষ্টিৰে চায়। সবাতোকৈ উল্লেখনীয় যে ছাত্ৰাৱস্থাৰ পৰাই তেওঁলোকে উপাৰ্জনৰ জৰিয়তে স্বনিৰ্ভৰশীলতাৰ প্ৰতি আকৰ্ষিত হয়। বিদ্যালয়ত পঢ়ি থকাৰ সময়তো আজৰি সময়ছোৱাত উদ্যোগ, ব্যৱসায়িক প্ৰতিষ্ঠান, আনকি ব্যক্তিগত পৰিয়ালত কাম কৰিও স্বাৱলম্বী হোৱা দেখা যায়। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলৰ মনত কোনো ধৰণৰ হীনমন্যতা নাথাকে। ৰাজ্যপাল অথবা ৰাষ্ট্ৰপতিৰ পুত্ৰ-কন্যায়ো আজৰি পৰত শাৰীৰিক শ্ৰমেৰে উপাৰ্জন কৰে। বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পুৱাই ৰাজপথত ঝাৰু দিয়াও দেখা যায়; কিন্তু আমাৰ দেশত এইবোৰ দেখা নাযায়। ব্ৰিটিছৰ ঔপনিবেশিক ধ্যান-ধাৰণাৰে আজিও আমাৰ সমাজ পৰিচালিত হৈ আহিছে। তেওঁলোকে ব্ৰিটেইনত যি ধৰণে জীৱন নিৰ্বাহ কৰিছিল, তাৰ সম্পূৰ্ণ ওলোটা পদ্ধতিৰে ঔপনিবেশিক শাসন অটুট ৰখাৰ বাবে আমাৰ দেশত বিভাজন নীতি প্ৰৱৰ্তন কৰিছিল। দেশখন শাসন কৰাৰ বাবে শাসক আৰু শাসিত, চাহাব আৰু বনুৱাৰ মাজত বিভাজন আনিছিল। আমাৰ ভাষাকো তেওঁলোকে নেটিভৰ ভাষা বুলি অৱজ্ঞা কৰিছিল; কিন্তু পৰিতাপৰ বিষয় এইটোৱেই যে সেই পঁয়ালগা ধ্যান ধাৰণা স্বাধীনতাৰ ৭৫ বছৰ কাল অতিবাহিত হোৱাতো সলনি নহ'ল। আজিও আমাৰ সমাজত ক'লা চামৰাৰ চাহাবৰ বিপৰীতে সৰহভাগেই প্ৰজা হৈয়েই থাকিল। এই দৃষ্টিভংগীৰ পৰিৱৰ্তন নোহোৱালৈকে আমাৰ সমাজৰ পৰা বৈষম্য আঁতৰি নাযায়; শিক্ষাৰ স'তে উপাৰ্জনৰ প্ৰশিক্ষণ জড়িত নোহোৱালৈকে নিবনুৱা সমস্যা আৰু বিশৃংখল পৰিস্থিতিৰ পৰা উদ্ধাৰ পোৱাটো সম্ভৱ নহয়। দেশে স্বাধীনতা লাভ কৰাৰ সময়তে চৰকাৰৰ ফালৰ পৰা কোৱা হৈছিল যে স্বাধীন ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত ব্ৰিটিছ শাসনৰ লেখীয়াকৈ উচ্চ-নীচৰ বৈষম্য নাথাকিব; কিন্তু পৰিহাসৰ কথা এইটোৱেই যে সেই বৈষম্য এনেদৰে বৃদ্ধি পাবলৈ ধৰিছে যে আঢ্যৱন্তৰ সন্তান আৰু সাধাৰণ লোকৰ সন্তানৰ শিক্ষাৰ স্থলীৰ মাজত আকাশ-পাতাল পাৰ্থক্য দেখা গৈছে। এনে বৈষম্যই দেশৰ ঐক্য গঢ়াত সহায় নকৰে।

## খোলা মঞ্চ

### ভ্ৰষ্টাচাৰীৰ সলনি আমি সৎ নেতা পাম কেনেকৈ?



**বৰ্তমান** ৰাজনীতিৰ ক্ষেত্ৰখন ভ্ৰষ্টাচাৰ সৃষ্টিৰ একো একোটা প্ৰশিক্ষণ কেন্দ্ৰ আৰু ভ্ৰষ্টাচাৰী নেতা কিনা-বেচাৰ বজাৰত পৰিণত হ'ল। সৎ চৰিত্ৰৱান লোক, দক্ষতা আৰু উচ্চ শিক্ষাৰে শিক্ষিত তথা সমাজহিতৈষী ব্যক্তিৰ প্ৰৱেশ নিষিদ্ধ হ'ল। ধন বল, বাহুবল আৰু মিথ্যাচাৰৰ কৰলত ৰাজনীতি আৱদ্ধ হ'ল। তাকে দেখি সৰ্বসাধাৰণ ৰাইজৰো ৰাজনীতিৰ প্ৰতি অনীহা আহিল। সমাজৰ হকে, জাতিৰ হকে, দুৰ্নীতি-অন্যায়ৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলৈ ৰাইজক আহ্বান জনোৱা নেতাসকলৰো একাংশই এটা সময়ত সেই ভ্ৰষ্টাচাৰীসকলৰ লগত সহাৱস্থান গ্ৰহণ কৰা দেখা যায়। প্ৰতিবাদ কেৱল শ্ল'গানতে আৱদ্ধ থাকে। সৰ্বসাধাৰণ ৰাইজে কাক বিশ্বাস কৰিব? তাৰ উপৰি ভ্ৰষ্টাচাৰীসকলে আৰ্থিক আৰু ৰাজনৈতিক শক্তিৰ বলেৰে প্ৰতিবাদকাৰীসকলৰ ওপৰত অগণতান্ত্ৰিকভাৱে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা দেখা যায়। যাৰ ফলত প্ৰতিবাদৰ কণ্ঠস্বৰ ৰুদ্ধ হ'বলৈ ধৰে। ৰাজনীতিত সততা, নিষ্ঠা, দক্ষতা আৰু গুণী-জ্ঞানী ব্যক্তিৰ অভাৱ ঘটিল। ভ্ৰষ্টাচাৰীসকলে নিৰ্বাচনত জয় লাভ কৰিবলৈ একাংশ ভোটাৰক ছলে-বলে কৌশলে ধন-জন আৰ্থিক সাহায্যৰে হাত কৰি ৰাজনীতিত জয় লাভ কৰাৰ পথ প্ৰশস্ত কৰে। দেশৰ ৰাজনীতিত এম এল এ-এম পি হ'বলৈ শিক্ষাগত অৰ্হতাৰ বিশেষ প্ৰয়োজন নোহোৱা হ'ল। আনহাতে, চৰকাৰৰ কিছুমান বৈষম্যমূলক নীতিৰ বাবে যোগ্যজন বঞ্চিত হ'ব লগা হয়। নিকা চৰিত্ৰ, নিকা ভাৱমূৰ্তি, সৎ গুণেই হ'ল দেশৰ হকে সু-নেতৃত্ব দিয়াৰ মূলমন্ত্ৰ; কিন্তু বৰ্তমান ৰাজনীতিত অপৰাধীৰ সংখ্যাই অধিক হোৱা দেখা যায়। যাৰ বাবে প্ৰলোভনৰ ৰাজনীতিয়ে একাংশ ভোটাৰক বিপথে পৰিচালিত কৰিছে। তাৰ উপৰি দেশৰ জনগণৰ আৰ্থিক দুৰৱস্থাৰ বাবে দৰিদ্ৰ লোকসকল ভ্ৰষ্টাচাৰীৰ জালত পৰা সহজেই পৰিলক্ষিত হয়। গতিকে আমি এনে ভ্ৰষ্টাচাৰী নেতাক প্ৰশ্ৰয় দিয়াতকৈ ভৱিষ্যৎ সুৰক্ষাৰ বাবে সৎ নেতা আৰু সমাজৰ হকে ত্যাগ-সততাৰে নেতৃত্ব দিব পৰা ব্যক্তিৰ সন্ধান কৰিব লাগিব।

এই ক্ষেত্ৰত জনগণে সততা-নিষ্ঠা আৰু ত্যাগৰ আদৰ্শৰে ৰাজপথলৈ ওলাই আহি ভৱিষ্যৎ প্ৰজন্মক অনুপ্ৰেৰণা দিয়াৰ বাবে এক প্ৰত্যাহ্বান গ্ৰহণ কৰিব লাগিব। যি প্ৰত্যাহ্বানত আজিৰ প্ৰজন্ম আশ্বস্ত হৈ দুৰ্নীতি-ভ্ৰষ্টাচাৰ নিৰ্মূল কৰাৰ ক্ষেত্ৰত এক নৱজাগৰণ আনিবলৈ সক্ষম হ'ব। এনে এখন স্বচ্ছ ছবি ৰাইজৰ আগত দাঙি ধৰিব পাৰিলেহে দেশত ভ্ৰষ্টাচাৰৰ সলনি সৎ নেতা পোৱাৰ বাট প্ৰশস্ত হ'ব।

**ৰমেন দাস,** লেখক


ফোন ঃ ৯৪৩৫০১৬৪৮৮

# গুৱাহাটীখনক বাসোপযোগী কৰি তোলক

## ব্যক্তিগত বাহনৰ চলাচলৰ হাৰ কমাবলৈ ৰাজহুৱা পৰিবহণ ব্যৱস্থাটো উন্নত, সুচল, কাৰ্যক্ষম আৰু আকৰ্ষণীয় কৰি তোলাৰ প্ৰত্যাহ্বান গ্ৰহণ কৰাৰো কথা আছে

অসৱৰ্ণ

হীৰেন গগৈ



মই গোলাঘটীয়াহে, গুৱাহাটী মহানগৰৰ বাসিন্দা নহয়; কিন্তু গুৱাহাটী বিশ্ববিদ্যালয়ত নামভৰ্তি কৰাৰ সময়ৰ পৰা এটা দীঘলীয়া কাল মই গুৱাহাটীত আছিলো। প্ৰধানকৈ আশী আৰু নব্বৈৰ দশক দুটাত। কাম কৰিছিলো এছএফআই আৰু চিপিআই (এম) দলৰ। তাৰ পাছত পাৰ্টিৰ কামতে গুৱাহাটী এৰি ক্ৰমে শিৱসাগৰ আৰু গোলাঘাটলৈ স্থানান্তৰিত হৈছিলো। এতিয়া গোলাঘাটৰ স্থায়ী বাসিন্দা; কিন্তু গুৱাহাটীৰ লগত মোৰ নেৰানেপেৰা সম্পৰ্ক এটা এতিয়াও আছে। মাজে-সময়ে গুৱাহাটীলৈ গৈ আত্মীয়ৰ ঘৰত কেইদিনমানকৈ থাকো; কিন্তু ক্ৰমাৎ যেন গুৱাহাটীলৈ যাবলৈ মন নোযোৱা হৈ আহিছে! গ'লেও দুই-চাৰিদিন থকাৰ পাছতে আমনি লগা হৈছে। সুহৃদ-সতীৰ্থৰ অভাৱত নহয়, গুৱাহাটীৰ অসহ্যকৰ পৰিৱেশটোৰ বাবেহে। গুৱাহাটীখন দিনে দিনে ডাঙৰ আৰু ঠাহখোৱা হৈ আহিছে। জনসংখ্যা দ্ৰুতগতিত বাঢ়ি আছে আৰু সৰ্বত্ৰ জনবসতি গঢ় লৈ উঠিছে। ক'তো অকণো মুকলি ঠাই নোহোৱা হৈছে। ৰাস্তা-ঘাটবোৰ গাড়ী-মটৰেৰে ঠাহ খাইছে আৰু পদ-পথবোৰ সৰু-বৰ ব্যৱসায়ীসকলে দখল কৰি লৈছে। কেনিও শান্তিৰে আৰু নিৰাপদে খোজ কাঢ়ি যাব নোৱাৰি। অকণমান দূৰ যাবলৈও ৰিক্সা, বাইক, গাড়ী বা চিটিবাছৰ প্ৰয়োজন হয়। গাড়ী-মটৰ আৰু বাইকৰ ভিৰৰ বাবে চিটিবাছৰ ভ্ৰমণত সময়ো যায় দেধাৰ। ব্যক্তিগত বাহনবোৰৰো গতি মন্থৰ হয়। এনে এটা পৰিৱেশত চিনাকি কাৰোবাক লগ ধৰাৰ ইচ্ছা বা প্ৰয়োজন থাকিলেও যাত্ৰাৰ কথা ভাবি মনটো কোঁচ খাই যায়। অনবৰতে টেক্সি দৌৰাবলৈ টকাও লাগে বহুত। গতিকে প্ৰতিবাৰেই গুৱাহাটীলৈ গৈয়ো ফুৰা-চকা নকৰাকৈ আৰু দেখা কৰিব খোজাসকলকো দেখা নকৰাকৈয়ে ঘূৰি আহিবলগীয়া হয়। তেনে অৱস্থাত গুৱাহাটীৰ আকৰ্ষণৰ জোৰ মোৰ ক্ষেত্ৰত নকমি বাঢ়ি যাবনে?

এনে এক অবাঞ্চিত পৰিৱেশ উদ্ভৱ হোৱাৰ মূল কাৰণটোৱেই হৈছে পৰিকল্পনাৰ অভাৱ। মহানগৰবোৰলৈ জনপ্ৰব্ৰজন ঘটিবই আৰু জনসংখ্যাৰ বৃদ্ধিৰ লগে লগে ঘৰ-দুৱাৰ আৰু যান-বাহনৰ সংখ্যাও বাঢ়ি যাবই। সেই অনুপাতে নগৰখনৰ পৰিধিও বাঢ়ি যাবলৈ বাধ্য। এই বাস্তৱতাৰ প্ৰতি লক্ষ্য ৰাখি, অৰ্থাৎ পঞ্চাশ বা এশ বছৰৰ পাছত নগৰ বা মহানগৰখনৰ অৱস্থা কি হ'ব পাৰে, তাক হিচাপত লৈ উন্নয়ন আৰু সম্প্ৰসাৰণৰ ব্যৱস্থা কৰিব নোৱাৰিলে কোনো নিয়ম-নীতি নোহোৱাকৈ সি ডাঙৰ হৈ গৈ থাকিব বা বাঢ়ি থাকিব। তেনে বৃদ্ধি হ'ব নৈৰাজ্যমূলক আৰু অস্বাস্থ্যসন্মত। নগৰখনৰ শৰীৰটোৰ য'তে-ত'তে কেতবোৰ ফোঁহাৰ সৃষ্টি হ'ব আৰু ৰক্তধমনীত তেজৰ স্বাভাৱিক চলাচল ব্যাহত হ'ব। অতদিনে গুৱাহাটী মহানগৰখনৰ ক্ষেত্ৰতো সেয়ে ঘটি আহিছে। চৰকাৰ তথা পৌৰ প্ৰশাসনৰ প্ৰয়োজনীয় দূৰদৃষ্টি, সক্ৰিয়তা আৰু হস্তক্ষেপ নথকাৰ বাবেই আজি গুৱাহাটীৰ এই অৱস্থা।

অসমীয়া অভিজাত শ্ৰেণীটোৱে সাধাৰণতে বেছি দূৰলৈ চাব নোখোজে আৰু যাবলৈও নিবিচাৰে। সামন্তযুগীয় স্থৱিৰতাৰ দোষত তেওঁলোক আক্ৰান্ত। তেওঁলোকক বাৰীৰ ভিতৰতে বা কাষতে সকলোবোৰ সা-সুবিধা লাগে। সেয়ে অসমৰ ৰাজধানী শ্বিলঙৰ পৰা স্থানান্তৰ কৰাৰ কথা যেতিয়া উঠিল, তেওঁলোকে সেইখন দিছপুৰতে ৰাখি থ'লে, চন্দ্ৰপুৰৰ ফালেও যাবলৈ নিদিলে। ৰাজধানী দিছপুৰলৈ স্থানান্তৰ হোৱাৰ পাছত গুৱাহাটীৰ ব্যস্ততা স্বাভাৱিকতে বাঢ়ি গ'ল, জনসংখ্যাও বাঢ়িল দ্ৰুতগতিৰে। ৭১-৭২ মানলৈকে উলুবাৰী-লাচিতনগৰৰ দক্ষিণলৈ খানাপাৰাৰ ফালে জনবসতি তেনেকৈ নাছিলেই। ৰাজধানী অহাৰ পাছত সেইফালে ধনবানসকলে মাটি-বাৰী কিনি ঘৰ-দুৱাৰ সাজিবলৈ খৰধৰ লগালে। তেতিয়াই পৌৰ প্ৰশাসন বা চৰকাৰে গুৱাহাটীৰ ভৱিষ্যতটো চাব বা দেখা পাব লাগিছিল আৰু সেইমতে নগৰখনৰ উন্নয়ন আৰু সম্প্ৰসাৰণৰ পৰিকল্পনা কৰিব লাগিছিল। খালি মাটিবোৰ পৌৰ প্ৰশাসনে আগধৰি ক্ৰয় কৰি সেইবোৰ পৰিকল্পনা অনুযায়ী ব্যক্তিগত ক্ৰেতাসকলক বিক্ৰী কৰিব পাৰিলেহেঁতেন নাইবা ঘৰ-দুৱাৰ নিৰ্মাণৰ অনুমতি প্ৰদানৰ সময়ত ৰাস্তা, নৰ্দমা, বিদ্যুৎযোগান, খোৱাপানী-যোগান আদিৰ ক্ষেত্ৰত কেতবোৰ কঢ়া নিয়ম বলবৎ কৰিব পাৰিলেহেঁতেন। তেতিয়া ভিতৰুৱা পথসমূহো বহলাই ৰখা আৰু বহল পদপথৰ ব্যৱস্থা ৰখাটোও সম্ভৱ হ'লহেঁতেন। ৰাস্তাৰ কাষত আহল-বহল নৰ্দমাও থাকিলহেঁতেন। প্ৰতিটো আবাসীক অঞ্চলতে একোখন মুকলি পাৰ্কৰ বাবেও মাটি সংৰক্ষিত কৰিব পৰা গ'লহেঁতেন। কিন্তু তেতিয়া চৰকাৰ বা পৌৰ প্ৰশাসনে সেইবোৰ কথা একো নাভাবিলে আৰু মানুহবোৰক যেনি-তেনি আৰু তেওঁলোকৰ ইচ্ছামতে ঘৰ-দুৱাৰ সাজিবলৈ, মাটিবাৰী কিনিবলৈ আৰু বেদখল চলাবলৈ এৰি দিলে। ফলত একালৰ খেতি পথাৰবোৰত একোটা 'নগৰ' নামধাৰী আবাসীক অঞ্চল গঢ় লৈ উঠিল ঠিকেই, কিন্তু মাটিলুভীয়া মানুহবোৰে ৰাস্তা আৰু নৰ্দমাবোৰ যিমান পাৰে ঠেকালে। বিদ্যুতৰ খুঁটা আৰু পানীযোগানৰ নলী বহুৱাৰ বাবেও ঠাই নেৰিলে। পৌৰ প্ৰশাসনেও পাৰ্ক আদিৰ বাবে কোনো মাটি সংৰক্ষণ নকৰিলে। আজিৰ গুৱাহাটীৰ কদৰ্য ৰূপটো তেনেকৈয়ে গঢ় লৈ উঠিল। গলিবোৰৰ দাঁতিয়ে দাঁতিয়ে বৃহৎ বৃহৎ অট্টালিকা, প্ৰতিখন ঘৰতে একাধিক গাড়ী আৰু বাইক, ঠায়ে ঠায়ে বহুতলীয়া হাউচিং কম্প্লেক্সবোৰ; কিন্তু সমুখৰ ৰাস্তাবোৰ দুখন গাড়ী (বিপৰীতমুখী) পাৰ হ'ব নোৱাৰাকৈ ঠেক, কাষৰ ঠেক নৰ্দমাবোৰে বৰষুণৰ পানীখিনিও ঠিকমতে বহন কৰিব নোৱাৰে। পদ-পথৰতো কথাই নাই। কৰ্মৰত আৰু বয়সীয়াল মানুহবোৰে আজৰি সময় কটাবলৈ আৰু ল'ৰা-ছোৱালীবোৰে খেলা-ধূলা কৰিবলৈ ক'তো অকণমান মুকলি ঠাই নাই। অনুভূতিপ্ৰৱণ লোকসকল আৰু উঠি অহা ল'ৰা-ছোৱালীবোৰৰ বাবে গুৱাহাটীখন সঁচাই অস্বাস্থ্যকৰ আৰু শ্বাসৰুদ্ধকাৰী হৈ পৰিছে।

পৃথিৱীৰ উন্নত মহানগৰসমূহ দেখা নাই যদিও তাৰ পৰিৱেশবোৰৰ কথা শুনিছো। ভাৰতৰ দিল্লী, চণ্ডীগড়, মুম্বাই, ত্ৰিবান্দ্ৰম, কলকাতা আদি মহানগৰবোৰ নিজ চকুৰে দেখিছো। সেইবোৰত যিবোৰ নতুন সম্প্ৰসাৰণ হৈছে, সম্পূৰ্ণ পৰিকল্পিতভাৱেই হৈছে। গুৱাহাটীখন হ'লে ইমানদিনে অপৰিকল্পিতভাৱেই ডাঙৰ হ'ল। কিন্তু মহানগৰখনৰ ভৱিষ্যতক লৈ যদি এতিয়াও পলমকৈ হ'লেও পৰিকল্পনা কৰা নাযায়, অনুমান হয় অহা পাঁচ বছৰমানৰ ভিতৰত মহানগৰখনৰ প্ৰধান পথবোৰ যান-জঁটৰ বাবে অগম্য হৈ পৰিব আৰু বাসিন্দাসকলৰ স্বাভাৱিক জীৱন-যাত্ৰাও ব্যাহত হৈ পৰিব। উদাহৰণ হিচাপে পল্টনবজাৰৰ পৰা খানাপাৰা সংযোগী জি এছ ৰোডৰ পথছোৱাত এতিয়াই যি যানজঁটৰ সমস্যা হৈছে, প্ৰতিদিনে চলাচল কৰা যান-বাহনৰ সংখ্যা যিদৰে বাঢ়ি আছে, অহা দুই-চাৰিবছৰৰ ভিতৰত সেই ৰাস্তাৰে গাড়ী-মটৰ চলোৱাটোৱেই হয়তো একপ্ৰকাৰ অসম্ভৱ হৈ পৰিব। এতিয়া সেই পথছোৱাৰ কোনো বিকল্প বা সমান্তৰাল পথ নাই। গতিকে বিকল্প পথ উলিয়াবলৈ তাৰ ওপৰত সমান্তৰালকৈ উৰণীয়া পথ এটাও নিৰ্মাণ কৰিবলগীয়া হ'ব পাৰে। ঠায়ে ঠায়ে উৰণীয়া সেতু কেইখনমানে সেই বিকল্প পথৰ স্থান পূৰণ কৰিব নোৱাৰে। প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈৰ দিনতে মেট্ৰ' ৰেল স্থাপনৰ কথা ওলাইছিল। তাৰো প্ৰয়োজন আছে; কিন্তু নতুন চৰকাৰখনৰ মুখত সেই পৰিকল্পনাৰ কথা শুনা নাই। তদুপৰি ব্যক্তিগত বাহনৰ চলাচলৰ হাৰ কমাবলৈ ৰাজহুৱা পৰিবহণ ব্যৱস্থাটো উন্নত, সুচল, কাৰ্যক্ষম আৰু আকৰ্ষণীয় কৰি তোলাৰ প্ৰত্যাহ্বান গ্ৰহণ কৰাৰো কথা আছে।

মহানগৰখনত কৃত্ৰিম বানৰ নিয়ন্ত্ৰণ আৰু খোৱাপানী যোগানৰ ক্ষেত্ৰতো বহুত কৰিবলগীয়া আছে। বৰষুণৰ পানী নিষ্কাসনৰ ক্ষেত্ৰত প্ৰথমে পানী বোৱাই নিয়াৰ দিশবোৰ ঠিক কৰাৰ প্ৰয়োজন আছে। আগতে যিবোৰ স্বাভাৱিক পানীপথেৰে পানীবোৰ ওলাই গৈছিল, সেইবোৰ পুনৰুদ্ধাৰ কৰিব লাগিব। তাৰ বাবে নৈ আৰু নৰ্দমাবোৰৰ ওপৰত চলা বেদখলবোৰ নিৰ্মম হাতেৰে উচ্ছেদ কৰিব লাগিব, কিছু লোকৰ বা প্ৰতিষ্ঠানৰ নিজা ঘৰ-বাৰীও হয়তো ভাঙিবলগীয়া হ'ব পাৰে। তেওঁলোকক বিকল্প মাটি আৰু ঘৰ-দুৱাৰৰ ব্যৱস্থাও কৰি দিব লাগিব। ৰাস্তাৰ নৰ্দমা নিৰ্মাণৰ ক্ষেত্ৰত পৌৰ প্ৰশাসনে বহুখিনি কাম কৰিছে। বহু ৰাস্তাৰ তলেৰেও নৰ্দমা নিৰ্মাণ কৰি আছে। পৌৰ প্ৰশাসনৰ সেই উদ্যোগ

**মহানগৰখনত কৃত্ৰিম বানৰ নিয়ন্ত্ৰণ আৰু খোৱাপানী যোগানৰ ক্ষেত্ৰতো বহুত কৰিবলগীয়া আছে। বৰষুণৰ পানী নিষ্কাসনৰ ক্ষেত্ৰত প্ৰথমে পানী বোৱাই নিয়াৰ দিশবোৰ ঠিক কৰাৰ প্ৰয়োজন আছে। আগতে যিবোৰ স্বাভাৱিক পানীপথেৰে পানীবোৰ ওলাই গৈছিল, সেইবোৰ পুনৰুদ্ধাৰ কৰিব লাগিব।ম**

প্ৰশংসনীয়; কিন্তু গুৱাহাটীৰ পাহাৰ খনন বন্ধ কৰিব নোৱাৰিলে নৰ্দমাবোৰ বোকা-পানীৰ গেদেৰে আকৌ ভৰি পৰিব। পাহাৰ খনন এটা ডাঙৰ সমস্যা। সাধাৰণ লোকেও থকা ঘৰ নিৰ্মাণৰ বাবে পাহাৰ কাটিবলগীয়া হয়। আনহাতে, ডাঙৰ ব্যৱসায়ীসকলে ব্যৱসায়িক প্ৰতিষ্ঠান নিৰ্মাণৰ বাবে একো একোটা পাহাৰ খহাই সমান কৰি পেলাইছে। চৰকাৰে এই খনন প্ৰক্ৰিয়া যদি বন্ধ কৰিব নোৱাৰে, গুৱাহাটীৰ কৃত্ৰিম বানৰ সমস্যাটো মৰি মৰিও জীয়াই থাকিব। এই ক্ষেত্ৰত চৰকাৰৰ কিবা পৰিকল্পনা আছে বুলি মই জনা নাই। আছে যদি ভাল কথা। আৰু যদি নাই, অচিৰে তেনে এটা ব্যৱস্থা হাতত ল'ব লাগিব। পাহাৰবোৰৰ পানী যিবোৰ লুৰেদি মাটি খহাই বৈ আহে, তেনে ডাঙৰ ডাঙৰ লুৰবোৰ পকী কৰাৰ কথাও ভাবি চাব পাৰি। কামটো ডাঙৰ, সেয়ে পৰিকল্পনাও অভিলাষী হ'ব লাগিব। একেদৰে খোৱা পানীৰ যোগানৰ বাবে চৰকাৰে হাতত লোৱা প্ৰকল্পটো কাৰ্যক্ষম কৰি তোলাৰ লগতে নতুন প্ৰকল্পৰ কথাও ভাবিব লাগিব।

গুৱাহাটী পৌৰ নিগমৰ নিৰ্বাচনৰ প্ৰক্ৰিয়া চলি আছে। শাসক আৰু বিৰোধী উভয় পক্ষ প্ৰচাৰত নামি গৈছে। শাসক-বিজেপি জোঁটটোৱে মহানগৰৰ ৬০ টা ৱাৰ্ডৰ আটাইকেইটাকে দখল কৰাৰ লক্ষ্য স্থিৰ কৰি লৈ প্ৰচাৰ আৰম্ভ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাইও নিৰ্বাচনী সভা কৰিবলৈ আৰম্ভ কৰি দিছে; কিন্তু গুৱাহাটীবাসীৰ লগতে সমূহ অসমবাসীৰ বাবেও গুৱাহাটী পৌৰ নিগমৰ এই নিৰ্বাচন কেৱল শাসক-বিৰোধীৰ মাজৰ ৰাজনৈতিক যুঁজ হৈ থকা নাই বা হৈ থকা উচিত নহয়। গুৱাহাটী মহানগৰখনৰ সন্মুখত জীৱন-মৰণৰ এটা সংকট উপস্থিত হৈছে। এই সংকটৰ পৰা উদ্ধাৰৰ আঁচনি ৰাজনৈতিক দলবোৰৰ পৰা গুৱাহাটীবাসীয়ে বিচাৰিব লাগিব। গুৱাহাটীখনক বাসোপযোগী কৰি তোলা আৰু কৰি ৰখাৰ বিশ্বাসযোগ্য আশ্বাস ৰাজনৈতিক দলকেইটাই দিব লাগিব।

মুখ্যমন্ত্ৰী ড° শৰ্মাই তেওঁৰ প্ৰাৰম্ভিক নিৰ্বাচনী সভাকেইখনত কেইটামান গুৰুত্বপূৰ্ণ কথা কৈছে। তেওঁ গুৱাহাটী মহানগৰীৰ উন্নয়ন, বিকাশ আৰু নাগৰিকৰ সমস্যা সমাধানৰ ক্ষেত্ৰত নতুন দিগন্তৰ সূচনা কৰাৰ আশা ব্যক্ত কৰিছে। তেওঁ মহানগৰখনৰ সৰু-সুৰা বাট-পথবোৰৰ নিৰ্মাণৰ বাবে প্ৰতিটো ৱাৰ্ডৰে কাউন্সিলাৰক ১০ কোটিকৈ টকা দিয়াৰ কথা কৈছে। অৱশ্যে বাট-পথবোৰ বহলোৱাৰ ক্ষেত্ৰত চৰকাৰে কিবা জৰুৰীকালীন ব্যৱস্থা ল'ব নে নলয়, সেই বিষয়ে তেওঁ একো কথা কোৱা নাই; কিন্তু সেইটো এটা অত্যন্ত জৰুৰী কাম। মুখ্যমন্ত্ৰীৰ আন এটা গুৰুত্বপূৰ্ণ ঘোষণা হৈছে, সঞ্চালকৰ কাৰ্যালয়, আয়ুক্তৰ কাৰ্যালয় আদি কেতবোৰ কাৰ্যালয়ৰ বেতকুছিলৈ স্থানান্তৰ। সেইবোৰ স্থানান্তৰিত হ'লে খালী ঠাইবোৰত পাৰ্ক নিৰ্মাণ কৰা হ'ব। আশ্বাসটো আদৰণীয়, কিন্তু তাৰ ৰূপায়ণহে আচল কথা। প্ৰতিটো ৱাৰ্ডতে একোখন হাস্পতাল স্থাপনৰ কথাও কৈছে; কিন্তু তাৰ কাৰ্যকাৰিতাৰ বাবে চিকিৎসা ব্যৱস্থাটোৰ মান উন্নত হ'ব লাগিব। বাকী হিতাধিকাৰমূলক আৰু অপৰাধ নিয়ন্ত্ৰণ বিষয়ক গতানুগতিক আশ্বাসবোৰৰ কথা বাদ দিছো। সেইবোৰত প্ৰলোভন আছে; কিন্তু মহানগৰখনৰ স্বাস্থ্য ৰক্ষাৰ বিষয়ত তেওঁ আৰু বাকী ৰাজনৈতিক দলবোৰে কি আশ্বাস দিয়ে, চাব লাগিব।

ফোন ঃ ৮৮১১৮২৭৪৩২



# নৈতিকতাৰ গুৰুত্ব ক'ত?

**দক্ষ প্ৰশাসনিক বিষয়া এজন ভদ্ৰলোক হোৱাৰ কথাই নুঠে। যদি প্ৰশাসনিক বিষয়াজন ভদ্ৰলোক হোৱাৰ প্ৰয়াস কৰে, তেন্তে তেওঁৰ দক্ষতাই নৈতিকতাৰ প্ৰমূল্য নোহোৱা কৰে, এখন সমাজক তথা এখন ৰাষ্ট্ৰক পংগু কৰে। আকৌ জনগণক লোভৰ টোপ দিয়া, ভয়ৰ ভাব দেখুওৱা আৰু হেঁচা প্ৰদান কৰাটো হ'ল মূলতঃ নৈতিকতাৰ অন্তৰায়।**

ড° মহানন্দ পাঠক

**প্ৰাচীন** কালত, গ্ৰীচ দেশৰ মেচিডনৰ ৰজা মহামতী আলেকজেণ্ডাৰে এছিয়া মহাদেশৰ বহুকেইখন দেশ জয় কৰাৰ পাছত ভাৰতবৰ্ষৰ গুজৰাট আৰু ছাহপুৰ সামৰি লোৱা পুৰু ৰাজ্য আক্ৰমণ কৰে। সেই সময়ৰ পুৰুৰাজ্যৰ ৰজা পুৰুক আলেকজেণ্ডাৰৰ সৈন্যই বন্দী কৰি আনি ৰজা আলেকজেণ্ডাৰৰ সন্মুখত থিয় কৰায়। তেতিয়া ৰজা আলেকজেণ্ডাৰে পুৰুক সুধিলে— 'এতিয়া তুমি মোৰ পৰা কেনেকুৱা ব্যৱহাৰ বিচৰা।' পুৰুৱে মহামতী বিশ্বজয়ী ৰজা আলেকজেণ্ডাৰক ক'লে- 'ৰজাৰ দৰে।' আলেকজেণ্ডাৰে পুৰুৰ নৈতিকতাত স্থিতপ্ৰজ্ঞ হৈ ৰজা পুৰুক মুক্ত কৰি দিলে। যেনেকৈ জ্ঞানৰ বিতৰণ বা প্ৰসাৰ নহ'লে জ্ঞানৰ মৃত্যু হয়, তেনেকৈ নৈতিকতাৰ মৃত্যু হয় যদিহে নৈতিকতাৰ চৰ্চা কৰা নহয়। এতিয়া নৈতিকতাৰ চৰ্চা কৰিবলৈ বহুতো জ্ঞানীয়ে দ্বিধাবোধ কৰে কিয়? তাৰ উত্তৰত হয়তো ওলাব দাৰ্শনিক থিয়ড'ৰ ৰুজভেল্টৰ বক্তব্য— 'নৈতিকতাৰ শিক্ষা নিদি এজন মানুহক মনৰ শিক্ষা দিয়াৰ অৰ্থই হ'ল এখন সমাজক বিপদ বা ভাবুকিৰ শিক্ষা দিয়া।' বিশ্বৰ বিভিন্ন দেশৰ লগতে ভাৰতবৰ্ষতো এনে ধৰণৰ শিক্ষাকেই দি থকা হৈছে। নৈতিক শিক্ষা এতিয়া যেন পাঠ্যক্ৰমৰ বহিৰ্ভূত শিক্ষা হৈ পৰিছে, য'ত ধৰ্মযাজকে সুৰুঙা বিচাৰি পাইছে। নৈতিক শিক্ষা দিয়াটো কেৱল ধৰ্মযাজকৰ কাম হ'লে আধ্যাত্মিকতাই প্ৰাধান্য বিস্তাৰ কৰাৰ থল থাকে। নীতি-নিয়ম আৰু নৈতিকতা কিন্তু আধ্যাত্মিকতা নহয়। কিছুমান সৰ্বস্বীকৃত বিশ্বাস আৰু মানসিকতাই এখন ৰাষ্ট্ৰক ধৰি ৰাখে। ইয়াৰ দ্বাৰাই তেওঁলোকৰ সামাজিক সংঘাতবোৰৰ পৰিৱেশ উৰ্দ্ধলৈ উঠিব পাৰে। ইয়েই এখন ৰাষ্ট্ৰক দিয়ে প্ৰমূল্য, ইয়াৰ বসন, ইয়াৰ সততা, ইয়াৰ নৈতিকতা আৰু ইয়াৰ কষ্টসহিষ্ণু শক্তি। এনে বক্তব্যৰ অধিকাৰী আছিল নৈতিকতাৰ গৰাকী দাৰ্শনিক জন গাৰ্ডনাৰ।

প্ৰমূল্যতাই সাহস, আত্মবিশ্বাস, আনুগত্য আৰু শিষ্টাচাৰক বুজায়। এজন ব্যক্তিৰ প্ৰতি, এখন সমাজৰ প্ৰতি, এখন ৰাষ্ট্ৰৰ প্ৰতি অনুগত্য প্ৰকাশ কৰাটোৱেই হ'ল আত্মবিশ্বাসেৰে বিশ্বাস দিব পৰা প্ৰত্যয়। মানুহৰ আচৰণ, অভ্যাস, চৰিত্ৰ আৰু স্বভাৱসুলভ বৈশিষ্ট্যবোৰেই প্ৰমূল্যতাক জীপাল কৰি ৰাখে, য'ত নৈতিকতাই গঢ় লয়। নৈতিকতাৰ দিশৰ পৰা বিচাৰ কৰিব গ'লে সমাজৰ কল্যাণৰ কাৰণে যুক্তিসংগত শ্ৰম কৰা বাধ্যতামূলক। এখন ঘৰত, এখন সমাজত, এখন দেশত অকৰ্মাৰ খাদ্য পোৱাৰ অধিকাৰ নাই। এই নীতি-নিয়মৰ মাজতেই ভাল-বেয়া, দক্ষ-অদক্ষ, শ্ৰদ্ধা-অশ্ৰদ্ধা, ন্যায়-অন্যায় নিৰ্ণিত হয়।


দাৰ্শনিক ব্ৰাট্ৰাণ্ড ৰাছেলৰ ধাৰণাত— যিজনৰ কথা-বতৰাই অইনৰ মনত আঘাত নিদিয়ে, তেওঁৱেই ভদ্ৰলোক আৰু যিজনে নিজৰ লগতে দহৰ হকে সঁচা অৰ্থত ন্যায়ৰ বাবে মাত মাতে, অভাৱগ্ৰস্তজনক সহায়ৰ হাত আগবঢ়ায়, অইনৰ অপকাৰ নকৰে, তেওঁৱেই ভাল মানুহ। কিন্তু ভদ্ৰলোক এজন ভাল মানুহ নহবও পাৰে বা ভাল মানুহ এজন ভদ্ৰলোক হ'ব নোৱাৰে। চমুকৈ ভদ্ৰলোক এজনক ভাল মানুহ নুবুজায়। ভাল মানুহ হ'বলৈ গৈ সঁচা অৰ্থত ন্যায়ৰ হ'কে মাত মাতিলেই প্ৰশাসনিকৰ মনত আঘাত লাগে। গতিকে প্ৰশাসনিকৰ মনত তেওঁ ভদ্ৰলোক হৈ থাকিব নোৱাৰে। এইটোৱে হ'ল, অনিশ্চয়তাৰ নীতি। বিজ্ঞানী হাইজেন বাৰ্গৰ মতে— এটা নিশ্চিত হ'লে আনটো অনিশ্চয়তাত বুৰ গৈ থাকিবই লাগিব। তেনেদৰে, দক্ষ শিক্ষক এজন, মানুহ হিচাপে ভাল বা ভদ্ৰলোক, দুয়োটাৰ এটাহে হ'ব পাৰে। দক্ষ শিক্ষকজন হয়তো ভদ্ৰ হ'ব পাৰে বা ভদ্ৰ নহৈ ভাল হ'ব পাৰে। কিন্তু দুয়োটা কেতিয়াও একে সময়ত একে পৰিৱেশত হ'ব নোৱাৰে বুলি অনিশ্চয়তাৰ নীতিয়ে কৈ থৈছে।

আকৌ দক্ষ প্ৰশাসনিক বিষয়া এজন ভদ্ৰলোক হোৱাৰ কথাই নুঠে। যদি প্ৰশাসনিক বিষয়াজন ভদ্ৰলোক হোৱাৰ প্ৰয়াস কৰে, তেন্তে তেওঁৰ দক্ষতাই নৈতিকতাৰ প্ৰমূল্য নোহোৱা কৰে, এখন সমাজক তথা এখন ৰাষ্ট্ৰক পংগু কৰে। আকৌ জনগণক লোভৰ টোপ দিয়া, ভয়ৰ ভাব দেখুওৱা আৰু হেঁচা প্ৰদান কৰাটো হ'ল মূলতঃ নৈতিকতাৰ অন্তৰায়।

পৰিৱেশ-পৰিস্থিতি সাপেক্ষে ভিন্নজনৰ সংস্পৰ্শত নিজৰ নিজৰ নৈতিকতা সলনি হৈ থাকে যদিও নৈতিকতাৰ লগত জড়িত আইনগত কাৰ্য নৈতিক নহ'বও পাৰে। উদাহৰণ স্বৰূপে, চৰকাৰৰ ঘৰত নিৰিখ মতে আয়-কৰ জমা দিয়াতকৈ বেছি পৰিমাণে বীমা কৰা নাইবা চৰকাৰৰ ঘৰত নিৰিখ মতে আয়-কৰ জমা দি ছয়মাহ নৌহওঁতেই আটাইখিনি ওভতাই অনা আইনৰ সুৰুঙা আছে যদিও ই নৈতিকতাৰ পৰিপন্থী। আকৌ ৰোগীক বচাবলৈ গৈ ৰাজপথৰ নীতি-নিয়ম উলংঘা কৰি বেছি বেগত এম্বুলেন্স চলাই নিয়া কাৰ্য আইনবিৰোধী হ'লেও নৈতিক নহৈ নোৱাৰে। গতিকে পৰিৱেশ-পৰিস্থিতি সাপেক্ষে কৃতকাৰ্য নৈতিক হ'লেও আইন সংগত নহ'ব পাৰে নতুবা কিছুমান কাৰ্য নৈতিক নহ'লেও আইন সংগত হ'ব পাৰে। বহুতো বিজ্ঞই বিশ্বাস কৰি আহিছে যে নীতি-নিয়ম, আইন আৰু নৈতিকতা আধ্যাত্মিকতাৰ পৰিপন্থী নহয় যদিও, এটা কথা ঠিক যে নীতি আৰু নৈতিকতা কিন্তু আধ্যাত্মিকতা নহয়। ই হ'ল এক ধৰণৰ আচৰণ বিধিহে, য'ত সহানুভূতি আৰু সততা বিৰাজমান। দৰাচলতে, মানৱীয় মূল্যবোধ বা যোগ্যতাৰ দ্বাৰাইহে (অৰ্হতাৰ নহয়) নিজৰ নিজৰ আচৰণ বিধি পৰিচালিত হয়। মানৱীয় মূল্যবোধৰ দ্বাৰা নিজৰ আচৰণ বিধি পৰিচালিত কৰিব পৰা জন সাত্বিক। উদাহৰণ স্বৰূপে, ভাৰতবৰ্ষৰ প্ৰাক্তন ৰাষ্ট্ৰপতি এ. পি. জে. আব্দুল কালাম আছিল এজন সাত্বিক তথা আদৰ্শৱান ব্যক্তি। মূল্যবোধ (Sense of Value) ৰ প্ৰকাশ আৰু বিকাশ মানুহৰ সামাজিক পৰিৱেশ আৰু অৰ্থনৈতিক অগ্ৰগতি বা পশ্চাৎমুখিতাৰ ওপৰত নিৰ্ভৰশীল। গতিকে প্ৰমূল্য, নৈতিকতা আৰু মূল্যবোধ কোনোটোৱেই পৰম বা চিৰন্তন নহয়। মহামতী এলবাৰ্ট আইনষ্টাইনে কোৱাৰ দৰে 'There is no such thing as absolute motion.' 'ইয়াৰ অৰ্থ এয়ে যে বাস্তৱ জগতত যিকোনো বস্তু বা যিকোনো কথাৰে কোনো পৰম সত্য নাই। সকলো বিষয়বস্তুৱেই সত্য নিৰূপণ হয়; আন এক বিষয়বস্তু সাপেক্ষেহে, যাক সাময়িক সত্য বা আপেক্ষিক সত্য বুলি কোৱা হয়। The true value of a human being is primarily by the measure and the sense in which he has attained liberation from the self. (*Ideas and Opinions : Albert Einstein : Page No. 12*)। গতিকে, নৈতিকতাপূৰ্ণ মানুহ হৈ সমাজত জীয়াই থকাৰ প্ৰয়াস কৰিলে মানৱ জীৱনৰ প্ৰকৃত অৰ্থ ওলাই পৰিব, য'ত উদ্দেশ্যই বিধেয় হৈ ধৰা দিব আৰু প্ৰত্যেকজন মানুহৰে জীৱন পৰিক্ৰমাত নৈতিকতা গঠনৰ গুৰুত্ব স্পষ্ট হৈ পৰিব।

ফোন ঃ ৯৮৬৪১৪৯২৫০

## অভিমত



**সময়ক** নৈৰ সোঁতৰ লগত তুলনা কৰা হয়। বৈ যোৱা সোঁতক যেনেকৈ ঘূৰাই পাব নোৱাৰি, অতীত হৈ যোৱা সময়কো তেনেকৈ ঘূৰাই পাব নোৱাৰি। অৰ্থাৎ বোঁৱতী নদী আৰু সময় গতিশীল। পাখিলগা কাঁড়ৰ দৰে তীব্ৰ গতিত সময় সদায় গৈ আছে আৰু গৈ থাকিব। আচলতে সঠিকভাৱে সময়ৰ সদ্ব্যৱহাৰ কৰিব পাৰিলে জীৱন আৰু সমাজ বিকশিত হয়। জীৱন কৰ্মৰ সমষ্টি মাথোন আৰু কৰ্মইহে সময়ক ধৰি ৰাখিব পাৰে।

### সময়ৰ সদ্ব্যৱহাৰৰ ওপৰতেই নিৰ্ভৰ কৰে আমাৰ ভৱিষ্যৎ


যিসকল মানুহে সময়ৰ সদ্ব্যৱহাৰ কৰিছে, সময়ক হাতৰ মুঠিত ধৰি ৰাখি স্বাভাৱিক জীৱন পৰিচালিত কৰিছে, সেইসকল ব্যক্তিয়ে নিজৰ লগতে সমাজকো উদ্ভাসিত কৰাত অৰিহণা যোগাইছে। সচৰাচৰ আমাৰ দেশৰ মানুহে সময়ৰ সদ্ব্যৱহাৰ নজনা বা কৰিব নাজানে বাবে অতি মূল্যৱান অফুৰন্ত সময় অবাবত অপচয় কৰি প্ৰায় সকলো দিশতে পিছপৰি গৈছে। সময়ৰ সদ্ব্যৱহাৰৰ ওপৰতে মানুহৰ সুখ-দুখ নিৰ্ভৰ কৰে। কিয়নো আজিৰ সময়খিনিৰ সদ্ব্যৱহাৰৰ ফলেই কাইলৈৰ ভাগ্য। 'হেলাই কৰ্মনাশা'—হেলা বা এলাহ কৰিলে কোনেও জীৱনত সফলতা লাভ কৰিব নোৱাৰে। জীৱন যুদ্ধত উদ্‌গতি আৰু কৃতকাৰ্য হ'বলৈ হ'লে নিশ্চিতভাৱে সময়ৰ সদ্ব্যৱহাৰৰ বিকল্প নাই। সময়ৰ সদ্ব্যৱহাৰৰ ওপৰতেই নিৰ্ভৰ কৰে আমাৰ ভৱিষ্যৎ। বৰ্তমান ভোগবাদী চিন্তা-ভাৱনাই এই ক্ষেত্ৰত সমাজত বিৰূপ প্ৰভাৱ পেলাইছে। ভোগবিলাস, উৎসৱ-পাৰ্বণ আদিত আমি বছৰটোত কিমান কৰ্মদিন অবাবত অপচয় কৰিছো তাৰ হিচাপ ৰখাৰ প্ৰয়োজন অনুভৱ কৰা নাই। ১২টা মাহত ১৩টা উৎসৱ চলিয়ে থাকে। সময়ৰ সদ্ব্যৱহাৰ নকৰি উৎসৱমুখী প্ৰৱণতাৰ বাবে প্ৰতিভা থকাজনেও ব্যক্তিগত বিকাশ আৰু সামাজিক উন্নতিত অৰিহণা আগবঢ়াব পৰা নাই। ইয়াৰ মূলতে সময়ৰ অভাৱ। সময়ৰ মূল্য নুবুজা মানুহৰ জীৱন বৃথা। যিয়ে জীৱনত উন্নতি কৰিব খোজে তেওঁ সময়ৰ সদ্ব্যৱহাৰ কৰি কাম কৰিবই লাগিব; কিন্তু আমাৰ সমাজত সময়ৰ সদ্ব্যৱহাৰ নকৰাৰ প্ৰৱণতা বৃদ্ধি পাইছে। আজি-কালি আমি প্ৰায়ে সংবাদ মাধ্যমত প্ৰকাশিত বাতৰিত দেখা পাওঁ যে প্ৰায় সৰহসংখ্যক চৰকাৰী বিষয়া-কৰ্মচাৰী নিৰ্বাৰিত সময়ত গৈ কাৰ্যালয়ত উপস্থিত নহয়। কাৰ্যালয়ৰ চকীবোৰ উদং। ১১-১২ বজাৰ আগতে কোনো বিষয়া-কৰ্মচাৰী কাৰ্যালয়ত উপস্থিত হোৱা দেখা নাযায়। চৰকাৰে চৰকাৰী বিষয়া-কৰ্মচাৰীসকলক বাৰম্বাৰ সময়মতে কাৰ্যালয়ত উপস্থিত হৈ নিজৰ দায়িত্ব আৰু কৰ্তব্য যথাযথভাৱে পালন কৰিবলৈ কঢ়া নিৰ্দেশ দিয়া সত্বেও তাৰ প্ৰতি কাৰো ভ্ৰূক্ষেপ অথবা কাণসাৰ নাই। বৰ্তমান এয়াই হৈছে আমাৰ দেশৰ চৰকাৰী বিষয়া-কৰ্মচাৰীসকলৰ সময়ৰ সদ্ব্যৱহাৰ আৰু কৰ্মসংস্কৃতিৰ নমুনা। এনেকৈয়ে চলিছে চৰকাৰী প্ৰশাসন যন্ত্ৰ। আমাৰ দেশত মন্ত্ৰী-আমোলা তথা শিক্ষক-কৰ্মচাৰী পৰ্যন্ত সৰহভাগে সময়ৰ সদ্ব্যৱহাৰ নকৰে, ফলত সামগ্ৰিকভাৱে দেশ আৰু সমাজে সময়ৰ লগত তাল মিলাই প্ৰগতিৰ পথত আগুৱাই যাবলৈ সক্ষম হোৱা নাই। কৰ্ম-সংস্কৃতিৰ ওপৰত ঘাইকৈ নিৰ্ভৰ কৰে দেশ আৰু সমাজ তথা জাতিৰ প্ৰগতি। কৰ্ম-সংস্কৃতি অবিহনে কোনো ব্যক্তিৰ অথবা এখন সমাজৰ, এখন দেশৰ উন্নতি লাভ কৰা অসম্ভৱ। কৰ্ম-সংস্কৃতি এটা জাতিৰ বুনিয়াদ আৰু অগ্ৰগতিৰ মাক কাঠী। এখন সুন্দৰ আৰু মননশীল সমাজ গঢ়ি তুলিবলৈ হ'লে আমি দেশ তথা সমাজৰ প্ৰত্যেকজন মানুহে সৃষ্টিশীলতাৰে সময়ৰ সদ্ব্যৱহাৰ কৰি কাম কৰিব লাগিব। এতিয়া দেশৰ সকলোতকৈ প্ৰয়োজনীয় কথা সময়ৰ প্ৰতি সজাগতা সৃষ্টি কৰা, সময়ৰ সদ্ব্যৱহাৰ কৰা। অন্যথা দেশ তথা সমাজৰ বিকাশ, উন্নয়ন অসম্ভৱ। দেশ আৰু জাতিৰ অস্তিত্ব, স্বাভিমান বৰ্তাই ৰাখিবলৈ হ'লে সময়ৰ সদ্ব্যৱহাৰৰ বিকল্প নাই।

**কুলেন বৰ্মন,** ফোন ঃ ৯৪৩৫৩৩৮৪১৯

৭৫ বছৰতো যেতিয়া এই জাতিসমূহৰ সম্যক উন্নতি নহ'ল অথবা অন্যান্য সাধাৰণ জাতিৰ সমান উন্নতি কৰিব পৰা নাই সেয়ে সাংবিধানিক সা-সুবিধাবোৰ বন্ধ কৰিব বা আঁতৰ কৰিব পৰা হোৱা নাই। গতিকে আৰু ৭৫ বছৰততো আঁতৰ নহ'বই এনে সুবিধাবোৰ নিশ্চয় অনন্তকাল চলি থকাৰ প্ৰয়োজন হ'ব। অসমৰ সৰু-বৰ সকলো জনগোষ্ঠীয়ে যেতিয়া নিজা নিজাকৈ পৰিষদ গঠন কৰি শাসনভাৰ নিজাববীয়াকৈ চলাব, তেতিয়া দেখিব বিটি আৰৰ নিচিনাকৈ অন্য 'আৰ'বোৰেও নিজা ভাষা অসমীয়া হৰফতো নিলিখিবই, আনকি পঢ়াশালিত ইয়াক প্ৰথম ভাষাৰ স্থানো নিদিব।



# অসমীয়া জাতি আৰু কিমান দিন জীয়াই থাকিব ?



**মক্ষিকাবৃত্তি**

**ড° সুৰেন্দ্ৰ মোহন মহন্ত**

**আজি** অলপ দিনৰ পৰা শব্দ এটা বৰ ভুলকৈ ব্যৱহাৰ হোৱা পৰিলক্ষিত হৈছে। শব্দটি হৈছে 'জনজাতিকৰণ'। যদি বিচাৰ কৰি চোৱা যায় এই শব্দৰ অৰ্থ হ'ব,— কোনোবা অজনজাতিক জনজাতি কৰা। কিন্তু আচলতে যিসকলৰ জনজাতিকৰণৰ কথা কোৱা হৈছে সেইসকল প্ৰকৃতপক্ষেই জনজাতি; আৰু তেওঁলোকৰ নতুনকৈ জনজাতিকৰণৰ প্ৰশ্ন নুঠে। কথাটো এনেকুৱাহে, সমপৰ্যায়ৰ আন আন জনজাতিক তেওঁলোকৰ প্ৰাপ্য মৰ্যাদা দিয়া হৈছে। গতিকে তেওঁলোককো তেনে মৰ্যাদা দিব লাগে। সেই মৰ্যাদা তেওঁলোকে কেতিয়াবাই পাব লাগিছিল, কাৰণ সেই মৰ্যাদা পোৱা মানে ৰজাঘৰৰ পৰা ভালেমান সা-সুবিধা পোৱা। অন্যান্য সাধাৰণ জাতিৰ লোকতকৈ তেওঁলোকে বেছি সা-সুবিধা, যথা পঢ়া-শুনা বৃত্তি লাভ, চাকৰি আৰু প্ৰমোচন, বহুক্ষেত্ৰত অৰ্থনৈতিক ৰেহাই, কৰ-কাটলত ৰেহাই ইত্যাদি নানা ধৰণৰ সুবিধা লাভ কৰে। আন কথাত কিছু অন্য জাতিৰ মানুহৰ তুলনাত তেওঁলোকে বেছি সা-সুবিধা পায়। আনহাতে, স্বীকৃত জনজাতিসকলে নিজৰ মানুহখিনিৰ বাবে সুকীয়া পৰিষদ গঠন কৰি শাসনভাৰো পায়। এনে ধৰণৰ সুবিধাবোৰ ভাৰতীয় সংবিধানে তেওঁলোকৰ বাবে আগবঢ়াইছে। সংবিধানৰ ষষ্ঠ অনুসূচীত জনগোষ্ঠীসমূহৰ বাবে ভালেমান ক্ষমতাও দিছে। গতিকে সকলো জনগোষ্ঠীয়ে এনে সা-সুবিধা উপভোগ কৰিবলৈ পোৱা উচিত। কোনো জনগোষ্ঠীয়ে এনেবিলাক সা-সুবিধা নোপোৱাটো নিশ্চয় দুখৰ কথা। প্ৰথমতে এনেধৰণৰ সুবিধাবোৰ কেৱল ১০ বছৰৰ বাবেহে দিয়া হৈছিল; উল্লেখ আছে যে সংসদে প্ৰয়োজনবোধে ইয়াৰ ম্যাদ বঢ়াই দিব পাৰিব আৰু সেই মতে ১০ বছৰ ১০ বছৰ কৰি বৃদ্ধি কৰি বৰ্তমান ৭৫ বছৰতো চলি আছে।

এতিয়া কথা হ'ল যে এই ৭৫ বছৰতো যেতিয়া এই জাতিসমূহৰ সম্যক উন্নতি নহ'ল অথবা অন্যান্য সাধাৰণ জাতিৰ সমান উন্নতি কৰিব পৰা নাই সেয়ে সাংবিধানিক সা-সুবিধাবোৰ বন্ধ কৰিব বা আঁতৰ কৰিব পৰা হোৱা নাই। গতিকে আৰু ৭৫ বছৰততো আঁতৰ নহ'বই এনে সুবিধাবোৰ নিশ্চয় অনন্তকাল চলি থকাৰ প্ৰয়োজন হ'ব।

অসমৰ সৰু-বৰ সকলো জনগোষ্ঠীয়ে যেতিয়া নিজা নিজাকৈ পৰিষদ গঠন কৰি শাসনভাৰ নিজাববীয়াকৈ চলাব, তেতিয়া দেখিব বিটি আৰৰ নিচিনাকৈ অন্য 'আৰ'বোৰেও নিজা ভাষা অসমীয়া হৰফতো নিলিখিবই, আনকি পঢ়াশালিত ইয়াক প্ৰথম ভাষাৰ স্থানো নিদিব। (বোলে অসমীয়া হৰফত তেওঁলোকৰ ভাষাৰ সকলো লিখি প্ৰকাশ কৰিব নোৱাৰি। অৱশ্যে দেৱনাগৰী লিপিতকৈ অসমীয়া লিপি কোনো কাৰণতে হীন নহয়।) সেই 'আৰ'বিলাকত নিজা বিশ্ববিদ্যালয় থাকিব আৰু তাত নিজৰ ভাষাহে প্ৰথম ভাষা হ'ব। তাৰ মানে অসমীয়া ভাষা তাৰ পৰা পাকে প্ৰকাৰে বিতাড়িত হ'ব। অৰুণাচলত এসময়ত অসমীয়া ভাষা চলিছিল। আনকি সেই অঞ্চলত কে'বাজনো স্বনামধন্য অসমীয়া লেখক আছিল। এতিয়া তাত ৰাষ্ট্ৰভাষা চলে। নগালেণ্ডত অসমীয়া ভাষা বিভিন্ন জনগোষ্ঠীৰ মাজত কাম চলোৱা ভাষা হৈ পৰিছিল। কোহিমাত অসম সাহিত্য সভাৰ এক সক্ৰিয় শাখা সভাও আছিল। খাচীয়া পাহাৰত অসমৰ ৰাজধানী থাকোতে আনকি বাটৰ কাষত তামোল-পাণ বেচা কং কেইগৰাকীয়ে ধুনীয়াকৈ অসমীয়া কৈছিল। তাত মতি নগৰ, বিষ্ণু নগৰ আদি নামৰ ঠাই পোৱা গৈছিল। এতিয়া অসমীয়া 'ফৰেইনাৰ'। কাৰ্বি আংলঙত বহুখিনি অসমীয়াই চলিছিল। কালক্ৰমত সেইবোৰ নিঃশ্চিহ্ন হ'ব ধৰিছে। এতিয়া শুনা গৈছে বোলে আমাৰ শ্ৰীমুখৰ পৰা নিসৃত হৈছে— Karbi Anglong is a super state.– মানে কাৰ্বি আংলং ৰাজ্যই নহয় ই এখন — Super State.' (অৱশ্যে Super State মানে কি বুজাইছে ৰাজনীতি বিজ্ঞানত পোৱা নাযায়।) গতিকে কাৰ্বি আংলঙত অসমীয়া ভাষা চলিবনে— এনে দুৰাশা কোনোবাই কৰিব পাৰিবনে ? আনহাতে, এই কাৰ্বি আংলঙৰে সু-সাহিত্যিক ৰংবং তেৰাং আমাৰ গৌৰৱৰ অসম সাহিত্য সভাৰ মাননীয় সভাপতি হৈছিল। তেওঁ অৱশ্যে কাৰ্বি ভাষাত এখন অভিধান লিখাৰ বাহিৰে অন্য সাহিত্য কৰ্ম কিমান কৰিছে নাজানো। এসময়ত কিজানি তেৰাঙক অসমীয়া বুলি ক'বলৈকো মানা কৰিব কোনোবাই। তাৰ বিশ্ববিদ্যালয়ে অসমীয়াক প্ৰথম ভাষা হিচাপে গণ্য কৰাৰ কিমান আশা আছে বাৰু ?

আহোমসকলৰ বাবেই কিজানি আমি অসমীয়া হৈছো; অসমীয়া হিচাপে স্বীকৃতি পাইছো। তেওঁলোকেই এই অঞ্চলত বসবাস কৰা জাতি জনজাতি লগলগাই অসমীয়া জাতি গঢ়ি তুলিছিল। তেওঁলোকে অসমত পাঁচশ বছৰৰো অধিক কাল ৰাজত্ব কৰিছিল। বৰ দুখৰ কথা এতিয়া বোলে তেওঁলোক অন্যান্য পিছপৰা জাতি অ' বিচি। কি বিড়ম্বনা!! মহাবীৰ লাচিতৰ কথা নকওঁৱেই, এতিয়াও পণ্ডিত প্ৰবৰ কৃষ্ণকান্ত সন্দিকৈৰ নিচিনা প্ৰাতঃস্মৰণীয় ব্যক্তি কেইজন ওলাব ? তেওঁ নিশ্চিতভাৱে আহোম বংশৰ। ভাৰত স্বাধীন হোৱাৰ পাছতো কেন্দ্ৰীয় মন্ত্ৰী মণ্ডলীত স্থান পাইছিল এই জাতিৰ পৰাই। এতিয়াওতো এই জাতিৰ স্বনামধন্য ব্যক্তিৰ নাম কৈ অন্ত কৰিব নোৱাৰি— উচ্চতম ন্যায়ালয়ৰ প্ৰধান ন্যায়াধীশ, মুখ্যমন্ত্ৰী, মন্ত্ৰী, সু-সাহিত্যিক আৰু বহু উচ্চ পদবীত এই জাতিৰ ব্যক্তি আছে। কোনে বাৰু তেওঁলোকক পিছপৰা জাতিৰ অন্তৰ্ভুক্ত কৰি তেওঁলোকক অপমানৰ পাত্ৰ কৰিছে? অন্য এটা কথাৰ বাবেহে এই কথাৰ উল্লেখ কৰিছো। কথাটো হ'ল তেওঁলোকেও নিশ্চয় নিজা পৰিষদ গঠন কৰিব।

এটা কথা সঁচা যে, অসমীয়া বুলি কোনো এটা সুনিৰ্দিষ্ট জাতি নাই। ইয়াত বসবাস কৰা সকলো জাতি-উপজাতি মিলিহে এই জাতি গঠিত হৈছে। আৰু এক মহান জাতি হিচাপে খ্যাতি লাভ কৰিছে। এতিয়া যদি অসমীয়া জাতিৰ অংশীদাৰ সকলো জাতি-উপজাতিয়ে ওপৰত উল্লেখ কৰাৰ নিচিনাকৈ 'জনজাতিকৰণ' বুলি নিজ নিজ অঞ্চলত 'স্বশাসন' কৰিবৰ বাবে পৰিষদ গঠন কৰি সকলোকে স্বায়ত্ত শাসনৰ ভাৰ দি নিজ অঞ্চলত নিজা ভাষা চলায় তেতিয়াহ'লে আগৰ অসমীয়া কেইটাৰ স্থিতি কি হ'ব? তেওঁলোক ক'তেই বা থাকিব?

অলপতে এটা বাতৰি প্ৰচাৰ হৈছিল বোলে বিটিআৰত অনা বড়োৱে ভূমি হস্তান্তৰ কৰিব নোৱাৰিব। বাতৰিটোৰ সত্যতা কিমান জনা নাযায়। বাতৰিটো যদি সঁচা হয় আৰু সকলো জনগোষ্ঠীৰ অঞ্চলাভুক্ত অঞ্চলত এনে আইন প্ৰচলন হ'লে ভাবি চাওকচোন! অসমীয়া প্ৰাণীকেইটাৰ কি অৱস্থা হ'ব? আৰু এটা কথা আমি সৰু থাকোতে অসমত কছাৰী বোলা জনগোষ্ঠীৰ কথা শুনা মনত আছে। সেই বৃহৎ গোষ্ঠীৰ ভিতৰতে বহু সৰু-সুৰা গোষ্ঠীও আছিল। আজিকালি কছাৰী জনগোষ্ঠীৰ নাম শুনা নাযায়। তাৰ ঠাইত আগৰ তাৰে ঠাল-ঠেঙুলি বুলি কোৱা জনগোষ্ঠীয়ে নিজস্ব 'জনজাতিকৰণ' বিচাৰি ক'ৰবাত ক'ৰবাত বিদ্ৰোহো কৰা দেখা যায়। আনহাতে, তেওঁলোকৰ দাবী নিশ্চয় যুক্তিযুক্ত— কাৰণ একে এটা জনজাতিয়ে পালে তেওঁলোকেও সেই মৰ্যাদা পাব লাগে। জনগোষ্ঠী হ'বৰ বাবে যিকেইটা চৰ্ত বা গুণাগুণ লাগে সেই আটাইকেইটা তেওঁলোকৰ ক্ষেত্ৰতো বৰ্তমান।

এনেবোৰ দুখ-দুৰ্দশাৰ মূলতে আছে ভাৰতত নতুনকৈ সৃষ্টি কৰা 'জাতিভেদ'। অতীত কালত আমাৰ দেশত জাতিভেদ প্ৰথা আছিল আৰু তাৰ সমূহ কুফল আঁতৰাবৰ বাবে দেশ আগবাঢ়িছে। কিন্তু বৰ্তমান সাধাৰণ জাতি (উচ্চ জাতি?), জনজাতি, অনুসূচিত জাতি আদিৰ সৃষ্টি কৰি অন্যান্য কোনো দিশ, বিশেষকৈ 'অৰ্থনৈতিক দিশৰ প্ৰতি পিঠি দিয়া হৈছে। যদি 'চবকা সাথ, চবকা বিকাশ' হ'ব লাগে তেন্তে এই বিকাশৰ মূল ভেটি অৰ্থনৈতিক কাৰকসমূহৰ ওপৰত হ'ব লাগিছিল। এইদৰে কেৱল জন্ম লোৱা জাতি বা উপ-জাতিকে ভিত্তি কৰা হয় তেন্তে আমাৰ বিকাশ হ'ব নোৱাৰে। মিছা ভাগ ভাগ কৰি যেতিয়ালৈকে কোনো জাতি বা উপ-জাতিক সা-সুবিধা দিয়া হয় তেতিয়াহ'লে অসমীয়া জাতি জীয়াই থকা অসম্ভৱ। যদি এই নতুন জাতিভেদৰ পৰা সৃষ্ট জাতিসমূহে এককৈকে সকলো সা-সুবিধা পায় তেতিয়া হ'লে ভাৰত স্বাধীন হোৱাৰ ৭৫ বছৰতো কোনো উন্নতি কৰিব নোৱাৰা এই জাতি বা উপ-জাতিয়ে আৰু ৭৫ বছৰতো উন্নতি কৰিছে বুলি ঘোষণা নকৰে। অনন্ত কাল কেৱল সেই সুবিধা বিলাকৰ বাবেই 'জনজাতি' হৈয়ে থাকিব।

আৰু কিমান দিন অসমীয়া জাতি বৰ্তি থাকিব?

**অনধ্যায়**

।।১।।

অলপতে পাকিস্তানৰ এটা মছজিদত বোমা বিস্ফোৰণ হোৱাৰ বাতৰি পোৱা গৈছিল। আৰু বোলে তাত থকা প্ৰায় ৭০/৮০ জন নামাজীৰ প্ৰাণ হানি হৈছিল। ইয়াৰ বিপৰীতে কোনো ইছলাম সংগঠনে বা নেতাই সেই কাৰ্যক গৰিহণা দিয়া বাতৰি পোৱা নাই। তেওঁলোক কিয় বাৰু এই নিদাৰুণ কাৰ্যৰ সমৰ্থক? ভাবি চাওক ভাৰতত এনে দুষ্কাৰ্য সংঘটিত হোৱাহেঁতেন তেওঁলোকেই দেশ জ্বলাই নিদিলেহেঁতেন নে?

।।২।।

আমাৰ কল্যাণকামী ৰাষ্ট্ৰই শহুৰ-শাহুৰ ঘৰত মিতিৰ খাবৰ বাবে ছুটী মঞ্জুৰ কৰিছে। কাৰণ অন্য বন্ধত কোনো মানুহ শহুৰৰ ঘৰলৈ যাব নোৱাৰে। আনকি পিতা-মাতাৰো খবৰ বাতৰি ল'ব নোৱাৰে। কাৰণ ধৰক দুৰ্গা পূজাৰ ৮/১০দিনৰ বন্ধত ইমানবোৰ পূজা মণ্ডপৰ বিচিত্ৰ কাৰুকাৰ্য চাব লাগে তাত আৰু পিতা-মাতাৰ খবৰৰ কথা আহিব কেনেকৈ?

তদুপৰি ভাল চিনেমা আহিলেও অফিচৰ কাম নকৰি চিনেমা চাবলৈ সময় দিয়া হৈছে। কোনোবা মন্ত্ৰীয়ে কৰা ভূমি পূজা বা দলঙৰ উদ্বোধন চাবলৈকো আমাক নিশ্চয় ছুটী দিব। আনকি কোনোবা দলৰ নিৰ্বাচনী যাত্ৰা, মন্ত্ৰীৰ নাচ চাবলৈ ছুটী দিয়া অতি আৱশ্যক বুলি ৰাইজে ভাবে।

*ফোন ঃ ৯৮৫৪০৪০২৩৪*

বিহাৰ মাদ্ৰাছা ব'ৰ্ডৰ প্ৰশংসনীয় পদক্ষেপ

# মাদ্ৰাছা শিক্ষাৰ সংজ্ঞা সলনি বিহাৰত

**চাহাবুদ্দিন আহমেদ**



**মাদ্ৰাছা** শিক্ষা ইয়াক ইছলাম ধৰ্মৰ লোকসকলৰ প্ৰাথমিক শিক্ষাৰ বুনিয়াদ বুলি কোৱা হয়। মাদ্ৰাছাত মূলতঃ ধৰ্মীয় শিক্ষা দিয়া হয়। বিশেষকৈ ফিকাহ অৰ্থাৎ ইছলামিক বিধি-বিধানৰ মূল নীতি, উছুল আল ফিকাহ অৰ্থাৎ ইছলামিক বিধি-বিধানৰ মূল নীতি আৰু কাজি অৰ্থাৎ বিচাৰক সন্দৰ্ভত পাঠদান দিয়া হয়। আমাৰ দেশত ৭১১ খ্ৰীষ্টাব্দত মহম্মদ বিন কাছিমৰ আগমনৰ লগে লগে মাদ্ৰাছা শিক্ষাৰ আৰম্ভণি হোৱা বুলি ক'ব পাৰি। অৱশ্যে সেই সময়ত মাদ্ৰাছা স্থাপিত হোৱা নাছিল যদিও ইছলামিক পণ্ডিতসকলে ঠাই বিশেষে কোৰান শ্বৰীফৰ তপছীৰ আৰু হাদিছৰ ওপৰত বক্তৃতা দিছিল। ইয়াৰ পাছত ১১৯১ খ্ৰীষ্টাব্দত মহম্মদ ঘোৰীয়ে আজমীৰত প্ৰথম আনুষ্ঠানিক মাদ্ৰাছা প্ৰতিষ্ঠা কৰা বুলি মুছলিম ইতিহাসবিদসকলে কয়। পৰৱৰ্তী সময়ত বিভিন্ন বংশৰ দিল্লীৰ চুলতানসকলে শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মছজিদ আৰু মাদ্ৰাছা প্ৰতিষ্ঠা কৰে। মোগল সম্ৰাটসকলেও মাদ্ৰাছা শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মাদ্ৰাছাৰ সংখ্যা বহু পৰিমাণে বৃদ্ধি কৰিছিল। অৱশ্যে ধৰ্মীয় শিক্ষাতে আৱদ্ধ নাথাকি ১৫ শতিকাত মীৰ ফাতে উল্লাহ ছিৰাজীয়ে মাদ্ৰাছা পাঠ্যক্ৰমত নৈতিক শিক্ষা, অংক, জ্যোতিবিদ্যা, কৃষিবিদ্যা, চিকিৎসাবিদ্যা, যুক্তিৰ্বিদ্যা, প্ৰশাসনিক বিদ্যাৰ উপৰি সংস্কৃত ব্যাকৰণো সন্নিবিষ্ট কৰাৰ কথাও ইতিহাসত উল্লেখ আছে। প্ৰচলিত মাদ্ৰাছাত উপৰি সম্ৰাট ছাহজাহানে ১৬৫০ খ্ৰীষ্টাব্দত দিল্লীত ইম্পিৰিয়েল কলেজ প্ৰতিষ্ঠা কৰিছিল। একেদৰে সম্ৰাট ঔৰংজেৱে লক্ষ্ণৌত ফাৰাংগীমহল নামৰ আন এক শিক্ষা প্ৰতিষ্ঠান স্থাপন কৰিছিল। সেয়া যিয়েই নহওঁক, মাদ্ৰাছা শিক্ষা মানে ধৰ্মীয় শিক্ষানুষ্ঠানৰ ধাৰণা আমাৰ সকলোৰে। অৱশ্যে ওপৰত উল্লেখিত ধৰ্মীয় শিক্ষাৰ ধাৰণা কিছু ক্ষেত্ৰত শুদ্ধ নহয়। কাৰণ সাধাৰণ শিক্ষাৰ যেনেকৈ ভাগ আছে, ঠিক তেনেকৈ ইছলামিক মাদ্ৰাছাৰো ভাগ আছে। ইয়াৰ ভিতৰত আমাৰ ভাৰতবৰ্ষৰ মাদ্ৰাছা বুলিলে একমাত্ৰ ইছলামিক শিক্ষানুষ্ঠানকে বুজায়; কিন্তু আৰবীয় দেশসমূহত মাদ্ৰাছা বুলিলে বিদ্যালয়সমূহক বুজায়। আমাৰ দেশত যেনেকৈ সাধাৰণ শিক্ষানুষ্ঠানৰ ভাগ আছে, তেনেকৈ আৰবীয় দেশসমূহত মাদ্ৰাছাৰ ভাগ আছে। ইয়াৰ ভিতৰত মাদ্ৰাছাতুল হুকুমিয়াহ অৰ্থাৎ চৰকাৰী স্কুল আৰু মাদ্ৰাছাতুৰ শ্বাখচিয়াহ অৰ্থাৎ ব্যক্তিগত শিক্ষানুষ্ঠান। তাত হাফিজীয়া মাদ্ৰাছাবোৰক কোৱা হয়—তাহাফিজুল কোৰান/কুৰআন। আমাৰ যেনেকৈ প্ৰাথমিক, এমই/মাধ্যমিক, উচ্চ মাধ্যমিক, উচ্চতৰ মাধ্যমিক, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় আছে সেই দেশসমূহত আছে মাদ্ৰাছাহ, কুল্লিয়্যাহ,জামিয়া, অৰ্থাৎ স্কুল, কলেজ আৰু বিশ্ববিদ্যালয়। ভাৰতবৰ্ষত মাদ্ৰাছাৰ দুটা ভাগ আছে। এটা চৰকাৰী হাইমাদ্ৰাছা আৰু আনটো বেচৰকাৰী কৌমিমাদ্ৰাছা চৰকাৰী হাইমাদ্ৰাছাত চৰকাৰী পাঠ্যক্ৰমৰ লগতে কিছু ইছলামিক পাঠ্যক্ৰমৰ শিক্ষা দিয়া হয়। আনহাতে বেচৰকাৰী মাদ্ৰাছা হ'ল খাৰিজিয়্যাহ কৌমিয়াহ টাইটেল মাদ্ৰাছা আৰু হাফিজীয়া মাদ্ৰাছা। য'ত কোৰান, হাদিছ, ফিকাহ শাস্ত্ৰ আদিৰ শিক্ষা দিয়া হয়। যাৰ বাবে এই মাদ্ৰাছাসমূহক লৈ প্ৰায়ে প্ৰশ্ন উত্থাপিত হৈ আহিছে। মাদ্ৰাছাত আধুনিক প্ৰযুক্তি শিক্ষাৰ পোষকতা কৰি ইতিমধ্যে বহু মাদ্ৰাছাত পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰিছে। বহুতে ইয়াৰ বিৰোধিতা কৰিছে। আন একাংশত আকৌ আধুনিক শিক্ষাৰ নামত বৃত্তিমূলক বিশেষকৈ কাপোৰ চিলাই, এমব্ৰইদাকী, ম'বাইল ফোন মেৰামতি, ৰেডিঅ', ঘড়ী মেৰামতি, কম্পিউটাৰ, ইংলিছ টকিং আদি অন্তৰ্ভুক্ত কৰিছে। অসমত ইতিমধ্যে মাদ্ৰাছাসমূহৰ এনে পদক্ষেপৰ মাজতে অসম চৰকাৰে আইন প্ৰণয়ন কৰি সেয়া বন্ধ কৰিছে। মাদ্ৰাছাত আধুনিক শিক্ষাৰ পোষকতা কৰিছে চৰকাৰে। অসমত মাদ্ৰাছাত চলা এনে ধাৰণাৰ বিপৰীতে বিহাৰ, মহাৰাষ্ট্ৰ আদি ৰাজ্যত মাদ্ৰাছা শিক্ষানুষ্ঠানত আধুনিক পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰি সময়ৰ লগত বহু পূৰ্বে খোজ মিলাইছে।

বিহাৰ মাদ্ৰাছা ব'ৰ্ডৰ অধীনত চাৰি হেজাৰৰো অধিক অনুমোদিত মাদ্ৰাছা আছে। ইয়াৰ ভিতৰত ১৯৪২খন চৰকাৰী সাহায্যপ্ৰাপ্ত মাদ্ৰাছা। আনহাতে এই মাদ্ৰাছাসমূহত ১৫ লাখৰো অধিক শিক্ষাৰ্থী আছে। বিহাৰ চৰকাৰে এই মাদ্ৰাছাসমূহৰ প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখি আধুনিক আৰু মূলসুঁতিৰ পাঠ্যক্ৰমো অন্তৰ্ভুক্ত কৰিছে। ধৰ্মীয় শিক্ষাৰ লগতে ইংৰাজী, অংক, হিন্দী, বাণিজ্যিক আৰু বিজ্ঞানৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰিছে। কম্পিউটাৰ শিক্ষাৰ ওপৰত জোৰ দি ব'ৰ্ডে শিক্ষাৰ্থীৰ সুবিধা হোৱাকৈ অনলাইন পাঠ্যক্ৰম আৰু শ্ৰেণীৰো ব্যৱস্থা কৰিছে। চলিত এপ্ৰিলৰ পৰা বিহাৰ মাদ্ৰাছা শিক্ষা ব'ৰ্ডে 'আধুনিক আৰু মূলধাৰা'ৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰি দশম শ্ৰেণী উত্তীৰ্ণৰ পাছত আনকি এছচিইআৰটি আৰু এনচিইআৰটিৰ পাঠ্যক্ৰম গ্ৰহণ কৰিছে। ইতিমধ্যে কৰ'নাৰ তলাবন্ধৰ সময়ত ১০ হেজাৰৰো অধিক শিক্ষকক অনলাইন প্ৰশিক্ষণ দিয়া হৈছে। ইউনিচেফসহ বিশেষজ্ঞ পাঠ্যক্ৰম শিকোৱাৰ বাবে এই প্ৰশিক্ষণ দিয়া হৈছিল। নতুন পাঠ্যক্ৰম অনুযায়ী শিক্ষাৰ ভাষা হ'ব উৰ্দু আৰু পাঠ্যক্ৰমো হ'ব উৰ্দুতে। অৱশ্যে পৃথক বিষয়ৰূপে থাকিব ইংৰাজী আৰু হিন্দী। শিক্ষাৰ্থীৰ সহায়ক হোৱাকৈ ইতিমধ্যে সম্পূৰ্ণ পাঠ্যক্ৰম ৱেবছাইটত আপলোড কৰা হৈছে। তদুপৰি এটা এপ মুকলি কৰা হৈছে। প্ৰথমৰ পৰা দশম শ্ৰেণীলৈকে ইছলামিক অধ্যয়নৰ এটা পাঠ্যক্ৰমৰ অংশ থাকিব। বাকী প্ৰথমৰ পৰা দশম শ্ৰেণীলৈকে এছচিইআৰটিৰ পাঠ্যক্ৰম আৰু একাদশৰ পৰা দ্বাদশ শ্ৰেণীলৈকে এনচিইআৰটিৰ পাঠ্যক্ৰম থাকিব। এই সন্দৰ্ভত বিহাৰ মাদ্ৰাছা ব'ৰ্ডৰ অধ্যক্ষ আব্দুল কাইয়ুম আনচাৰীয়ে কয়, 'এতিয়া আৰবী অধ্যয়নেই যথেষ্ট নহয়। আমি বিচাৰিছো শিক্ষাৰ্থীসকলে ইছলামিক পাঠ্যক্ৰম অধ্যয়নৰ সমানে সমানে আন বিষয়সমূহো শিকক। বিশ্বৰ সমানে সমানে প্ৰতিযোগিতাত আগবাঢ়ক।' তেওঁ আৰু সদৰী কৰা মতে আপলোড কৰা নতুন পাঠ্যক্ৰমত ৪০০টাতকৈ বেছি ভিডিঅ' আছে। শ্ৰেণীত পাঠদানৰ বাবে দূৰদৰ্শনৰ সময় বুক হৈছে। তদুপৰি অনলাইনৰো ব্যৱস্থা কৰা হৈছে।


উল্লেখ্য যে এই নতুন পাঠ্যক্ৰমৰ বাবে ইতিমধ্যে বিহাৰ চৰকাৰে 'ফাউকানিয়া' পৰ্যায়ত পাঁচশ আৰু মৌলবী পৰ্যায়ত দুশ আধুনিক বিষয়ৰ শিক্ষকৰূপে নিযুক্তি দিয়ে। ইয়াৰ শিক্ষকসকলৰ দৰমহাৰ ৬০ শতাংশ কেন্দ্ৰীয় চৰকাৰে আৰু বাকী ৪০ শতাংশ বিহাৰ চৰকাৰে বহন কৰিব। বিহাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনাত বিহাৰ মাদ্ৰাছা শিক্ষা ব'ৰ্ডে এই পদক্ষেপ গ্ৰহণ কৰাৰ প্ৰধান কাৰণ হ'ল বহু সংখ্যক মুছলমান ল'ৰা-ছোৱালীয়ে বিদ্যালয়ৰ মুখ দেখা নাপায়। সমীক্ষাৰ পৰা এইটো পোহৰলৈ আহিছে যে ছয়ৰ পৰা ১৪ বছৰ বয়সৰ ২৫ শতাংশ মুছলিম ল'ৰা-ছোৱালীয়ে বিদ্যালয়ৰ মুখ দেখা নাপায়। অথচ ৰাষ্ট্ৰীয় গড় হিচাপত প্ৰাথমিক বিদ্যালয়ত অধ্যয়নৰত এই সংখ্যা ৯৫ শতাংশ। আন কেতবোৰ সমীক্ষাত ওলাই আহিছে যে তিনি শতাংশ মুছলিম ল'ৰা-ছোৱালী মাদ্ৰাছাত উপস্থিত থাকে। সেয়েহে ধৰ্মীয় শিক্ষাৰ সমান্তৰালকৈ আধুনিক আৰু প্ৰগতিশীল সমাজ ব্যৱস্থাৰে খাপ খুৱাই তুলিবৰ বাবে সময়ৰ লগত খোজ মিলাবলৈ এই সংস্কাৰ সাধন কৰা হৈছে। ধৰ্মীয় শিক্ষাৰ লগত মূলসুঁতিৰ শিক্ষা গ্ৰহণৰে যাতে আগবাঢ়ি যাব পাৰে তাৰ বাবে মাদ্ৰাছা শিক্ষা ব'ৰ্ডৰ এই পদক্ষেপ প্ৰশংসনীয়ই নহয়, যুক্তিসন্মতো বুলি বিবেচিত হৈছে। এই ক্ষেত্ৰত উলেফা আৰু ধৰ্মীয় নেতাসকলেও সমৰ্থন আগবঢ়াইছে। অৱশ্যে একাংশ উলেমা আৰু ৰাজনীতিবিদে মাদ্ৰাছা শিক্ষাৰ মূলনীতিৰ পৰা আঁতৰাই নিয়া বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে, যিটো শুদ্ধ নহয়। পুৰণিকলীয়া নীতিতে খামুচি নাথাকি ব'ৰ্ডে লোৱা এই সিদ্ধান্ত শলাবলগীয়া।

*ফোন ঃ ৮৪৮৬২৯৯২৫৪*



# সমন্বয় আৰু সম্প্ৰীতি অতীতৰ সাধুকথাহে নেকি





**অৱলোকন**

**ৰামচন্দ্ৰ চুতীয়া**

**আমি** সৰু হৈ থাকোতে জ্যেষ্ঠজনৰ পৰা নানান সাধুকথা শুনিছিলো, শিকিছিলো আৰু পাছত ডাঙৰ হৈ তাকে পৰিয়ালৰ অনুজজনক বা ভাই-ভতিজাহঁতক শুনোৱাই পৰম সুখ অনুভব কৰিছিলো। নিজে মা-দেউতা বা গাঁৱৰ জ্যেষ্ঠজনৰ পৰা সাধুকথা শুনোতে আমি একোখন সৰগীয় ধামত বাস কৰিছিলো। শুনা সাধুটোকে দুনাই শুনিলেও তাতো আনন্দ লাভ কৰিছিলো। আমি শুনা সাধুকথাবোৰে আমাক একোটা পাঠ শিকাইছিল, নীতিশিক্ষা বা সজ কথাৰ জ্ঞান দান কৰিছিল। গ্ৰাম্যজীৱনৰ ছবিবোৰ সাধুকথাৰ ৰূপত সদায় আমাৰ চকুৰ আগত ভাহি আছিল। সাধুকথাৰ চৰিত্ৰবোৰ মানুহেই হওক বা আন জীৱ-জন্তুৱেই হওঁক, সেই সকলোবোৰ আমাৰ বাবে চিত্তাকৰ্ষক আৰু সুখ-দুখৰ কাৰক আছিল। চৰিত্ৰবোৰে আমাক মানুহ হ'বলৈ বা বিপদৰ বন্ধুনো কোনবোৰ হ'ব পাৰে তাৰো শিক্ষাদান কৰিছিল। সাধুকথাবোৰে ভাল আৰু বেয়াৰো শিক্ষাদান কৰিছিল। সাপ বা নেউল, গৰখীয়া বা বাঘ, শিয়াল বা বুঢ়াবাঘৰ কাহিনীয়ে শিশুক জীৱ-জন্তুৰ উপকাৰৰ বিষয়ে কোৱাৰ উপৰি সিবোৰৰ স্বভাৱ-চৰিত্ৰৰো আভাস দিছিল। এনেকুৱা অজস্ৰ কাহিনীৰে আমাৰ ভাষাটো বহুত চহকী হৈ আছে, সেইবোৰে আমাকো চিৰজীৱন ধন্য কৰি ৰাখিছে। সাধুকথাই নিৰ্মল মনৰ শিশুক প্ৰকৃত মানুহ হ'বলৈ পৰোক্ষ-প্ৰত্যক্ষভাৱে নিৰন্তৰ সহায় কৰি আহিছে।

সাধুকথাবোৰত দুষ্টৰ দমন আৰু সতৰ জয়গান গোৱা হয়। তেনে কাহিনী, উপকাহিনীয়ে আমাৰ স্কুলীয়া পাঠ্য-পুথিৰোৰ ভৰি আছিল। সেই সাধুকথাবোৰৰ লগতে ভাৰতীয় চৈধ্য-শাস্ত্ৰ ওঠৰ পুৰাণৰ ভাল ভাল কাহিনীবোৰো সন্নিৱিষ্ট হৈছিল। ৰামায়ণ-মহাভাৰতৰ উপৰি দেশ-বিদেশৰ নানান জ্ঞান-গম্ভীৰ কাহিনীও আমাৰ পাঠ্যপুথিৰ বিষয়-বস্তু আছিল। পাঠ্যপুথিৰ কোনো পাঠেই আমাক কোনো ধৰণৰ অসামাজিক ধ্যান-ধাৰণা দিয়া নাছিল। পাঠত যি আছিল, সিয়ে ছাত্ৰ-শিক্ষকসকলোকে উপকৃত কৰিছিল। ধৰ্ম বা সাম্প্ৰদায়িক কোনো চিন্তা-ভাৱনাই আমাক কাহানিও আমনি কৰা নাছিল। ঈৰ্ষাপৰায়ণ জাতি-বিদ্বেষীও কৰি তোলা নাছিল।

আমাৰ দেশখনৰ ঐতিহ্য আৰু পৰম্পৰা সদায় উচ্চ বুলি প্ৰশংসিত হৈ আহিছে, সনাতন ধৰ্ম বুলিলে আমি যি বুজি পাওঁ, সেই ধৰ্মই সকলোকে সমদৃষ্টিৰে চাবলৈ শিক্ষা দি আহিছে। মানুহৰ উপৰি আমাৰ ধৰ্মই যিকোনো জীৱ-জন্তুকে পৰম ঈশ্বৰৰ অংশ ৰূপে জ্ঞান কৰিবলৈ সদুপদেশ দি আহিছে। এনেকুৱা সদুপদেশ অজস্ৰ আছে। সেইবোৰত কাৰো কোনো আপত্তিৰ স্থল নাছিল। আমাৰ দেশৰ সৰ্বসাধাৰণৰ শিক্ষানীতিক ধৰ্মই পৰিচালিত নকৰে, ইয়াক জ্ঞানেৰেহে পৰিপুষ্ট আৰু সংবেদনশীল কৰি ৰাখিছে। শিক্ষানীতিৰ ক্ষেত্ৰত কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ এশ শতাংশই মিল নাথাকিলেও কোনেও কাৰো কামত হস্তক্ষেপ কৰা নাছিল। ৰাজ্যসমূহে নিজৰ মতে পাঠ্যপুথিকে ধৰি কৰণীয়বোৰ কৰিছিল, তাত কেন্দ্ৰৰ কোনো আপত্তি বা হস্তক্ষেপ নাছিল। শেষৰ ফালে শিক্ষাজগতৰ মানদণ্ড উন্নত কৰাৰ স্বাৰ্থত ৰাজ্যসমূহে পাঠ্যপুথি প্ৰণয়নৰ ক্ষেত্ৰত কেন্দ্ৰৰ দৰেই পাঠ্যপুথিসমূহ প্ৰণয়ন কৰিছিল আৰু তাক বিদ্যালয়সমূহত শিক্ষাদানৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিছিল। সেই কামত সকলো স্তৰৰ মানুহ সন্তুষ্ট নহ'লেও বিতুষ্ট হৈ কোনো ধৰণৰ বিৰুদ্ধাচৰণ কৰা নাছিল; কিন্তু সেই দৃষ্টিকোণটো বৰ্তমান সলনি হোৱাৰ লক্ষণ দেখা গৈছে, ই অৱশ্যেই উন্নয়নৰ স্বাৰ্থত নহয়। হকে-বিহকে সভাই-সমিতিয়ে শিক্ষানীতি সলনি কৰাৰ কথা কোৱা হয়, এক দেশ, এক ভাষা আৰু এক ধৰ্মৰো কথা কোৱা হয়। এই ধৰণৰ কথা কোৱা মানুহবোৰে পূবৰ বেলিটো পশ্চিমত উদয় হোৱা চাবলৈ মন কৰা যেন লাগে।

এক দেশ বুলিলে তাত কাৰো কোনো ধৰণৰ ওজৰ-আপত্তি উঠাৰ প্ৰশ্নই নুঠে। ৰাজ্যসমূহ সুকীয়া সুকীয়া হ'লেও এখন জাতীয় পতাকাৰ তলত দেশখন যে এক তাক আমি জীৱন থকালৈকে মানিব লাগিব, মনা উচিত। নমনাবোৰক মানিবলৈ বাধ্য কৰিব লাগিব। দেশৰ একতা, নিৰাপত্তা, শান্তি আৰু সমন্বয়ৰ ক্ষেত্ৰত কেতিয়াও আপোচ কৰা নচলিব। এখন ৰাজ্যই এখন দেশ হ'ব নোৱাৰে। আমাৰ দেশত কোনোবাই তেনে কথা যদি কল্পনাও কৰিছে; তেওঁ মূৰ্খৰ স্বৰ্গত বাস কৰিছে। আমাৰ দেশৰ অখণ্ডতাৰ হকে আমি দেশবাসীয়ে পূৰ্বতে সংগ্ৰাম কৰিছো, কৰি আছো আৰু আগলৈও তেনে কৰি যাম। যি দেশে পূব-পশ্চিম, উত্তৰ-দক্ষিণ সকলো দিশতে ইতিমধ্যে অভূতপূৰ্ব সুৰক্ষাৰ দুৰ্গ নিৰ্মাণ কৰি সৰ্বক্ষণ দেশৰ নিৰাপত্তা নিৰীক্ষণ কৰি আছে, সেই দেশ কোনোবা দুষ্ট-দগাবাজৰ চালনাত বিভক্ত হ'বলৈ দিব নোৱাৰি। আজিৰ দিনত ভাৰতৰ অংগছেদ হ'বলৈ কোনেও নিদিয়ে, কোনোবাই দেশৰ ভিতৰৰ বা বাহিৰৰ পৰা তেনে অপকৰ্ম কৰিব খুজিলে তাৰ সমুচিত ফল মুহূৰ্ততে পাবলৈ সাজু হৈ থাকিব লাগিব। এতিয়া কোনেও ভুলতেও ভবা উচিত নহয়, দেশৰ স্বাৰ্থ বিঘ্নিত হোৱা কোনো কাম কৰি স্বাৰ্থ পূৰণ কৰিব পাৰিব। বিভীষণেই হওক বা ৰাৱণেই হওক, সেই কাম কোনেও কৰিবলৈ সাহস কৰা উচিত নহয়। যি দেশৰ জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে প্ৰতিজন নাগৰিক দেশৰ স্বাৰ্থত ডিঙি পাতি দিবলৈ সদা প্ৰস্তুত, সেই দেশৰ নগৰিকক কোনো 'গাদ্দাৰে' কোনো দিন সামান্যভাৱেও আহত কৰিব নোৱাৰে। দেশখনৰ ইতিহাসে কাহানিও নকয়, ইয়াৰ মাটি আৰু মানুহ সুকীয়া! দেশখনৰ ইতিহাসে এই কথাও নকয় দেশৰ নিৰাপত্তাজনিত কাৰণত মানুহ এক হোৱা নাই। বিপদৰ বেলা কোনেও দেশক প্ৰতাৰণা কৰা নাই, ব্যক্তিগত স্বাৰ্থকো আগ কৰা নাই। কোনোবা যদি বিপথে গৈছে, সি তুৰন্তে তাৰ প্ৰতিফল পাইছে। ধৃতৰাষ্ট্ৰৰ দৰে মোহান্ধ বা দুৰ্যোধনৰ দৰে দাম্ভিকৰ এই দেশত কোনো স্থান নাই। শকুনি, কৰ্ণৰো কাম নাই।

স্বাধীনতাৰ পাছত বিশাল দেশখনৰ যিটো নব্য-লৌহৰূপ প্ৰতিষ্ঠা হ'ল, সি কোনো অবিবেচকৰ হাতত কেতিয়াও ভূলুণ্ঠিত হ'ব নোৱাৰে। ক্ষণভংগুৰ মানুহে দেশখন নিজৰ মতে গঢ়িব নোৱাৰে, কিয়নো দেশ সকলোৰে উৰ্ধ্বত। দেশখন কোনো দল বা সংগঠন বিশেষৰ নহয়, দেশ সকলোৰে ওপৰত! এই বিশাল দেশখন কাৰো ইচ্ছামতে নচলিব, দেশ চলিব দেশৰ নাগৰিকৰ সুচিন্তিত সিদ্ধান্তৰ ওপৰত ভিত্তি কৰি। দেশৰ সুস্থিৰ-ব্যৱস্থাক ভেঙুচালি কৰি, হাঁহি-খিকিণ্ডালি কৰি তিলিকতে কোনেও উৰুৱাই দিব নোৱাৰে। দেশে তেনেবোৰ পৰীক্ষাৰ ইতিমধ্যে বহুবাৰ সন্মুখীন হৈ নিৰাপদে পাৰ হৈ আহিছে।

দেশৰ সকলো মানুহে ইতিহাস পঢ়ক। জানক, আমাৰ দেশখন আগতেনো কেনে আছিল। আৰ্য-অনাৰ্য আদি অজস্ৰ জাতিৰে ভৰা এই বিশাল দেশখন কিমান খণ্ডত বিভক্ত আছিল, জাত-পাত, সময়ৰ এন্ধাৰবোৰ কেতিয়াৰ পৰা আঁতৰি গ'ল, কেতিয়াৰ পৰা আমি এক ভাৰতীয় হ'লো, শক্তিশালী হ'লো— সেইবোৰ জানিবলৈকে বুৰঞ্জী অধ্যয়ন কৰা উচিত। সাধাৰণ এটা উদাহৰণ দিওঁ, অৰুণাচলৰ দৰে সৰু ৰাজ্য এখনতে প্ৰধান ২৬টা জনগোষ্ঠী আছে, তেওঁলোকৰ ২৬টা 'ভাষা' আছে, ফঁহিয়াই চালে আঠশ মান 'উপভাষা' আছে বুলি ভাষা গৱেষকসকলে কয়! গতিকে সমগ্ৰ ভাৰতবৰ্ষখন কেনে এখন দেশ হ'ব, কল্পনা কৰকচোন! ইয়াত কোনো এটা জাতি কোনো দিন অকলে অখণ্ড প্ৰতাপী নাছিল, কোনোবা ক'ৰবাত প্ৰবল প্ৰতাপী হৈছিল যদি 'সমন্বয় আৰু সম্প্ৰীতি'ৰেহে হৈছিল। সাংস্কৃতিক সভ্যতাৰ বিকাশ কি গতিত কেনেকৈ বাঢ়িছিল, সেই বিষয়েও অধ্যয়ন কৰক, মানুহে জানক। আজিৰ বহুতে ভবাৰ দৰে দেশখন কোনো দিন কোনো বিশেষ জাতি বা ধৰ্মৰ দ্বাৰা শাসিত হোৱা নাছিল। বিশাল দেশখন কোনো ৰজা বা সম্ৰাটেও নিজৰ দখলত ৰাখিব পৰা নাছিল। আনৰ কথানো কি কওঁ, অসম দেশখনেই কে'বাটাও ৰাজফৈদৰ দখলত আছিল। আহোম, চুতীয়া, কছাৰী আৰু কোচৰ উপৰি তাৰো আগতে প্ৰাচীন ৰজাসকলে সমগ্ৰ অসম নিজৰ এক শাসনৰ তলত ৰাখিব পৰা নাছিল। নৰক, বাণ, ভীষ্মক আদি যতবোৰ অতীতৰ ৰজা আছিল তেওঁলোকেও অঞ্চল বিশেষতহে শাসন কৰিছিল। সেই একেটা চৰিত্ৰই সমগ্ৰ দেশৰ সহস্ৰ ৰজাসকলৰ ক্ষেত্ৰতো প্ৰযোজ্য আছিল। ওফাইডাং মাৰি আমাৰ দেশখন কেৱল হিন্দুসকলৰ শাসনৰ তলত আছিল বুলি কোৱা কথাৰ কোনো অৰ্থ নাই। সভ্যতা কোনে কেনেকৈ গঢ়ি থৈ গৈছে, সেইবোৰ ইতিহাসত পঢ়ি চালেই হ'ল। এটা প্ৰৱন্ধতে সেই সকলোবোৰ কথা ক'ব নোৱাৰি। নিজৰ কথা কৈ থকা দস্তুৰটো মানুহৰ বেয়া স্বভাব, তাক পৰিহাৰ কৰি সত্যাশ্ৰয়ী হৈ সত্যৰ পূজাৰী হ'লে সকলোৱে পৰম শান্তি লাভ কৰিব পাৰিব। নিজৰ উপৰি আনৰো কিম্বা সু-গুণ থাকিলে তাক অকপটে স্বীকাৰ কৰিব লাগে। তেনে গুণেহে আমাক অধিক মহান কৰিব।

শিশু কালৰ পৰা সদায় সঁচা ক'বা, বৰক মান কৰিবা, ওচৰ চুবুৰীয়াক চেনেহ কৰিবা, সকলো ধৰ্মৰ মানুহ এক ঈশ্বৰৰ সন্তান, হিংসা-দ্বেষ পৰিত্যাগ কৰি মানুহ এক হ'বা, শত্ৰুকো বিপদত সহায়ৰ হাতখন আগবঢ়াবা, শিশু, বৃদ্ধ আৰু নাৰীক সন্মান কৰিবা, অসতৰ লগত নাথাকিবা- সাধু সংগ ল'বা আদি কথাবোৰত গুৰুত্ব দিলে পৃথিৱীখন শান্তিৰ স্থল নহৈ নাথাকে। ক্ষমতাত থকা মানুহে সেইবোৰ কথাৰ গভীৰলৈ গৈ সকলোৰে মংগল হ'ব পৰা কাম কৰিব লাগে। তাকে নকৰি পূৰ্বৰ পৰা চলি অহা পৰম্পৰাবোৰ ভৰিৰে গচকি নতুন সমাজ গঢ়িব নোৱাৰি। আমি সদায় মনত ৰাখিবলগীয়া কথাটো হ'ল, আগৰ দিনৰ ভাল কথাবোৰ এতিয়া কেৱল পুৰণি অচল-সাধুকথা হৈ পৰিব নোৱাৰে। সমাজ সংস্কাৰ কৰিবলৈ হ'লে জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সমাজৰ সকলো শ্ৰেণী মানুহক একেলগে লগত ৰাখিব লাগিব, পৰস্পৰক সন্মান কৰিব লাগিব। গত কেইদিনমান দিল্লীত যি হৈছে, সি কেতিয়াও সুখকৰ ঘটনা হ'ব নোৱাৰে, তেনে অশুভ ঘটনাবোৰ দেশে বাদ দিব লাগিব। তেহে দেশত শান্তিপ্ৰিয় সমাজ এখন গঢ় লৈ উঠিব।

*ফোন ঃ ৭০৮৬২ ১৭৪২৫*

## চাৰি মাহত দেশত নতুন অভিলেখ সৃষ্টি পাইকাৰী মুদ্ৰাস্ফীতিৰ হাৰৰ




**নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ এপ্ৰিল ঃ** প্ৰায় দুবছৰ ধৰি কৰ'নাৰ মাধমাৰ আৰু ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধৰ পৰিণতিত খাৰুৱা তেলৰ মূল্য অত্যধিক হৈছে। ফলত যথেষ্ট ক্ষতিৰ সন্মুখীন হ'ব লগা হৈছে দেশৰ অৰ্থনীতি। ইন্ধনৰ পৰা আৰম্ভ কৰি খাদ্য সামগ্ৰীলৈকে সকলোৰে অত্যধিক মূল্যবৃদ্ধি হৈছে। এনে পৰিস্থিতিতে দেশবাসীৰ উদ্বেগ বৃদ্ধিৰে যোৱা মাৰ্চত দেশৰ পাইকাৰী মুদ্ৰাস্ফীতিৰ হাৰ ১৪.৫৫ শতাংশলৈ বৃদ্ধি পালে। আজি পাইকাৰী মুদ্ৰাস্ফীতি সংক্ৰান্ত প্ৰতিবেদন প্ৰকাশ কৰিলে কেন্দ্ৰৰ চৰকাৰে। এই প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি, ২০২১ বৰ্ষৰ নৱেম্বৰৰ পৰা অৰ্থাৎ একেৰাহে ১২ মাহ দেশৰ পাইকাৰী মুদ্ৰাস্ফীতিৰ সূচক দুই অংকত আছে আৰু ই ভাৰতৰ অৰ্থনীতিৰ বাবে এক উদ্বেগৰ বিষয়। যোৱা নৱেম্বৰত ভাৰতৰ পাইকাৰী মুদ্ৰাস্ফীতিৰ হাৰ আছিল ১৪.৮৭ শতাংশ। অৱশ্যে যোৱা ফেব্ৰুৱাৰীত পাইকাৰী মুদ্ৰাস্ফীতিৰ হাৰ ১৩.১১ শতাংশলৈ হ্ৰাস পাইছে। স্মৰ্তব্য যে ২০২১ৰ মাৰ্চত দেশৰ পাইকাৰী মুদ্ৰাস্ফীতিৰ হাৰ আছিল ৭.৮৯ শতাংশ। বিগত চাৰি মাহত দেশৰ পাইকাৰী মুদ্ৰাস্ফীতিৰ হাৰে নতুন অভিলেখ ৰচনা কৰিলে। সম্প্ৰতি দেশত খুচুৰা মুদ্ৰাস্ফীতিৰ হাৰ হৈছে ৬.৯৫ শতাংশ।

## তলাবন্ধৰ প্ৰভাৱ ঃ চীনত বৃদ্ধি পাইছে নিবনুৱাৰ সংখ্যা



**নিউজ ব্যুৰ', বেইজিং, ১৮ এপ্ৰিল ঃ** চীনত কৰ'না মহামাৰীৰ আগমনৰ পাছত নিবনুৱাৰ সংখ্যা বৃদ্ধিয়ে শীৰ্ষত আৰোহণ কৰিলে। চীনত এফালে উপভোক্তাৰ ব্যয় ক্ৰমে হ্ৰাস পাবলৈ ধৰিছে। যোৱা মাহত দেশখনত নিবনুৱাৰ সংখ্যা ঊৰ্ধ্বমুখী হৈছিল। ক'ভিডৰ নতুন সংক্ৰমণৰ পৰিপ্ৰেক্ষিতত চীনৰ একাধিক চহৰত সম্প্ৰতি তলাবন্ধ বাহাল আছে। দেশখনত নতুনকৈ তলাবন্ধ আৰম্ভ হোৱাৰ পাছৰে পৰা চীনত নিবনুৱাৰ সংখ্যা বৃদ্ধি পাইছে। চীনৰ ৰাষ্ট্ৰীয় পৰিসংখ্যা ব্যুৰ'ৱে প্ৰকাশ কৰা তথ্য অনুসৰি এবছৰৰ পূৰ্বৰ তুলনাত যোৱা মাৰ্চত দেশখনত খুচুৰা বিক্ৰীৰ পৰিমাণ ৩.৫ শতাংশ হ্ৰাস পাইছিল। ইফালে, মে' ২০২০ৰ পৰা বৰ্তমানলৈকে চীনত নিবনুৱাৰ হাৰ ৫.৮ শতাংশ বৃদ্ধি পাইছে। ৰাছিয়া আৰু ইউক্ৰেইনৰ যুদ্ধৰ প্ৰভাৱ বিশ্বৰ দ্বিতীয় বৃহৎ অৰ্থনীতি হিচাপে পৰিচিত চীনতো ক্ৰমে স্পষ্ট হ'বলৈ ধৰিছে। যোৱা বছৰৰ তুলনাত চলিত বৰ্ষৰ প্ৰথম তিনিটা মাহত চীনৰ মুঠ ঘৰুৱা উৎপাদন (জি ডি পি) ৪.৮ শতাংশ বৃদ্ধি পাইছিল। কিন্তু শেহতীয়াভাৱে দেশখনত নতুনকৈ তলাবন্ধ হোৱাৰ ফলত অৰ্থনীতিৰ যথেষ্ট ক্ষতি হৈছে।

## ইৰানৰ ৰাষ্ট্ৰপতিৰ সকীয়নি ঃ বিষম পৰিণতিৰ সন্মুখীন হ'ব লাগিব ইজৰাইল



**নিউজ ব্যুৰ', ডুবাই, ১৮ এপ্ৰিল ঃ** ইৰান আৰু ইজৰাইলৰ মাজত সংঘাত অব্যাহত থকাৰ সময়তে আকৌ এবাৰ ইজৰাইলক ধমক দিলে ইৰানৰ ৰাষ্ট্ৰপতি ইব্ৰাহিম ৰাইছিয়ে। ইৰানৰ ৰাষ্ট্ৰপতিয়ে সকীয়নি দি কয় যে ইছলামিক গণৰাজ্যৰ বিৰুদ্ধে ইজৰাইলে সামান্য পদক্ষেপ গ্ৰহণ কৰিলে ইয়াৰ পৰিণতি অতি ভয়ানক হ'ব। আজি এক সামৰিক পেৰডত অংশ লোৱাৰ সময়ত ৰাইছিয়ে এইদৰে ইজৰাইলক ধমক দি কয় যে ইৰান বিৰোধী কাৰ্যকলাপত লিপ্ত হ'লে ইজৰাইলে বিষম পৰিণতিৰ সন্মুখীন হ'ব লাগিব। যোৱা বছৰৰ অন্তিম ভাগত ইজৰাইলৰ সংবাদ মাধ্যমত প্ৰকাশিত এক বাতৰিত উল্লেখ কৰা অনুসৰি ইজৰাইলে ইৰানৰ পৰমাণু কেন্দ্ৰৰ আক্ৰমণৰ বাবে ১.৫ বিলিয়ন ডলাৰৰ পুঁজিৰে এক প্ৰস্তুতি পৰ্ব আৰম্ভ কৰিছে। এই বাতৰি প্ৰকাশৰ পাছৰে পৰা ইৰান আৰু ইজৰাইলৰ মাজত সংঘাত অব্যাহত আছে।

## পেট্ৰ'ল, ডিজেল, গেছৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদত দিল্লীত দুদিনীয়া ধৰ্মঘট



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ এপ্ৰিল ঃ** পাঁচ ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ পাছৰে পৰা নতুনকৈ দেশজুৰি পেট্ৰ'ল আৰু ডিজেলৰ মূল্যবৃদ্ধি অব্যাহত আছে। পেট্ৰ'ল, ডিজেলৰ লগতে ঘৰুৱা আৰু বাণিজ্যিক ৰন্ধন গেছৰ মূল্যও যথেষ্ট বৃদ্ধি পাইছে। পেট্ৰ'ল, ডিজেল আৰু গেছৰ এই ব্যাপক মূল্যবৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিবলৈ আজিৰে পৰা দুদিনীয়া ধৰ্মঘট কাৰ্যসূচী আৰম্ভ কৰিলে দিল্লীৰ অট' আৰু টেক্সীচালকসকলে। হঠাতে এইদৰে অট' আৰু টেক্সীচালকে ধৰ্মঘট আৰম্ভ কৰা আজি সপ্তাহৰ প্ৰথম দিনটোতে যাতায়াতৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ল দিল্লীবাসী। ইন্ধনৰ ধাৰাবাহিক মূল্যবৃদ্ধিত অতিষ্ঠ একাধিক টেক্সী আৰু অট' ইউনিয়নে ইন্ধনৰ মূল্য হ্ৰাসৰ লগতে ভাড়াবৃদ্ধিৰ দাবীৰে ধৰ্মঘট কাৰ্যসূচী গ্ৰহণ কৰিছে। কাইলৈও ইউনিয়নে এই ধৰ্মঘট দেশৰ ৰাজধানী চহৰত অব্যাহত ৰাখিব।



## ইষ্টাৰৰ সপ্তাহত তিনিবাৰ বন্দুকধাৰীৰ আক্ৰমণ আমেৰিকাত

**নিউজ ব্যুৰ' পিটছবাৰ্গ, ১৮ এপ্ৰিল ঃ** পুনৰ বন্দুকধাৰীয়ে আক্ৰমণ সংঘটিত কৰিলে আমেৰিকাত। যোৱা সপ্তাহত তিনিবাৰকৈ সন্ত্ৰাসবাদীয়ে আমেৰিকাত গুলি আক্ৰমণৰ ঘটনা সংঘটিত কৰিলে। কালি পিটছবাৰ্গত এটা পাৰ্টিত বন্দুকধাৰীয়ে চলোৱা গুলিবৰ্ষণৰ ঘটনাত দুজন নাবালকে প্ৰাণ হেৰুৱালে। ছাউথ কেৰ'লাইনাৰ এখন নৈশ ক্লাবতো গুলিবৰ্ষণৰ ঘটনা সংঘটিত হৈছিল যদিও কোনো ব্যক্তিৰ মৃত্যু হোৱা নাই। উল্লেখ্য যে ইষ্টাৰৰ সপ্তাহতে মাৰ্কিন যুক্তৰাষ্ট্ৰত এইদৰে বন্দুকধাৰীয়ে আক্ৰমণ চলোৱাৰ পাছত আমেৰিকাৰ নিৰাপত্তাক লৈ প্ৰশ্ন উত্থাপিত হৈছে।

### পুনৰ দুহেজাৰৰ অধিক হ'ল দেশৰ দৈনিক ক'ভিড সংক্ৰমণ, ২৪ ঘণ্টাত মৃত্যু ২১৪ জন ৰোগীৰ

## চতুৰ্থ ঢৌৰ আগমন? এদিনতে দেশত ৯০ শতাংশ সংক্ৰমণ বৃদ্ধি

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৮ এপ্ৰিল ঃ** দেশবাসীৰ উদ্বেগ বৃদ্ধিৰে পুনৰ ক'ভিডত দৈনিক সংক্ৰমণ দুহেজাৰৰ অধিক হ'ল। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে প্ৰকাশ কৰা পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ভাৰতৰ বিভিন্ন ৰাজ্যত মুঠ ২,১৮৩ জন লোক ক'ভিডত আক্ৰান্ত হ'ল। দেওবাৰৰ তুলনাত ভাৰতত ক'ভিডৰ দৈনিক সংক্ৰমণ ৯০ শতাংশ বৃদ্ধি পালে। কালি দেশত কৰ'না আক্ৰান্তৰ সংখ্যা আছিল ১,১৫০ জন। নিশাটোৰ ভিতৰতে কৰ'নাৰ সংক্ৰমণ ৯০ শতাংশ বৃদ্ধি পোৱাৰ ফলত ভাৰতত ক'ভিডৰ চতুৰ্থ ঢৌৰ আগমন ঘটা বুলি বিশেষজ্ঞসকলে শংকা প্ৰকাশ কৰিছিল। উল্লেখ্য যে পূৰ্বে বিশেষজ্ঞসকলে পূৰ্বানুমানত প্ৰকাশ কৰা অনুসৰি দেশত মে'-জুনত ক'ভিডৰ সংক্ৰমণৰ চতুৰ্থ ঢৌৰ আগমন ঘটাৰ শংকা আছে।

এদিনতে ২,১৮৩ জন লোক কৰ'নাত সংক্ৰমিত হোৱাৰ বিপৰীতে যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণে ২১৪ জন লোকৰ প্ৰাণ কাঢ়িলে। মৃতকৰ এজন উত্তৰ প্ৰদেশৰ আৰু আন ২১৩ জন হৈছে কেৰালাৰ বাসিন্দা। ভাৰতত বৰ্তমানলৈকে ৪,৩০,৪৪,২৮০ জন লোক কৰ'নাত আক্ৰান্ত আৰু ৫,২১,৯৬৫ জন লোকৰ কৰ'নাত মৃত্যু হ'ল। এই মুহূৰ্তত দেশত সক্ৰিয় ক'ভিড ৰোগীৰ সংখ্যা হৈছে ১১,৫৪২ জন। ২০ ফেব্ৰুৱাৰীৰ পাছত দিল্লীত একেদিনাই ৫০০ৰ অধিক লোক কৰ'নাত সংক্ৰমিত হ'ল। পৰিসংখ্যা অনুসৰি সম্প্ৰতি দেশৰ ভিতৰতে সৰ্বাধিক ৯৪০ জন সক্ৰিয় ক'ভিড ৰোগী কেৰালাত আছে।



## নতুনকৈ তলাবন্ধৰ পাছত ছাংঘাইত ক'ভিডত মৃত্যু তিনিজনৰ, নৱজাতকো আক্ৰান্ত



**নিউজ ব্যুৰ', ছাংঘাই, ১৮ এপ্ৰিল ঃ** তলাবন্ধৰ পাছতো ক'ভিড পৰিস্থিতি নিয়ন্ত্ৰণলৈ অহা নাই ছাংঘাইত। কালি ছাংঘাইত ২২ হেজাৰৰো অধিক লোক কৰ'নাত সংক্ৰমিত হৈছিল। নতুনকৈ তলাবন্ধ ঘোষণা কৰাৰ পাছত এদিনতে ছাংঘাইত তিনিজন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। বিশেষজ্ঞসকলে প্ৰকাশ কৰা মতে অ'মিক্ৰন আৰু ডেল্টাৰ প্ৰজাতিৰ যৌথ সংক্ৰমণৰ সংখ্যা বৃদ্ধি পালেও মৃত্যুৰ হাৰ এতিয়াও অপেক্ষাকৃতভাৱে কম হৈ আছে। কিন্তু ছাংঘাইত কৰ'নাৰ সংক্ৰমণ যিদৰে বৃদ্ধি পাবলৈ ধৰিছে সেয়া সঁচাকৈয়ে উদ্বেগৰ কাৰণত পৰিণত হৈছে। ১০ দিনীয়া নৱজাতকৰ পৰা এশ বছৰীয়া বৃদ্ধলৈকে সকলো বয়সৰ লোক ছাংঘাইত ক'ভিডত সংক্ৰমিত হৈছে।

## কৰ'নাৰ মৃত্যুৰ সংখ্যা বিতৰ্কৰ মাজতে তিনিদিনীয়া ভাৰত ভ্ৰমণ হুৰ মুৰব্বীৰ

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৮ এপ্ৰিল ঃ** তিনিদিনীয়া ভ্ৰমণসূচীৰে আজি গুজৰাটত উপস্থিত হ'ল বিশ্ব স্বাস্থ্য সংস্থা (হু)ৰ মুৰব্বী টেড্ৰছ আধানম ঘেব্ৰেইছাছ। দেশত কৰ'নাত মৃতকৰ প্ৰকৃত সংখ্যাক লৈ বিতৰ্ক অব্যাহত থকাৰ সময়তে হুৰ মুৰব্বীয়ে ভ্ৰমণাৰ্থে ভাৰতত উপস্থিত হোৱাটো তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে। ভাৰত ভ্ৰমণকালত ঘেব্ৰেইছাছে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকো সাক্ষাৎ কৰিব। তদুপৰি হুৰ মুৰব্বীয়ে মোদীৰ স'তে জামনগৰত এক অনুষ্ঠানত অংশ লোৱাৰ কথা। জামনগৰত ঘেব্ৰেইছাছে 'হু গ্লবেল ট্ৰেডিচনেল মেডিচিন চেণ্টাৰ' এটাও মুকলি কৰিব।



## দ্বৈত নাগৰিকত্বৰ নিয়ম শিথিল বাংলাদেশত




**নিউজ ব্যুৰ', ঢাকা, ১৮ এপ্ৰিল ঃ** দ্বৈত নাগৰিকত্বৰ সন্দৰ্ভত নিয়ম-কানুন শিথিল কৰিলে বাংলাদেশ চৰকাৰে। যিসকল প্ৰবাসী বাংলাদেশী নাগৰিকে আমেৰিকা, ব্ৰিটেইন, কানাডা, অষ্ট্ৰেলিয়াসহ ইউৰোপ আৰু এছিয়াৰ বিভিন্ন দেশৰ নাগৰিকত্ব গ্ৰহণ কৰিছে, তেওঁলোকে নিজ দেশত ভোটদাতা হোৱাৰ ক্ষেত্ৰত দ্বৈত নাগৰিকত্বৰ বিষয়ত গৃহ মন্ত্ৰণালয়ৰ প্ৰমাণপত্ৰ গ্ৰহণৰ প্ৰয়োজন নহ'ব। সম্প্ৰতি বাংলাদেশৰ নিৰ্বাচন আয়োগৰ সচিবালয়ে এই তথ্য প্ৰকাশ কৰিছিল। উল্লেখ্য যে ইমানদিনে আন দেশৰ নাগৰিকত্ব গ্ৰহণ কৰা বাংলাদেশীসকলে দ্বৈত নাগৰিকত্ব গ্ৰহণৰ বাবে গৃহ মন্ত্ৰণালয়ৰ সুৰক্ষা সেৱা বিভাগৰ পৰা অনুমতি লোৱাটো বাধ্যতামূলক আছিল। বাংলাদেশ চৰকাৰৰ নতুন সিদ্ধান্তৰ ফলত প্ৰবাসী বাংলাদেশীসকল উপকৃত হ'ব। এই নিৰ্দেশনাৰ ফলত দ্বৈত নাগৰিকত্ব গ্ৰহণ কৰা বাংলাদেশীসকলে নিজ দেশত ভোটদান কৰাত কোনো বাধাৰ সন্মুখীন নহ'ব।

## কাশ্মীৰ সমস্যা সমাধানৰ বাৰ্তাৰে মোদীলৈ পত্ৰ পাকিস্তানৰ নতুন প্ৰধানমন্ত্ৰীৰ

**নিউজ ব্যুৰ', ইছলামাবাদ, ১৮ এপ্ৰিল ঃ** পাকিস্তানৰ প্ৰধানমন্ত্ৰীৰ পদত নিযুক্তি লাভৰ পাছতে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ এখন পত্ৰ লিখিলে শ্বাহবাজ শ্বৰীফে। এই পত্ৰৰ জৰিয়তে নৱ নিযুক্ত পাক প্ৰধানমন্ত্ৰীয়ে ভাৰত-পাকিস্তানৰ মাজত ইতিবাচক সম্পৰ্ক স্থাপনৰ আহ্বান জনালে। উল্লেখ্য যে ক্ষমতা লাভৰ পাছতে শ্বৰীফক ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে শুভেচ্ছা জ্ঞাপন কৰিছিল। মোদীৰ প্ৰতি ধন্যবাদ জ্ঞাপন কৰি পাক প্ৰধানমন্ত্ৰী শ্বৰীফে উক্ত পত্ৰ প্ৰেৰণ কৰিলে। পত্ৰত নৱ নিযুক্ত প্ৰধানমন্ত্ৰীজনে কাশ্মীৰ সমস্যাৰ প্ৰসংগও উল্লেখ কৰিছে। শ্বৰীফে পত্ৰত কয় যে ইছলামাবাদে সকলো সময়তে শান্তিপূৰ্ণ আৰু পাৰস্পৰিক সহযোগিতা ৰক্ষাত বিশ্বাস কৰে। স্মৰ্তব্য যে যোৱা শনিবাৰে পাকিস্তানৰ ২৩ সংখ্যক প্ৰধানমন্ত্ৰী হিচাপে শপত লৈছিল শ্বৰীফে। নৱ নিৰ্বাচিত প্ৰধানমন্ত্ৰীক মোদীয়ে শুভেচ্ছা জনাই এইদৰে কৈছিল, 'শুভেচ্ছা। শান্তি, সন্ত্ৰাসমুক্ত অঞ্চলৰ আশাত অপেক্ষাৰত ভাৰত।' মোদীৰ শুভেচ্ছাৰ উত্তৰ দি শ্বৰীফে পত্ৰত এইদৰে কয়, 'অভিনন্দন বাৰ্তাৰ বাবে আপোনাক ধন্যবাদ। পাকিস্তানে শান্তিপূৰ্ণ আৰু পাৰস্পৰিক সহযোগিতাৰ বন্ধনত বিশ্বাস কৰে। জম্মু আৰু কাশ্মীৰৰ দৰে জম্মুসহ অমীমাংসিত বিৰোধৰ শান্তিপূৰ্ণ নিষ্পত্তি অপৰিহাৰ্য। সন্ত্ৰাসবাদৰ বিৰুদ্ধে পাকিস্তানৰ সংগ্ৰামৰ কথা সকলোৱে জানে। এইবাৰ উভয় দেশৰ মাজত শান্তি আৰু সামাজিক-অৰ্থনৈতিক উন্নতিৰ দিশত মনোযোগ দিয়াৰ প্ৰয়োজন।'



## ক্ষমতাত বৰ্তি থাকিবলৈ ১৭ মন্ত্ৰীৰে কেবিনেট গঠন ৰাষ্ট্ৰপতি ৰাজাপক্ষেৰ



**নিউজ ব্যুৰ', কলম্বো, ১৮ এপ্ৰিল ঃ** শ্ৰীলংকাত ব্যাপক চৰকাৰ বিৰোধী বিক্ষোভ প্ৰদৰ্শন অব্যাহত থকাৰ মাজতে ৰাষ্ট্ৰপতি গোটাবায়া ৰাজাপক্ষেয়ে ১৭ জন নতুন মন্ত্ৰীক নিযুক্ত প্ৰদান কৰিলে। দীনেশ গুণৱৰ্ধনেক গৃহ, দুগলাচ দেৱেন্দ্ৰক মৎস্য আৰু নাচিৰ আহমেদক পৰিৱেশ মন্ত্ৰণালয়ৰ দায়িত্ব অৰ্পণ কৰা হৈছে। ৰাজাপক্ষেয়ে তেওঁৰ নতুন কেবিনেটত মন্ত্ৰিত্ব প্ৰদান কৰা সৰহ সংখ্যক সদস্যই হৈছে নতুন। ক্ষমতাত অটুট থাকিবলৈ ৰাজাপক্ষেয়ে এই নতুন কৌশল অৱলম্বন কৰিলে। অৱশ্যে এতিয়াও দেশখনত সহস্ৰাধিক লোকে ৰাজপথত চৰকাৰ বিৰোধী প্ৰতিবাদ অব্যাহত ৰখাৰ লগতে ৰাষ্ট্ৰপতি পদৰ পৰা ৰাজাপক্ষেৰ পদত্যাগৰ দাবীত অটল আছে।

## ২০১১-২০১৯ বৰ্ষত ভাৰতত অতি দৰিদ্ৰৰ সংখ্যা ১২.৩ শতাংশ হ্ৰাস

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ এপ্ৰিল ঃ** কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ জনমোহিনী নীতিৰ পৰিণতিত ভাৰতত ২০২১ বৰ্ষৰ পৰা ২০১৯ বৰ্ষৰ সময়ছোৱাত যথেষ্ট হ্ৰাস পালে অতি দৰিদ্ৰ লোকৰ সংখ্যা। বিশ্ববেংকৰ এক গৱেষণামূলক প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি উক্ত আঠ বৰ্ষত ভাৰতত দৰিদ্ৰ জনসংখ্যা ১২.৩ শতাংশ হ্ৰাস পালে। উক্ত গৱেষণাপত্ৰত গৱেষকে দাবী কৰা অনুসৰি ২০১১ৰ পৰা ২০১৯ৰ সময়ছোৱাত দেশৰ গ্ৰামাঞ্চলত অতি দৰিদ্ৰ বাসিন্দাৰ সংখ্যা চহৰৰ তুলনাত দ্ৰুত হাৰত হ্ৰাস পাইছিল। এই আঠ বছৰত গ্ৰামাঞ্চলত দৰিদ্ৰৰ হাৰ ১৪.৭ শতাংশ হ্ৰাস পাইছিল। ২০১১ বৰ্ষত ভাৰতৰ গ্ৰামাঞ্চলত অতি দৰিদ্ৰ জনসংখ্যা আছিল ২৬.৩ শতাংশ। ২০১৯ বৰ্ষত গ্ৰামাঞ্চলত অতি দৰিদ্ৰ জনসংখ্যা ১১.৬ শতাংশলৈ হ্ৰাস পালে।



একেদৰে দেশৰ চহৰাঞ্চলত ২০১১ বৰ্ষত দৰিদ্ৰৰ জনসংখ্যা আছিল ১৪.২ শতাংশ আৰু ২০১৯ বৰ্ষত চহৰ অঞ্চলত দৰিদ্ৰ লোকৰ সংখ্যা ৬.৩ শতাংশলৈ হ্ৰাস পায়। অৰ্থাৎ উক্ত আঠ বৰ্ষত চহৰ অঞ্চলত দৰিদ্ৰ জনসংখ্যা ৭.৯ শতাংশ হ্ৰাস পালে। সামগ্ৰিকভাৱে ২০১১ বৰ্ষত ভাৰতত অতি দৰিদ্ৰ জনসংখ্যাৰ হাৰ আছিল ২২.৫ শতাংশ আৰু ২০১৯ বৰ্ষত ভাৰতত অতি দৰিদ্ৰ জনসংখ্যা হাৰ ১০.২ শতাংশলৈ হ্ৰাস পায়। উল্লেখ্য যে কিছুদিন পূৰ্বে আন্তৰ্জাতিক মুদ্ৰানিধিয়ে এক গৱেষণাপত্ৰত দাবী কৰি কৈছিল যে ভাৰতত অতি দৰিদ্ৰ নাগৰিকৰ সংখ্যা অচিৰে শূন্য হোৱাৰ পথত। বিশ্ববেংকৰ প্ৰতিবেদনত লগতে উল্লেখ কৰা মতে, ২০১১-১৯ বৰ্ষৰ সময়ছোৱাত দেশৰ প্ৰান্তিক আৰু ক্ষুদ্ৰ কৃষকৰ উপাৰ্জন যথেষ্ট বৃদ্ধি পাইছে।

## শিশুক সেনা বাহিনীত ভৰ্তি কৰিছে ৰাছিয়াই ঃ চাঞ্চল্যকৰ অভিযোগ

**নিউজ ব্যুৰ', মস্কো, ১৮ এপ্ৰিল ঃ** ইউক্ৰেইনৰ বিৰুদ্ধে ৰাছিয়াই বিগত ৫০ দিন ধৰি যুদ্ধ অব্যাহত ৰাখিছে। কিন্তু এতিয়াও ৰুছ সেনাই ইউক্ৰেইনৰ ৰাজধানী কীভ দখল কৰিবলৈ সফল হোৱা নাই। এনে পৰিস্থিতিত কীভ দখল কৰিবলৈ অতি তৎপৰ হৈ উঠিছে ৰুছ সেনা। প্ৰকাশিত বাতৰি অনুসৰি ৰাছিয়া-ইউক্ৰেইনৰ যুঁজত উভয় পক্ষৰ কে'বা হেজাৰ সৈনিকৰ মৃত্যু হৈছে। ৰাছিয়াৰ কে'বা হেজাৰ সৈনিকে ইউক্ৰেইন দখল কৰিবলৈ গৈ প্ৰাণ হেৰুওৱা বুলিও বাতৰিত দাবী কৰা হৈছে। এনে পৰিস্থিতিত ৰাছিয়াই নতুনকৈ সেনা বাহিনীত সদস্য ভৰ্তি কৰোৱাৰ এক বাতৰি আন্তৰ্জাতিক সংবাদ মাধ্যমত প্ৰচাৰিত হৈছে। বিশেষকৈ ৰাছিয়াই ইউক্ৰেইন দখলৰ বাবে সেনা বাহিনীত শিশুক ভৰ্তি কৰোৱাৰ অভিযোগ উত্থাপিত হৈছে। একাধিক মানৱাধিকাৰ সংগঠনে এই বিষয়ত উদ্বেগ প্ৰকাশ কৰি জনোৱা অনুসৰি ৰাছিয়াই সাম্প্ৰতিক যুদ্ধৰ পৰিপ্ৰেক্ষিতত সেনা বাহিনীত ১৬ বছৰীয়া শিশুকো সৈনিক হিচাপে ভৰ্তি কৰিছে আৰু প্ৰয়োজনীয় সামৰিক প্ৰশিক্ষণ প্ৰদান কৰিছে। মানৱাধিকাৰ সংগঠনৰ অভিযোগ অনুসৰি ক্ৰেমলিনে ইউক্ৰেইন দখলৰ উদ্দেশ্যৰে সৈনিকৰ সংখ্যা বৃদ্ধি কৰিবলৈ কিশোৰ-কিশোৰীকো সেনা বাহিনীত অন্তৰ্ভুক্ত কৰিছে। ইউক্ৰেইনে অভিযোগ কৰা অনুসৰি ৰাছিয়াই এইদৰে নাবালকক সামৰিক বাহিনীত ভৰ্তি কৰি জেনেভা চুক্তিৰ উলংঘন কৰিছে। ইউক্ৰেইনে ৰাছিয়াৰ বিৰুদ্ধে উত্থাপিত এই অভিযোগৰ তদন্তৰো দাবী জনাইছে।



## সংক্ৰমণ বৃদ্ধি ঃ হংকঙলৈ সকলো বিমান সেৱা বাতিল এয়াৰ ইণ্ডিয়াৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ এপ্ৰিল ঃ** হংকঙত ক'ভিড পৰিস্থিতি অৱনমিত ঘটাৰ প্ৰতি লক্ষ্য ৰাখি এয়াৰ ইণ্ডিয়াই হংকঙৰ স'তে সকলো বিমান সেৱা বাতিল কৰিলে। ভাৰতৰ বিমান পৰিবহণ সংস্থাই এয়াৰ ইণ্ডিয়াই এক বিবৃতিত উল্লেখ কৰা অনুসৰি হংকঙৰ ক'ভিড পৰিস্থিতিৰ কথা লক্ষ্য ৰাখি ভাৰতে অহা ১৯ আৰু ২৩ এপ্ৰিলৰ হংকঙলৈ সকলো বিমানৰ অহা-যোৱা বন্ধ ৰখাৰ সিদ্ধান্ত লৈছে। হংকঙৰ নতুন ক'ভিড বিধি অনুসৰি ৪৮ ঘণ্টা পূৰ্বে ক'ভিড পৰীক্ষণৰ 'নিগেটিভ' প্ৰতিবেদন থাকিলেহে ভাৰতৰ পৰা যাত্ৰীয়ে হংকঙলৈ যাব পাৰিব।

## মাৰিউপ'ল ৰক্ষাৰ যুঁজ ইউক্ৰেইনৰ, পৰিস্থিতি পৰিদৰ্শনৰ বাবে বাইডেনক আহ্বান জেলেনস্কিৰ

**নিউজ ব্যুৰ', কীভ, ১৮ এপ্ৰিল ঃ** ৰাছিয়াই আত্মসমৰ্পণৰ বাবে বান্ধি দিয়া সময়সীমা কালি উকলিল। এনে পৰিস্থিতিতো পিছুৱাব বিচৰা নাই ইউক্ৰেইনৰ সেনা বাহিনীয়ে। এতিয়াও ইউক্ৰেইনৰ মাৰিউপ'ল চহৰ ৰুছ সেনাই দখল কৰিবলৈ সফল হোৱা নাই। মাৰিউপ'লত ৰাছিয়াই আক্ৰমণ অব্যাহত ৰখাৰ লগতে ইউক্ৰেইনৰ লিভিভ চহৰত পাঁচবাৰকৈ ক্ষেপণাস্ত্ৰৰ আক্ৰমণ সংঘটিত কৰিলে। কিন্তু ইয়াৰ পাছতো মাৰিউপ'লক ৰক্ষা কৰিবলৈ মৰণপণ যুঁজ অব্যাহত ৰাখিছে ইউক্ৰেইনৰ সেনা বাহিনীয়ে। এই পৰিস্থিতিৰ মাজতে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ জেলেনস্কিয়ে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনক ইউক্ৰেইনলৈ আহি পৰিস্থিতি পৰিদৰ্শন কৰিবলৈ আহ্বান জনালে। সম্প্ৰতি মাৰিউপ'ল ৰক্ষা কৰাৰ বাবে আঢ়ৈ হেজাৰ ইউক্ৰেইনৰ সেনা আৰু ৪০০ নাটো সেনাই যুঁজ অব্যাহত ৰাখিছে। অৱশ্যে ৰাছিয়াই দাবী কৰা অনুসৰি মাৰিউপ'ল দখল কৰা অভিযান প্ৰায় সম্পূৰ্ণ হৈছে। এটা তীখা প্ৰকল্পত আত্মগোপন কৰি থকা ইউক্ৰেইনৰ আঢ়ৈ হেজাৰ সেনাক পৰাভূত কৰিব পাৰিলেই মাৰিউপ'লৰ পতন ঘটিব বুলি ৰাছিয়াই দাবী কৰিছে। আজি ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি জেলেনস্কিয়ে আমেৰিকাৰ ৰাষ্ট্ৰপতি বাইডেনক অনুৰোধ জনাই কয় যে মাৰ্কিন ৰাষ্ট্ৰপতিয়ে ইউক্ৰেইনলৈ আহি পৰিস্থিতি পৰিদৰ্শন কৰা উচিত। জেলেনস্কিয়ে কয়, 'মই আশা কৰো বাইডেন আহিব।' অৱশ্যে মাৰ্কিন প্ৰশাসনে প্ৰকাশ কৰা অনুসৰি এনেধৰণৰ কোনো পৰিকল্পনা হোৱাইট হাউছে সম্প্ৰতি গ্ৰহণ কৰা নাই। বাইডেন নিজে ইউক্ৰেইনলৈ নগ'লেও আমেৰিকাই দেশখনলৈ মাৰ্কিন প্ৰতিনিধি প্ৰেৰণ কৰিব পাৰে বুলি হোৱাইট হাউছৰ সূত্ৰই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে। উল্লেখ্য যে কিছুদিন পূৰ্বে ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী বৰিছ জনছনে ইউক্ৰেইনলৈ গৈছিল।



## লখিমপুৰ খেৰিত পুনৰ বিধায়কৰ ষ্টিকাৰ লগোৱা গাড়ীৰ চেপাত মৃত্যু দুজনৰ



**নিউজ ব্যুৰ', লখিমপুৰ খেৰি, ১৮ এপ্ৰিল ঃ** আকৌ এবাৰ সংবাদ শিৰোনাম দখল কৰিলে উত্তৰ প্ৰদেশৰ লখিমপুৰ খেৰিয়ে। এইবাৰ বিধায়কৰ 'ষ্টিকাৰ' লগোৱা এখন গাড়ীয়ে মহতিয়াই নিলে মটৰ চাইকেল আৰোহী ভ্ৰাতৃক। উত্থাপিত অভিযোগ অনুসৰি দুৰ্ঘটনা সংঘটিত কৰা উক্ত গাড়ীখনৰ গৰাকী হৈছে স্থানীয় বিজেপিৰ বিধায়ক যোগেশ বৰ্মা। বিধায়কৰ গাড়ীৰ চেপাত ঘটনাস্থলীতে প্ৰাণ হেৰুৱালে দুই ভ্ৰাতৃয়ে। ঘটনাৰ সন্দৰ্ভত ইতিমধ্যে আৰক্ষীয়ে গাড়ীখন জব্দ কৰাৰ লগতে চালকক গ্ৰেপ্তাৰ কৰিছে।

### ■ প্ৰকৃত কৃষকে পোৱা নাই গুড়ৰ উচিত মূল্য ঃব্যৱস্থা গ্ৰহণৰ দাবী

# দেৰগাঁৱত ভেজাল গুড়ৰ ৰমৰমীয়া বেহা

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ১৮ এপ্ৰিল ঃ** এসময়ত সুস্বাদু গুড়ৰ বাবে বিখ্যাত দেৰগাঁৱৰ বজাৰত এতিয়া ভেজাল গুড়ৰ পয়োভৰ। দেৰগাঁও, মিছামৰা আৰু গুড় যোগনীয়া মৌজাত প্ৰচুৰ পৰিমাণে উৎপাদন হোৱা উৎকৃষ্ট কুঁহিয়াৰৰ পৰা তৈয়াৰ কৰা গুড়ৰ সোৱাদেই আছিল সুকীয়া। যি গুড়ে ৰাজ্যৰ বাহিৰে-ভিতৰে লাভ কৰিছিল ব্যাপক সমাদৰ। কিন্তু অঞ্চলটোত বান্দৰৰ অতিমাত্ৰা উপদ্ৰৱ আৰু বৰুৱবামুণগাঁও চেনিকলৰ অপমৃত্যুৰ পাছত অঞ্চলটোত কুঁহিয়াৰ খেতি নোহোৱা হ'ল। ফলত কলহে কলহে ঘৰৰ গুড় বিক্ৰী কৰি লাখ লাখ টকা উপাৰ্জন কৰা কৃষকেও এতিয়া বজাৰৰ গুড় ক্ৰয় কৰিবলগীয়া হৈছে। এই পৰিপ্ৰেক্ষিতত অঞ্চলটোৰ গুড়ৰ সুনামৰ সুযোগ লৈ একাংশ ব্যৱসায়ী নামি পৰিছে গুড়ৰ অসাধু ব্যৱসায়ত। দেৰগাঁৱৰ উত্তৰ দিশৰ ব্ৰহ্মপুত্ৰ অঞ্চলত বান্দৰৰ উপদ্ৰৱ কিছু কমি থকাত এই অঞ্চলত কিছু পৰিমাণে কুঁহিয়াৰ উৎপাদন নোহোৱা নহয়। কিন্তু গ্ৰাহক অনুপাতে সেয়া মুঠেই পৰ্যাপ্ত নহয়। এনে পৰিপ্ৰেক্ষিতত বাহিৰৰ পৰা অহা গুড় আৰু জীৱ-জন্তুৰ খাদ্য হিচাপে ব্যৱহাৰ কৰা লালী গুড়ৰ লগত চৰকাৰী বিনামূলীয়া চাউলৰ গুড়ী, আলু, আটা, চেনি আদি বিবিধ দ্ৰব্য মিহলাই একাংশ লোকে এক নতুন প্ৰকাৰৰ গুড় সৃষ্টি কৰিছে। যি গুড় দেখাত পূৰ্বৰ সুখ্যাতি থকা মিছামৰা বা গুড় যোগনীয়া মৌজাৰ গুৰতকৈ কোনোগুণে কম ধুনীয়া নহয়। সৰু সৰু বাটি আৰু কলৰ খোলত তৈয়াৰ কৰা এই গুড় দেখাত অধিকহে আকৰ্ষণীয়। এই গুৰ দেখিলে গ্ৰাহক ওচৰ চাপি অহাটো খুবেই স্বাভাৱিক। কিন্তু এয়া হৈছে ভেজাল। ব্যক্তিগত লাভালাভৰ স্বাৰ্থত একাংশ ব্যৱসায়ীয়ে মানুহৰ খাদ্যৰ বাবে অনুপযুক্ত গুড় তৈয়াৰ কৰি জীৱিকা নিৰ্বাহৰ পথ হিচাপে বাছি লৈ বাৰমাহে ব্যস্ত হৈ পৰিছে গুড় প্ৰস্তুত কৰ্মত। এই অসাধু ব্যৱসায়ৰ কথা ইতিমধ্যে চৰ্চা হৈ হৈছে যদিও প্ৰশাসন তথা বিভাগীয় কৰ্তৃপক্ষই কোনো গুৰুত্ব নিদিয়াত ব্যৱসায়টো দিনকদিনে সম্প্ৰসাৰিত হৈ গৈ আছে। উল্লেখ্য যে ব্ৰহ্মপুত্ৰ অঞ্চলৰ জৰাগুৰি চৰাইচাপৰি, এবানী চাপৰি, নাচনি পাৰ, গড়মৰা আদি গাঁওসমূহৰ একাংশ লোকে অতি কৌশলেৰে ৰাইজৰ চকুত ধূলি দি এই গুড় প্ৰস্তুত কৰাত ব্যস্ত হৈ পৰিছে। এই গুড়েই এতিয়া ভৰি পৰিছে দেৰগাঁৱৰ ৰঙালী বিহুৰ বজাৰ। স্বাস্থ্যৰ বাবে উপযোগী নহ'লেও ৰঙালীৰ বজাৰত ভেজাল গুড়ে লাভ কৰিছে ব্যাপক সমাদৰ। এই ক্ষেত্ৰত প্ৰকৃত গুড় প্ৰস্তুতকৰণৰ লগত জড়িত কৃষকসকল বঞ্চিত হৈ পৰিছে উচিত মূল্য পোৱাৰ পৰা। ব্ৰহ্মপুত্ৰৰ বানে প্ৰতিবছৰে তাণ্ডৱ সৃষ্টি কৰা উল্লিখিত গাঁওসমূহৰ উপৰি ৰৌমৰা, কৰৈগুৰি, চৰলাপাৰ, উজিৰআটি, চিকাৰী ঘাটৰ সমীপৱৰ্তী ফুৰফুৰীয়া, চৈধ্যঘৰীয়া, চকলা, বিলতীয়া, ভীমপৰা, শিৰিছটিকা আদি গাঁওসমূহৰ কৃষক সকলে কুঁহিয়াৰ খেতিকে মূল কৃষি হিচাপে লৈ জীৱন নিৰ্বাহ কৰি আছিল যদিও শেহতীয়াকৈ ভেজাল গুড়ৰ প্ৰভাৱত এইসকল খেতিয়কৰ আশাত চেঁচাপানী ঢলাৰ দৰে হৈ পৰিছে।

উল্লেখ্য যে এই অঞ্চলৰ গুড়ে দেৰগাঁৱৰ লগতে যোৰহাট, গোলাঘাট, শিৱসাগৰৰ লগতে বিভিন্ন বজাৰ দখল কৰিবলৈও সক্ষম হৈছিল। সচেতন ৰাইজে উচিত পদক্ষেপ লৈ প্ৰকৃত কৃষকসকলক উপকৃত কৰিবলৈ আহ্বান জনাইছে।



*নামৰূপত ধুমুহাত বিধ্বস্ত গৃহ, সোমবাৰে।*

## হাইস্কুল শিক্ষান্ত-উচ্চতৰ মাধ্যমিক পৰীক্ষাত অৱতীৰ্ণ শিক্ষাৰ্থীৰ বাবে কৰ্মশালা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ১৮ এপ্ৰিল ঃ** হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ শিক্ষাৰ্থীসকলে যাতে মহাবিদ্যালয় পৰ্যায়ত সফলভাৱে আগবাঢ়ি যাব পাৰে সেই উদ্দেশ্য আগত ৰাখি সদৌ যোৰহাট জিলা ছাত্ৰ সন্থা আৰু অভিজ্ঞান একাডেমীয়ে যৌথভাৱে এক বিনামূলীয়া কৰ্মশালা আজিৰ পৰা দুদিনিয়াকৈ অসম সাহিত্য সভাৰ ৰাধাকান্ত সন্দিকৈ ভৱনত অনুষ্ঠিত হৈছে। সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপ দত্তই আঁত ধৰা উদ্বোধনী অনুষ্ঠানৰ সভাপতিত্ব কৰে ভাৰপ্ৰাপ্ত সভাপতি সংকল্প গগৈয়ে। অনুষ্ঠানটোৰ উদ্বোধন কৰি শাংকৰ কৌশিক বৰুৱাই ছাত্ৰ সন্থা আৰু অভিজ্ঞান একাডেমীৰ এই শৈক্ষিক কৰ্মশালাৰ অনুষ্ঠিত কৰাৰ পদক্ষেপক প্ৰশংসা কৰে। লগতে তেওঁ মানৰ জীৱনৰ দুটা প্ৰয়োজনীয় বস্তু মানৱীয় গুণেৰে এটা জীৱন আৰু বৈষয়িক জীৱনৰ কথা উল্লেখ কৰে। উক্ত উদ্বোধনী অনুষ্ঠানত অভিজ্ঞান একাডেমীৰ সঞ্চালক দীপক বৰা, মনঃস্তাত্বিক পৰামৰ্শদাতা পৰশমণি বৰা, জিআইচিৰচিৰ সমন্বয়ক দিব্যজ্যোতি বৰা উপস্থিত থাকে। এইবাৰ ২০২২ বৰ্ষত হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ ছাত্ৰ- ছাত্ৰীসকলৰ বাবে মূল বিষয়বস্তু- আপুনি কেনে ধৰণৰ শিক্ষাৰ্থী, শক্তি, দুৰ্বলতা, সুযোগ আৰু সংশয় (এছডব্লিউঅ'টি) বিশ্লেষণ, লক্ষ্য নিৰ্ধাৰণ, শিকাৰ প্ৰকাৰ, স্কুল আৰু কলেজ কেনেকৈ বেলেগ, একাদশ আৰু দ্বাদশ শ্ৰেণী কিয় গুৰুত্বপূৰ্ণ, স্মৰণ চক্ৰ, টোকা লোৱাৰ কৌশল, আইকিউ, ইকিউ, এছকিউ আৰু একিউ, পঞ্চ ইন্দ্ৰিয়ৰ ব্যৱহাৰ, যৌৱন- মন আৰু শৰীৰৰ পৰিৱৰ্তন, দক্ষতা বিকাশৰ গুৰুত্ব আৰু জীৱন কৌশল আদি বিষয়ত অনুস্থিত কৰা এই কৰ্মশালাত দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। যোৰহাট জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি সংকল্প গগৈ আৰু সাধাৰণ সম্পাদক দীপ দত্তই কয়, ছাত্ৰ-ছাত্ৰীৰ সুৰক্ষিত শৈক্ষিক ভৱিষ্যত সুনিশ্চিত কৰাৰ স্বাৰ্থত সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা নীতিৰ আধাৰত সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাই নিৰন্তৰভাৱে ছাত্ৰ-ছাত্ৰীসকলৰ সুৰক্ষিত শৈক্ষিক ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি বিগত সময়ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতি চলাবৰ বাবে কৰ্মশালা, পুথিভঁৰাল স্থাপন, বে-চৰকাৰী নিয়োগ বিনিময় কেন্দ্ৰ, নিয়োগ মেলা, প্ৰতিভা সন্ধানী পৰীক্ষা আদি অনুষ্ঠিত কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যত সময়ত যাতে নিৰ্ভয়ে শিক্ষাৰ ক্ষেত্ৰত আহিব পৰা প্ৰতিটো প্ৰত্যাহ্বান হেলাৰঙে মোকাবিলা কৰিব পাৰে তাৰ বাবে ছাত্ৰ সন্থাই পদক্ষেপ গ্ৰহণ কৰি আহিছে।

## জ্যোতি বিদ্যাপীঠ-জাতীয় বিদ্যালয়ৰ সাজপাৰ পৰিধান

**অগ্ৰদূত বাৰ্তা**

**জাঁজী, ১৮ এপ্ৰিল ঃ** যোৰহাট জিলাৰ টীয়কৰ জ্যোতি বিদ্যাপীঠে আজি এক ব্যতিক্ৰমী পদক্ষেপেৰে বিদ্যালয় খোলাৰ প্ৰথম দিনটোত সকলো ছাত্ৰ-ছাত্ৰীক জাতীয় সাজ পৰিধান কৰাই বিহুৰ ঐতিহ্য আৰু পৰম্পৰা ধৰি ৰখাৰ প্ৰয়াস কৰে। প্ৰাৰ্থনা সভাতেই শিক্ষক-কৰ্মচাৰীৰ সেৱা লৈ নিজ নিজ শ্ৰেণীকোঠাত বহি পাঠদান আৰম্ভ কৰে। ছাত্ৰ-ছাত্ৰীসকলক সৰুৰে পৰা নিজৰ জাতীয় কৃষ্টি সংস্কৃতিৰ বিষয়ে অৱগত কৰি অনাগত দিনবোৰত অসমীয়াৰ স্বাভিমান আপোন বিহুটিক সকলোৰে হৃদয়ত উপলব্ধ কৰাৰ মানসেৰে আজি বিদ্যালয়ত এনে পৰিবেশৰ সৃষ্টি কৰা হৈছে বুলি মন্তব্য ৰছে বিদ্যালয়ৰ কৰ্তৃপক্ষই। ইপিনে, বিদ্যালয়ৰ প্ৰেক্ষাগৃহত ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-কৰ্মচাৰীসকলে একেলগে বিহুত অংশগ্ৰহণৰো ব্যৱস্থা কৰিছে। এই ক্ষেত্ৰত অভিভাৱকসকলেও পূৰ্ণ সমৰ্থন আগবঢ়াই অনাগত দিনতো এইদৰে ঐতিহ্য পৰম্পৰা ৰক্ষাৰ স্বাৰ্থত এনে আদৰণীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনাই বিদ্যালয় কৰ্তৃপক্ষক। ইপিনে, টীয়ক জাতীয় বিদ্যালয় আৰু জ্ঞানপীঠ একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী টীয়কত আজি ব'হাগ বিহুৰ উলাহ নামেৰে অনুষ্ঠিত হয়। প্ৰতিষ্ঠানৰ সচিব সৌৰভ বৰাই বন্তি প্ৰজ্বলনৰে আৰম্ভ কৰা অনুষ্ঠানত মুখ্য সঞ্চালক প্ৰদীপ চুতীয়াই বিহুৱান উন্মোচন কৰে।

ইয়াৰ পাছতে দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰস্তুত কৰা প্ৰাচীৰ পত্ৰিকা 'জোনাকী বিহু' সংখ্যা উন্মোচন কৰে অধ্যক্ষ ঋষেশ্বৰ শৰ্মা দেৱে। অৱসৰপ্ৰাপ্ত শিক্ষক বিনন্দ বৰুৱাক বিহুৱানেৰে উষ্ম আদৰণি জনোৱা হয়। তদুপৰি জ্ঞানপীঠ একাডেমীৰ পিতামহ স্বৰূপ ড° অকণ চন্দ্ৰ শইকীয়া আৰু দুলেশ্বৰ দাস দেৱক সন্মান জনাই অনুষ্ঠান এটি বিহু গীতেৰ উদ্বোধন কৰে ড° অকণ চন্দ্ৰ শইকীয়াই। কাৰ্যসুচীত সচিব সৌৰভ বৰাই বিশেষভাৱে সন্মান জনাই উপাধ্যক্ষ মনোজ বৰাক।

## টীয়কত পোহনীয়া কুকুৰ সহ নগদ ধন-অলংকাৰ চুৰি

**অগ্ৰদূত বাৰ্তা**


**টীয়ক, ১৮ এপ্ৰিল ঃ** টীয়কত পুনৰ সংঘটিত হ'ল চুৰি কাণ্ড। টীয়ক আৰক্ষী থানাৰ অন্তৰ্গত বিভিন্ন স্থানত যোৱা কে'বামাহো ধৰি এটি দুষ্টচক্ৰই চুৰিকাৰ্য সংঘটিত কৰি আহিছে। আজি পুৱাই জগদুৱাৰ তিনিআলিৰ সমীপৰ বিপ্লৱ বৰা নামৰ লোকজনৰ ঘৰত কোনো নথকাৰ সুযোগ লৈ নগদ ধনসহ আ-অলংকাৰ চুৰি কৰে।

ইফালে, গৃহস্থই ৰখীয়া হিচাপে ৰখা দুটা পোহনীয়া কুকুৰৰ এটা চুৰি কৰে। গৃহস্থই নগদ ধন আৰু আ-অলংকাৰতকৈ লাছুক বিচাৰি এতিয়া হাহাকাৰ লগাইছে। কৰ্মসূত্ৰে বৰা থাকে গুৱাহাটীত আৰু পত্নী পূৰবী শৰ্মা এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী। পত্নীয়ে বিদ্যালয়লৈ যোৱাৰ পাছতে চোৰে চুৰি কাৰ্য সংঘটিত কৰে।

## আজি মাহৰিআটি কমাৰচুকত ৰঙালী বিহু উৎসৱৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**


**বেবেজীয়া, ১৮ এপ্ৰিল ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ দাঁতিকাষৰীয়া মাহৰিআটি কমাৰচুক ৰঙালী বিহু উৎসৱ উদ্‌যাপন সমিতিৰ উদ্যোগত মাহৰিআটি কমাৰচুক প্ৰাথমিক বিদ্যালয় প্ৰাংগণত কাইলৈ দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে ত্ৰয়োদশ সংখ্যক বাৰ্ষিক ৰঙালী বিহু উৎসৱৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আয়োজক সমিতিৰ সম্পাদক মদন বৰদলৈয়ে জনোৱা মতে, কাইলৈ পুৱা সমাজকৰ্মী ধীৰেন বৰদলৈয়ে পতাকা উত্তোলন আৰু স্মৃতি তৰ্পণ কৰিব বসন্ত বৰদলৈয়ে। পৰম্পৰাগত বিভিন্ন ধৰণৰ খেল-ধেমালি, বিয়লি চিত্ৰাংকন প্ৰতিযোগিতা, সন্ধিয়া সম্বৰ্ধনা সভা আৰু বঁটা বিতৰণী অনুষ্ঠানৰ পাছতে বিহু মঞ্চ উদ্বোধন কৰিব নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। পৰৱৰ্তী সময়ত থুৰিয়া জেং বিহু দলৰ বিহু নৃত্য প্ৰদৰ্শন, সদৌ অসম ভিত্তিত বৰ বিহুৱতী, সৰু বিহুৱতী আৰু অসমীয়া গীতৰ একক আধুনিক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে লগতে জনাইছে।



*বাইহাটা চাৰিআলিত ধুমুহাত বিধ্বস্ত ৰঙালী বিহুৰ মঞ্চ।*

## অৱসৰী শিক্ষক-ক্ৰীড়াবিদৰ মৃত্যুত মঙলদৈত শোক

**অগ্ৰদূত বাৰ্তা**



**মঙলদৈ, ১৮ এপ্ৰিল ঃ** ৰঙামাটি পাব্লিক উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক লোহিত কলিতা (৮৫)ৰ যোৱা ১৫ এপ্ৰিলত বিয়লি চাৰি বজাত নিজা বাসগৃহত মৃত্যু হয়। তেওঁ মঙলদৈ টাউন ক্লাব, মিলিজুলি মইনা পাৰিজাত, অন্নপূৰ্ণা উন্নয়ন সংস্থা আদিৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থাকি ক্ৰীড়া জগতত সক্ৰিয় অৱদান আগবঢ়াইছিল। অসমৰ আগশাৰীৰ ফুটবল দলৰ লগত অসম আৰু বৰ্তমানৰ মেঘালয়ৰ বিভিন্ন ঠাইত অংশগ্ৰহণেৰে উচ্চমানৰ খেল প্ৰদৰ্শন কৰি মঙলদৈবাসী ৰাইজক গৌৰৱান্বিত কৰিছিল। মৃত্যুৰ সময়ত পত্নীৰ উপৰি পুত্ৰ, চাৰিগৰাকী কন্যা এৰি যায়। তেওঁৰ মৃত্যুত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

## বেজেৰাত শ্ৰীশ্ৰী কৃষ্ণ মন্দিৰৰ দ্বাৰ মুকলি

**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ১৮ এপ্ৰিল ঃ** কামৰূপ জিলাৰ বেজেৰাত শ্ৰীশ্ৰী কৃষ্ণ মন্দিৰৰ আনহাতে, মুকলি কৰা হয়। মন্দিৰৰদ্বাৰা শুভ উদ্বোধন কৰে বিশিষ্ট অভিনেত্ৰী, প্ৰযোজিকা ৰূপা বৰকটকী চৌধুৰীয়ে। দিনৰ প্ৰায় ১২ বজাত মন্দিৰৰ দ্বাৰ মুকলি কৰি ৰূপা বৰকটকী চৌধুৰীয়ে মন্দিৰৰ ভূমিদাতা প্ৰয়াত ভুৱন চৌধুৰীৰ পৰিয়ালটোৰ শলাগ লয়। মন্দিৰৰ দ্বাৰ মুকলি অনুষ্ঠানটো পৰিচালনা কৰে স্থানীয় গাঁওবুঢ়া দণ্ডধৰ ভূঞাই।

## বৰখণ্ডীয়াত অনুজ সাহিত্য-সংস্কৃতি গোষ্ঠীৰ মুকলি বিহু, উদয়ন উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**পশ্চিম যোৰহাট, ১৮ এপ্ৰিলঃ** পশ্চিম যোৰহাটৰ বৰখণ্ডীয়া গাঁৱত অনুজ সাহিত্য সংস্কৃতি গোষ্ঠীয়ে কমল নেওগ সোঁৱৰণী মঞ্চত কালি মুকলি বিহু অনুষ্ঠিত হয়। অনুজৰ মুখপত্ৰ উদয়নৰ দ্বিতীয় সংখ্যা উন্মোচন কৰে ডাঃ গোলাপ ডেকাই। আনহাতে, শীৰ্ষ গীতৰ আৰম্ভ কৰে শিল্পী জয়ন্ত নাথে। গাঁওখনৰ ২০ গৰাকীৰো অধিক পুৰুষ-মহিলাক বিহুৰ বস্ত্ৰ প্ৰদানৰ লগতে ভবেন তামুলী, ৰঞ্জিত কাকতি, জুনু বৰা, ৰমেন শইকীয়া, প্ৰদীপ হাজৰিকাক সম্বৰ্ধনা জনোৱা হয়। লগতে যোৰহাট আৰু উপকণ্ঠৰ ২০ গৰাকীৰো অধিক সাংবাদিকক বিহুৰ ওলগ জনায়। উক্ত অনুষ্ঠানটোৰ আঁত ধৰে মৃদুল হাজৰিকা আৰু দেৱজিৎ বৰাই। অনুষ্ঠানত উপস্থিত থাকে বিতুপন নেওগ, ধ্ৰুৱজ্যোতি বৰা, গোপাল বৰা, সুহিদ শইকীয়া, জয়ন্ত নেওগ, বিনন্দ নেওগ, হেমন্ত কুমাৰ বৰা, ভাস্কৰ বৰা, তৰুণ নেওগ, হেমন্ত নেওগ, অৰুণ বৰা, অৰূপ হাজৰিকা, সমীৰণ বৰা, মৃদুল বৰা, কৃষ্ণজ্যোতি বৰা, ৰাজীৱ বৰা, পবিত্ৰ হাজৰিকা, কৃষ্ণ বৰা, মনোজ বৰা, দীপাংকৰ বৰা, ধ্ৰুৱজ্যোতি বৰা আৰু ৰাজু হাজৰিকা আদি।

## আগিয়াত ৰঙালী বিহু উৎসৱৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**আগিয়া, ১৮ এপ্ৰিল ঃ** গোৱালপাৰা জিলাৰ আগিয়া আঞ্চলিক ৰঙালী বিহু উৎসৱ উদ্‌যাপন সমিতিয়ে কালি আগিয়া জেএনএম উচ্চতৰ মাধ্যমিক খেলপথাৰত দিনজোৰা কাৰ্যসূচীৰে ৫৫ সংখ্যক বাৰ্ষিক ৰঙালী বিহু উৎসৱ উদ্‌যাপন কৰিবলৈ আয়োজন কৰা হৈছে। বিহুৰ কাৰ্যসূচী অনুসৰি পুৱা পাঁচ বজাত মাৰাথান দৌৰ প্ৰতিযোগিতা, পুৱা ন বজাত বিহুৰ পতাকা উত্তোলন কৰিব উদ্‌যাপন সমিতিৰ সভাপতি হৰেণ ৰায়ে। আনহাতে পুৱা ৯-৩০ বজাত ছহিদ তৰ্পন কৰিব উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি প্ৰতাপ দাসে, পুৱা ৯-৪৫ বজাত স্মৃতি তৰ্পন কৰিব আগিয়া যোগেন্দ্ৰ নাথ মেম'ৰিয়েল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ আব্দুল হকে। তদুপৰি পুৱা ১০-৩০ বজাৰ পৰা অনুষ্ঠিত হ'ব সাহিত্য আৰু খেল-ধেমালী প্ৰতিযোগিতা। আবেলি তিনি বজাৰ পৰা অনুষ্ঠিত হ'ব আকৰ্ষণীয় মুকলি বিহু প্ৰতিযোগিতা। মুকলি বিহু প্ৰতিযোগিতা উদ্বোধন কৰিব ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা। নিশা ন বজাৰ পৰা অনুষ্ঠিতব্য হ'বলগীয়া আমন্ত্ৰীত শিল্পীৰ দ্বাৰা সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ উদ্বোধন কৰিব সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি দিপাংক নাথে।

## জয়পুৰ শাখা ছাত্ৰ সন্থাৰ উদ্যোগত জয়পুৰত মুকলি বিহু



**অগ্ৰদূত বাৰ্তা**

**নাহৰকটীয়া, ১৮ এপ্ৰিল ঃ** জয়পুৰ শাখা ছাত্ৰ সন্থাৰ উদ্যোগত আৰু জয়পুৰবাসী ৰাইজৰ সহযোগত কালি জয়পুৰ ৰাজহুৱা খেলপথাৰত পঞ্চম বাৰ্ষিক মুকলি বিহুখন অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি পুৱা সদৌ অসম ছাত্ৰ সন্থাৰ পতাকা উত্তোলন কৰে জয়পুৰ শাখা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি অজয় বসুমতাৰীয়ে, বিহু পতাকা উত্তোলন কৰে জয়পুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা ৰুণু বুঢ়াগোহাঞিয়ে। আনহাতে, ছহিদ তৰ্পণ কৰে জয়পুৰ শাখা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক চাহিল ৰহমানে। ইয়াৰ পাছতেই জয়পুৰ শাখা ছাত্ৰ সন্থাৰ অঞ্চলটোৰ বয়োজ্যেষ্ঠসকলৰ প্ৰতি সেৱা আৰু শ্ৰদ্ধা অনুষ্ঠান অনুষ্ঠিত হয়। বিহুৰ বাকৰি মুকলি কৰে সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ সভাপতি বুলবুল দত্তই। উক্ত মুকলি বিহুখনত চেমনীয়া, যুৱক হুঁচৰি, বোৱাৰী জেং বিহু, যুৱতী জেং বিহু আদি সৰ্বমুঠ ২২ টা দলে অংশগ্ৰহণ কৰি হুঁচৰি, জেং বিহু আদি প্ৰদৰ্শন কৰে। উক্ত মুকলি বিহু অনুষ্ঠানত আছুৰ সাধাৰণ সম্পাদক শংকৰ জ্যোতি বৰুৱাৰ লগতে বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে আছুৰ সাংস্কৃতিক সম্পাদক তচেন ডেকা, আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ডেভিদ হাজৰিকা, অংকুৰ প্ৰতিম গগৈ, সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অৱনী কুমাৰ গগৈ, জয়পুৰ উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া ৰঞ্জিত বুঢ়াগোহাঁই, জয়পুৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অজিত কুমাৰ ৰয়, সদৌ ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি জয়ন্ত কোঁৱৰ, কাৰ্যনিৰ্বাহক ৰূপজ্যোতি কোঁৱৰ, নাহৰকটীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ঋতুপৰ্ণ গগৈ, সম্পাদক প্ৰাঞ্জল প্ৰতিম গগৈ, ছহিদ পূৰ্ণকান্ত নিৰ্মলীয়াৰ ভ্ৰাতৃ বিনন্দ নিৰ্মলীয়া, নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ৰমেশ নাহৰডেকা, জয়পুৰ মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক পদ্ম বৰকাকতি আদি।

## শালবাৰীৰ নিমুৱাত বিষুৱা উৎসৱৰ সামৰণি



**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ১৮ এপ্ৰিল ঃ** সদৌ নিমুৱা আঞ্চলিক কোচ ৰাজবংশী ছাত্ৰ সন্থা আৰু কোচ ৰাজবংশী মহিলা সমিতিৰ উদ্যোগত সদৌ বাগ্‌সা জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সহযোগত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত বিষুৱা উৎসৱৰ যোৱা নিশা সাংস্কৃতিক সন্ধিয়াৰ কাৰ্যসূচীৰে সামৰণি পৰে। বাগ্‌সা জিলাৰ দক্ষিণ ডুমুৰুগুৰীৰ চিলাৰায় বাখৰাত বিষুৱা ৎসৱৰ সাংস্কৃতিক সন্ধিয়া মুকলি কৰে বিটিআৰৰ কাৰ্যবাহী সদস্য তথা মথনগুৰি সমষ্টিৰ এমচিএলএ গৌতম দাসে। সাংস্কৃতিক সন্ধিয়া মুকলি কৰি কাৰ্যবাহী সদস্য দাসে কয় যে অসমত বসবাস কৰা সকলো জাতি-জনগোষ্ঠীয়েই খেতিৰ লগত জডিড়ত ৰঙালী বিহুক বিভিন্ন নামেৰে উদ্‌যাপন কৰে। বাগ্‌সা জিলাৰ শালবাৰীৰ নিমুৱাতো সদৌ নিমুৱা আঞ্চলিক কোচ ৰাজবংশী ছাত্ৰ সন্থা আৰু বাগ্‌সা জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাই এই বিষুৱা উৎসৱ উদ্‌যাপন কৰিছে। আমি এই কৃষিকাৰ্যৰ লগত সংগতি ৰাখি উদ্‌যাপন কৰা বিহু অথবা বিষুৱা উৎসৱে আমাৰ মাজত ভ্ৰাতৃত্ববোধ সুদৃঢ় কৰি ৰাখিব বুলি আশা কৰিছো। আনহাতে, বিষুৱা উৎসৱত কমতাপুৰ স্বায়ত্ত পৰিষদৰ কাৰ্যবাহী সদস্য গকুল বৰ্মনে কয় যে ছয় জনগোষ্ঠীৰ জনজাতিকৰণ হ'ব। অসম চৰকাৰৰ লগত আলোচনা চলি আছে। অসমৰ মুখ্যমন্ত্ৰী য়ে আমাক আশ্বাস দিছে। এই উৎসৱৰ পৰা আলফালৈ অনুৰোধ জনাই আলফাক তেওঁ আলোচনাৰ মাজলৈ আহিবলৈ অনুৰোধ জনায়। তেওঁ কয় যে বৰ্তমান অসমৰ মুখ্যমন্ত্ৰীয়ে ভাল পদক্ষেপ লৈ আছে। কেএলঅ' মূলসুঁতিলৈ আহিব লাগে বুলিও মন্তব্য কৰে আক্ৰাছুৰ নেতাজনে। বিষুৱা উৎসৱৰ স'তে সংগতি ৰাখি উদ্‌যাপন সমিতিৰ সভাপতি প্ৰণৱজ্যোতি বৰ্মনৰ সভাপতিত্বত এখন মুকলি সভাত অনুষ্ঠিত হয়। অনুষ্ঠানত কে'বাগৰাকীও ছাত্ৰ নেতা আৰু বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

## 'নৃসিংহ অৱতাৰ' নাট ভাওনা প্ৰতিযোগিতাত কেন্দ্ৰীয় সাংস্কৃতিক যুৱ সংঘ

**অগ্ৰদূত বাৰ্তা**

**কাকজান, ১৮ এপ্ৰিল ঃ** বৃন্দাৱন নাট্যগোষ্ঠী যোৰহাট-১ৰ উদ্যোগত অনুষ্ঠিত সদৌ অসম ভিত্তিত একক নাট 'নৃসিংহ অৱতাৰ' ভাওনা প্ৰতিযোগিতাত মহাপুৰুষীয়া আদৰ্শৰে অনুপ্ৰাণিত অসমৰ এটি আগশাৰীৰ সাংস্কৃতিক অনুষ্ঠান কেন্দ্ৰীয় সাংস্কৃতিক যুৱ সংঘ টীয়কে শ্ৰেষ্ঠত্ব সন্মান অৰ্জন কৰে। অসমৰ বিভিন্ন জিলাৰ ১৬টা নাট্যদলৰ মাজৰ পৰা 'নৃসিংহ অৱতাৰ' নাটভাগিত সাতটিকৈ একক পুৰস্কাৰ লাভ কৰি শ্ৰেষ্ঠ নাট্যদলৰ সন্মান লাভ কৰাৰ সমান্তৰালভাৱে টীয়কৰ উদীয়মান যুৱ পৰিচালক বিমান শইকীয়াই লাভ কৰে শ্ৰেষ্ঠ পৰিয়ালকৰ সন্মান। নাট্য দলটোৰ হৈ বিজয় চৰিত্ৰত ত্ৰিদিবলোচন বৰা, ইন্দ্ৰৰ চৰিত্ৰত পল্লৱ বৰা, পৱনৰ চৰিত্ৰত দিগন্ত কিশোৰ শইখীয়া, হিৰণ্যক্ষৰ চৰিত্ৰত বিতুপন দত্ত, কয়াধুৰ চৰিত্ৰত নিৰঞ্জন হাজৰিকা আৰু প্ৰহ্লাদৰ চৰিত্ৰত মৃদুপৱন বৰাই শ্ৰেষ্টত্ব সন্মান লাভ কৰিবলৈ সক্ষম হয়।

## ডিমৌ-ৰাইদংগীয়া-ক্ষেত্ৰীগাঁও হৈ গজপুৰীয়া সংযোগী পথৰ বিধ্বস্ত ৰূপ

### ■ বাৰম্বাৰ মেৰামতিৰ দাবী সত্ত্বেও মনোযোগ নাই বিভাগীয় কৰ্তৃপক্ষৰ

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ১৮ এপ্ৰিল ঃ** লোক নিৰ্মাণ গড়কাপ্টানী বিভাগৰ নগাঁও গ্ৰাম্য পথ সংমণ্ডলৰ অন্তৰ্গত বটদ্ৰৱা উপ- সংমণ্ডলৰ অধীনৰ ডিমৌ-ৰাইদংগীয়া গড়কাপ্টানী পথৰ পৰা ক্ষেত্ৰীগাঁও হৈ গজপুৰীয়া গাঁও সংযোগী পথছোৱা বিধ্বস্ত হৈ পৰিছে। বটদ্ৰৱা বিধানসভা সমষ্টিৰ অন্তৰ্গত পূৱ হাতীচোং অঞ্চলৰ একাংশ গঞা ৰাইজে নগাঁও চহৰকে ধৰি বিভিন্ন ঠাইলৈ বুলি দৈনিক অহা-যোৱা কৰা অন্যতম গুৰুত্বপূৰ্ণ এই পথছোৱাৰ ভালেমান ঠাইত এতিয়া পথৰ বিধ্বস্ত ৰূপৰ বাবে যাতায়াতৰ ক্ষেত্ৰত সুদীৰ্ঘ দিন ধৰি সমস্যাত পৰিছে। সাত-আঠ বছৰৰ পূৰ্বে পকীকৰণ কৰা এই পথছোৱাৰ ঠাই বিশেষে তৰপে তৰপে আলকাতৰা এৰাই যোৱাত গাঁতৰ সৃষ্টি হৈছে সেই ভগ্ন প্ৰায় ঠাইসমূহত পৰি পথচাৰী আঘাতপ্ৰাপ্ত



হ'বলগীয়া হোৱাৰ লগতে সঘনাই সৰু-বৰ দুৰ্ঘটনাও সংঘটিত হৈ আহিছে। কিছু বছৰৰ পূৰ্বে প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা আঁচনিৰ অধীনত পকীকৰণ কৰা এই পথটো আজি দীৰ্ঘদিন ধৰি কোনো মেৰামতি নোহোৱাৰ বাবে ভগ্ন প্ৰায় পথত সামান্য এজাক বৰষুণতে ঠাই বিশেষে বৰষুণৰ পানী জমা হোৱাৰ ফলত পথছোৱাৰে যাতায়াত কৰা লোকসকল দুৰ্যোগৰ সন্মুখীন হৈছে। সেয়ে উক্ত পথছোৱাৰে যাতায়াত কৰা লোকসকলে বাৰিষাৰ আগতেই গ্ৰামাঞ্চলটোৰ এই গুৰুত্বপূৰ্ণ পথছোৱা সাধাৰণ ৰাইজৰ সুবিধাৰ বাবে মেৰামতি কৰি দিবলৈ লোকনিৰ্মাণ বিভাগৰ নগাঁও গ্ৰাম্য পথ সংমণ্ডলৰ বিষয়া-অভিযন্তাসকলক ইতিপূৰ্বে দাবী জনাইছিল যদিও এই পৰ্যন্ত তেওঁলোকে বিশেষ গুৰুত্ব প্ৰদান কৰা নাই। যাৰ ফলত এতিয়া ৰাইজ আৰু অধিক সমস্যাৰ সন্মুখীন হৈছে। ইপিনে, স্থানীয় বিধায়িকাগৰাকীয়ে এই দিশত সাধাৰণ ৰাইজৰ সুবিধাৰ বাবে শীঘ্ৰে সময়োপযোগী পদক্ষেপ লʼব বুলি গ্ৰামাঞ্চলটোৰ অন্যতম অগ্ৰণী অনুষ্ঠান 'ক্ৰিয়েশ্বন'ৰ সমন্বয়ক চেনাৰাম হাজৰিকাকে ধৰি বিভিন্নজনে আশা কৰিছিল যদিও বিধায়িকাগৰাকীয়ে বিষয়টোত গুৰুত্ব দিয়া নাই বুলি অভিযোগ কৰে।

## নাজিৰাত নাট্য সন্ধিয়া

**অগ্ৰদূত বাৰ্তা**

**নাজিৰা, ১৮ এপ্ৰিল ঃ** নাজিৰাৰ অন্যতম স্বেচ্ছাসেৱী অনুষ্ঠান প্ৰৱাহ আৰু সমন্বয়ৰ উদ্যোগত তথা নাজিৰা নাট্য সমিতিৰ সহযোগত নাজিৰাত অহা ১৯ আৰু ২০ এপ্ৰিলত নাট্য সন্ধিয়াৰ আয়োজন কৰা হৈছে। সেই অনুসৰি নাজিৰা নাট্য মন্দিৰত ১৯ এপ্ৰিলত মঞ্চস্থ হ'ব ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ সাধু লটকনৰ আধাৰত নাট্যকাৰ দেৱব্ৰত মহন্তৰ নাট্যৰূপ 'লটকন কিয় কৰ এনেখন'। দিগন্ত বৰগোহাঁই আৰু কুমুদ কলিতাৰ দ্বাৰা পৰিচালিত নাটখনত নাজিৰাৰ প্ৰায় ২০ৰো অধিক শিশুৱে অংশগ্ৰহণ কৰিব। ইফালে, ২০ এপ্ৰিলত মঞ্চস্থ হ'ব নাট্যকাৰ দেৱব্ৰত বৰঠাকুৰৰ বহুচৰ্চিত নাট 'আৰক্ষী চকী'। প্ৰবীণ নাট্যকৰ্মী ধীৰু ভূঞাৰ পৰিচালনাৰে মঞ্চস্থ হ'ব লগা নাটখনত নাজিৰা মহকুমাধিপতি সব্যসাচী কাশ্যপৰ লগতে নাজিৰাৰ আন কে'বাজনো নবীন-প্ৰবীণ নাট্যকৰ্মীয়ে অভিনয় কৰিব। দুয়োদিনৰ নাট্য সন্ধিয়াত নাজিৰাবাসী ৰাইজৰ উপস্থিতি তথা সহযোগিতা কামনা কৰিছে উদ্যোক্তাসকলে।

# চাৰি শতাধিক নাচনী-ঢুলীয়াই কঁপালে বড়মপুৰ খেলপথাৰ

## বড়মপুৰত 'অসম উৎসৱ'ৰ সমাপ্তি



**বিশেষ সংবাদদাতা**

**নগাঁও, ১৮ এপ্ৰিল :** বৃহত্তৰ বড়মপুৰ ৰঙালী বিহু উৎসৱ উদ্‌যাপন সমিতিৰ ব্যৱস্থাপনাত যোৱা ১৬ এপ্ৰিলৰ পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে বড়মপুৰ ৰাজহুৱা খেলপথাৰত অনুষ্ঠিত হোৱা 'অসম উৎসৱ' আজি সামৰণি পৰে। বিগত তিনিদিন ধৰি হৈ থকা ঢোল, পেঁপা, গগনাৰ সুৰীয়া শব্দই বিহুৰ এক অনন্য পৰিৱেশ সৃষ্টি কৰাৰ লগতে সমগ্ৰ বড়মপুৰৰ আকাশ-বতাহ ৰজনজনাই তোলে। প্ৰথম দিনটোৰ কাৰ্যসূচী অনুসৰি পুৱা ন বজাত বিহুৰ পতাকা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি শিৱ বৰ্মনে। ইয়াৰ পাছতে বৃহত্তৰ অঞ্চলটোৰ চাৰিশতাধিক জ্যেষ্ঠলোকক বিধায়ক জিতু গোস্বামীয়ে সম্বৰ্ধনা জনায়। ১১ বজাত তিনিদিন ধৰি চলিব লগা অসমীয়া থলুৱা সামগ্ৰী, সাজ পাৰ, আ-অলংকাৰ, বাঁহ-বেত, মৃৎ শিল্প তথা জনজাতীয় সাজপাৰ আৰু থলুৱা খাদ্য-সামগ্ৰীৰ বাণিজ্য মেলাৰ উদ্বোধন কৰে বিধায়ক গোস্বামীয়ে। তাৰ পিছতেই বিয়লি দুই বজাত 'তেজপুৰ থেছপিয়ান' দলে সুকীয়া বাদ্যযন্ত্ৰৰে বজাই প্ৰদৰ্শন কৰা বিভিন্ন ধৰণৰ নৃত্য আৰু বিহুৱে ৰাইজক মোহিত কৰে। তাৰ পাছতেই যোৱা ২৭ মাৰ্চৰ পৰা অনুশীলন কৰি থকা অঞ্চলৰ প্ৰায় চাৰি শতাধিক যুৱক-যুৱতী, চেমনীয়া আৰু বোৱাৰীসকলে ১৩ পৃষ্ঠাত চাওক

## চাবুৱাত মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ চেক বিতৰণ

**অগ্ৰদূত বাৰ্তা**

**চাবুৱা, ১৮ এপ্ৰিল ঃ** চাবুৱা পৌৰসভা গঠনৰ পাছতে আজি প্ৰথম অনুষ্ঠান আয়োজন কৰা হয়। চাবুৱা পৌৰসভাৰ কাৰ্যালয়ত ৰাজ্যৰ মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ চেক বিতৰণ কৰা অনুষ্ঠান সাংসদ প্ৰদান বৰুৱাৰ চাবুৱা সমষ্টিৰ প্ৰতিনিধি মৃদুল ৰাজখোৱাৰ উপস্থিতিত অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰী পুঁজিৰ অনুদান লাভ কৰিবলৈ চাবুৱা সমষ্টিৰ অন্তৰ্গত বিভিন্ন পঞ্চায়তৰ ৰোগীসকলে আবেদন কৰিছিল। সাহায্য লাভ কৰা ব্যক্তিসকল আৰু পৰিয়ালৰ সদস্যক নিমন্ত্ৰণ কৰি আনি পৌৰসভাৰ কাৰ্যালয়ত অনুষ্ঠিত অনুষ্ঠানত চেকসমূহ প্ৰদান কৰা হয়। সাংসদ বৰুৱাৰ প্ৰতিনিধিজনৰ উপস্থিতিত নৱনিৰ্বাচিত পৌৰপতি ব্ৰজেন বৰুৱাৰ হাতেৰে চেক বিতৰণৰ আৰম্ভ কৰি সাতগৰাকী ৱাৰ্ড সদস্য-সদস্যাই চেকসমূহ প্ৰদান কৰে। উপ-পৌৰপতি লক্ষী সোণোৱাল ৰাজখোৱাকে ধৰি ৱাৰ্ড সদস্য ৰীণা গোহাঁই, বিনীতা গগৈ, সুব্ৰত ভট্টাচাৰ্য, পম্পী শইকীয়া, দয়াল দাস, উজ্জ্বল দিহিঙীয়া উপস্থিত থাকে।

## চামতাত বৰ্ণাঢ্য কাৰ্যসূচীৰে অসম কবি সন্মিলনৰ সপ্তদশ ৰাজ্যিক অধিবেশনৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**চামতা, ১৮ এপ্ৰিল ঃ** অসম কবি সন্মিলনৰ সপ্তদশ মধ্যকালীন ৰাজ্যিক অধিৱেশন অহা ২৩ আৰু ২৪ এপ্ৰিলত বৰ্ণাঢ্য কাৰ্যসূচীৰে নলবাৰী জিলাৰ চামতাত অনুষ্ঠিত হ'ব। এই উপলক্ষে ধৰ্মপুৰৰ স্থানীয় বিধায়ক তথা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীক মুখ্য পৃষ্ঠপোষক, দীপক কুমাৰ শৰ্মাক সভাপতি, পৱিত্ৰ কুমাৰ ডেকাক কাৰ্যকৰী সভাপতি, দ্বীপেন মেনাক মুখ্য সম্পাদকৰূপে লৈ গঠন হোৱা আদৰণি সমিতিখনে ইতিমধ্যে প্ৰস্তুতি আৰম্ভ কৰিছে। উল্লেখ্য যে চামতাৰ ৰূপকোঁৱৰ কলা পৰিষদ প্ৰাংগণত অনুষ্ঠিতব্য অধিৱেশনৰ কাৰ্যসূচী অনুসৰি ২৩ এপ্ৰিলত অসম কবি সন্মিলনৰ সভাপতি সাহিত্যাচাৰ্য ড° বসন্ত কুমাৰ ভট্টাচাৰ্যই সন্মিলনৰ পতাকা উত্তোলন কৰাৰ পাছতে অসম কবি সন্মিলনৰ প্ৰধান সম্পাদক নীলকমল বৰা আৰু আদৰণি সমিতিৰ সভাপতি দীপক কুমাৰ শৰ্মাই স্মৃতি তৰ্পণ কৰিব। কাব্যপ্ৰৱৰ কৰুণাকান্ত বৰ্মনৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অসম কবি সন্মিলনৰ কাৰ্যকৰী সভাপতি ত্ৰিদিব লস্কৰে বন্তি প্ৰজ্বলন আৰু প্ৰয়াত কৰুণাকান্ত বৰ্মনৰ কনিষ্ঠা কন্যা অংকিতা বৰ্মনে প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰিব। ইয়াৰ পাছতে বিশিষ্ট সমাজকৰ্মী, নাট্যশিল্পী হিৰণ্য বৰ্মনৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান সম্পন্ন হ'ব। এই অনুষ্ঠানত প্ৰয়াত হিৰণ্য বৰ্মনৰ সহধৰ্মিণী কাবেৰী দত্ত বৰ্মনে বন্তি প্ৰজ্বলক আৰু অসম কবি সন্মিলনৰ কাৰ্যকৰী সভাপতি গীতা দত্তই মাল্যাৰ্পক হিচাবে অংশগ্ৰহণ কৰিব। প্ৰতিনিধি পঞ্জীয়নৰ পাছত বিহগী কবি ৰঘুনাথ চৌধাৰী সোঁৱৰণী কবিতা পাঠৰ অনুষ্ঠান উদ্বোধন কৰিব নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মাই। নলবাৰীৰ শংকৰদেৱ ১৩ পৃষ্ঠাত চাওক

## ঐতিহাসিক শ্ৰীশ্ৰী নৰোৱা কুজিসত্ৰৰ ৩৭২ সংখ্যক প্ৰতিষ্ঠা দিৱস

**গুৱাহাটী, ১৮ এপ্ৰিল ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নাতি বোৱাৰী আই কনকলতাৰ আজ্ঞা অনুযায়ী মহাপুৰুষ দামোদৰদেৱে ১৬৪৪ খ্ৰীষ্টাব্দত প্ৰতিষ্ঠা কৰা ঐতিহাসিক শ্ৰীশ্ৰী নৰোৱা কুজিসত্ৰৰ বৈষ্ণৱপুৰ থানৰ ৩৭২ সংখ্যক প্ৰতিষ্ঠা দিৱস ১৯ এপ্ৰিলৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে পালনৰ ব্যৱস্থা কৰিছে। সত্ৰখনৰ সত্ৰাধিকাৰ নিত্যানন্দ দেৱগোস্বামীৰ তত্ত্বাৱধানত ১৯ এপ্ৰিলৰ পুৱা শ্ৰীশ্ৰী গোবিন্দ মহাপ্ৰভুৰ শ্ৰীচৰণত ভোগচৰোৱা কাৰ্যসূচীৰে ধৰ্মধ্বজা উত্তোলন কৰিব সত্ৰৰ নাম লগোৱা তথা শিক্ষাবিদ দীননাথ হাজৰিকাই। ৩৭১ সংখ্যক পালনাম ভাগত নামাচাৰ্য আৰু পাঠাচাৰ্য হিচাপে থাকিব ক্ৰমে শ্ৰীশ্ৰী নৰোৱা বালিসত্ৰৰ ডেকাসত্ৰীয়া ৰাজু দেৱ গোস্বামী আৰু শ্ৰীশ্ৰীদিঘলী ভোগবাৰীসত্ৰৰ ডেকাসত্ৰীয়া দীগেন মহন্ত। ইয়াৰ পাছতে পাঁচদিনীয়া অবিৰত শ্ৰীমদ্ভাগৱত পাঠৰ আৰম্ভ কৰিব সত্ৰীয়া ভকত গুণাৰাম হাজৰিকাই। সত্ৰৰ ডেকাসত্ৰীয়া সত্যব্ৰত দেৱগোস্বামী, সত্ৰ পৰিচালনা সমিতিৰ সম্পাদক ৰাজু বৰুৱা, উদ্‌যাপন সমিতিৰ সভাপতি বিকাশ বৰুৱা, সম্পাদক মাধুৰ্য বৰুৱাই জানিবলৈ দিয়া মতে, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ কৃষ্টি-সংস্কৃতিৰ অন্যতম কেন্দ্ৰস্থল সত্ৰখনত এই উপলক্ষে সম্পূৰ্ণ সত্ৰীয়া পৰম্পৰা আৰু নীতি অনুসৰি গায়ন-বায়ন, শংখ-ঘণ্টা, আয়তীৰ উৰুলি, নাম-প্ৰসংগ আদি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। প্ৰাচীন সত্ৰখনৰ ৩৭২ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সত্ৰাধিকাৰলৈ লিখা এক পত্ৰত সত্ৰবাসী আৰু ভক্তপ্ৰাণ ৰাইজলৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। উল্লেখ্য যে নগাঁও-মৰিগাঁও জিলাৰ সীমামূৰীয়া দলংঘাট উন্নয়ন খণ্ডৰ অন্তৰ্গত ঐতিহাসিক শ্ৰীশ্ৰীনৰোৱা কুজিসত্ৰৰ শ্ৰীশ্ৰী গোবিন্দ মহাপ্ৰভু আৰু পঞ্চনাগ চতুৰ্ভুজ শ্ৰীবিষ্ণু মূৰ্তি দৰ্শনৰ বাবে ভক্তপ্ৰাণ ৰাইজৰ ভিৰ সদায় পৰিলক্ষিত হয়। অসম সত্ৰ মহাসভাৰ প্ৰধান সম্পাদক কুসুম কুমাৰ মহন্তই সত্ৰখনৰ ৩৭২সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে সত্ৰবাসী আৰু ভক্তপ্ৰাণ ৰাইজলৈ আন্তৰিক শুভেচ্ছা তথা অভিনন্দন জ্ঞাপন কৰিছে।

## বৰপথাৰত দুচকীয়া বাহনৰ ডিলাৰৰ বিৰুদ্ধে গ্ৰাহকক প্ৰৱঞ্চনাৰ অভিযোগ

**বৰপথাৰ, ১৮ এপ্ৰিল ঃ** গোলাঘাট জিলাৰ বৰপথাৰস্থিত য়ামাহা কোম্পানীৰ সন্দীপ মটৰছ নামৰ ডিলাৰৰ বিৰুদ্ধে গ্ৰাহকক প্ৰৱঞ্চনাৰ কৰাৰ অভিযোগ উঠিছে। বৰপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত টেঙানীৰ এজন গ্ৰাহকে ২০১৯তে এখন স্কুটী ক্ৰয় কৰিছিল ডিলাৰটোৰ পৰা। গ্ৰাহকজনে স্কুটীখনৰ নম্বৰ প্লেট লাভ কৰিলে যদিও আজি তিনি বছৰে লাভ নকৰিলে বাহনখন পঞ্জীয়ন প্ৰমাণপত্ৰ লক্ষ্যণীয় বিষয় গ্ৰাহকজনে লাভ কৰা নম্বৰটো আজিলৈকে সন্নিৱিষ্ট হোৱা নাই পৰিবহণ বিভাগত। তদুপৰি দুবছৰৰ বাবে ঋণত লোৱা স্কুটীখনৰ ঋণ পৰিশোধ কৰি শেষ হোৱাৰ পাছতো গ্ৰাহকজনক আজিলৈকে সন্দীপ মটৰছে দিয়া নাই ঋণ মুক্তৰ প্ৰমাণ পত্ৰ। কেৱল সিমানেই নহয় প্ৰতিমাহে দিয়া এই এম আইৰ বিপৰীতে নিদিয়ে কোনো কেছ মেম'। তদুপৰি বৰপথাৰৰে অন্য এজন গ্ৰাহকো এই ডিলাৰটোৰ প্ৰৱঞ্চনাৰ বলি হৈ ভৰিব লগা হৈছে ধন। উল্লেখ্য যে গাড়ী ছাৰ্ভিচিং কৰাৰ পাছত ডিলাৰৰ নিয়মানুসৰি তেওঁলোকৰ ঊৰ্ধ্বতম কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰিব লাগে ছাৰ্ভিচিঙৰ প্ৰমাণপত্ৰ। কিন্তু ডিলাৰটোৱে ছাৰ্ভিচিঙৰ প্ৰমাণপত্ৰ প্ৰেৰণ নকৰাত গ্ৰাহকজন বঞ্চিত হ'ল ৱাৰেন্টিৰ সুবিধাৰ পৰা। ফলত ৱাৰেন্টিৰ সময় বাহাল থকাৰ পাছতো গাঁঠিৰ ধন ভাঙি মেৰামতি কৰিব লগা হ'ল বাহনখন। আনহাতে, ডিলাৰৰ নীতি-নিৰ্দেশনা জলাঞ্জলি দি য়ামাহা কোম্পানীৰ নিজা ব্ৰেণ্ডৰ উপৰি টিভিএছ, হিৰ'পেছ'ন, হুণ্ডা, বাজাজ আদি কোম্পানীৰ মটৰ চাইকেলো মেৰামতি কৰি আহিছে ডিলাৰটোৱে। কেৱল সিমানেই নহয় পাৰ্টছ ক্ৰয় কৰা গ্ৰাহকক জিএছটি বিল নিদিয়াৰ অভিযোগ উঠিছে। দীৰ্ঘদিন ধৰি গ্ৰাহকক প্ৰৱঞ্চনা কৰাই নহয় চৰকাৰকো কৰ ফাঁকি দি আহিছে ডিলাৰটোৱে।

## নগাঁও জিলা কংগ্ৰেছৰ সভাপতিৰ দায়িত্ব সুৰেশ বৰাক

**বিশেষ সংবাদদাতা**

**নগাঁও, ১৮ এপ্ৰিল ঃ** নগাঁও জিলা কংগ্ৰেছৰ নতুন সভাপতি নিযুক্তি দিয়া হৈছে। এইবাৰ সভাপতিৰ দায়িত্ব ন্যস্ত কৰা হৈছে সুৰেশ বৰাক। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাৰ নিৰ্দেশ মৰ্মে নগাঁও জিলা কংগ্ৰেছৰ সভাপতি হিচাপে দায়িত্ব পালন কৰিব বৰাই। প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক বিপুল গগৈৰ স্বাক্ষৰিত এক নিৰ্দেশযোগে বৰাক সভাপতিৰ দায়িত্ব অৰ্পণ কৰা হয়। নগাঁও পৌৰসভা নিৰ্বাচনৰ ফলাফলৰ পাছতে পূৰ্বৰ জিলা কংগ্ৰেছৰ সভাপতি তপন কুমাৰ শৰ্মাই পদত্যাগ কৰিছিল। নিৰ্বাচনত নগাঁৱত কংগ্ৰেছ বিপৰ্যয়ৰ সন্মুখীন হোৱাত শৰ্মাই প্ৰদেশ কংগ্ৰেছৰ সভাপতিলৈ পদত্যাগপত্ৰ প্ৰেৰণ কৰিছিল। শৰ্মাৰ পদত্যাগপত্ৰ গ্ৰহণৰ পাছত উক্ত পদত বৰাক অধিষ্ঠিত কৰে দলটোৱে। নগাঁও জিলা কংগ্ৰেছৰ সভাপতিৰ দায়িত্ব অৰ্পণ কৰাত বৰাই আনন্দ প্ৰকাশ কৰাৰ লগতে ৰাজনৈতিক দলটোক জিলাখনত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত সকলোৰে সহযোগিতা কামনা কৰে।

## পলাশবাৰী ৰঙামাটিত আয়ুষ্মান ভাৰতৰ খণ্ড ভিত্তিত স্বাস্থ্য মেলা



**অগ্ৰদূত বাৰ্তা**

**পলাশবাৰী, ১৮ এপ্ৰিল ঃ** ৰাজ্য চৰকাৰৰ স্বাস্থ্য সেৱা বিভাগৰ জৰিয়তে গ্ৰামাঞ্চলৰ জনসাধাৰণৰ মাজলৈ বিভিন্ন ৰোগৰ চিকিৎসা সেৱা লৈ যোৱাৰ উদ্দেশ্য আগত ৰাখি আজি উপৰহালী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উদ্যোগত পলাশবাৰীৰ ৰঙামাটিত ২৯ নম্বৰ প্ৰাথমিক বিদ্যালয় ১৩ পৃষ্ঠাত চাওক

## বিজয়নগৰত হনুমান জয়ন্তী মহোৎসৱৰ উদ্‌যাপন



**অগ্ৰদূত বাৰ্তা**

**পলাশবাৰী, ১৮ এপ্ৰিল ঃ** দক্ষিণ কামৰূপৰ বাণিজ্যিক কেন্দ্ৰস্থল বিজয়নগৰত অনুষ্ঠিত হনুমান জয়ন্তী মহোৎসৱৰ কালি সামৰণি পৰে। বিজয়নগৰস্থিত আগৰৱালা পঞ্চায়তৰ উদ্যোগত অনুষ্ঠিত হনুমান জয়ন্তী মহোৎসৱৰ দুয়োদিনৰ মাংগলিক কাৰ্যসূচীৰে পূজা অৰ্চনা কৰাৰ অন্তত বিয়লি চাৰি বজাত এক ধৰ্মীয় শোভাযাত্ৰা উলিওৱা হয়। উক্ত শোভাযাত্ৰা উদ্বোধন কৰে পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়াই। বিজয়নগৰৰ শ্ৰীবিষ্ণু মন্দিৰৰ পৰা উলিওৱা ধৰ্মীয় শোভাযাত্ৰাটিত মানৱৰ প্ৰতিমূৰ্তিৰে হনুমান, শিৱ, মহাদেৱ, পাৰ্বতী, শ্ৰীকৃষ্ণ আদি প্ৰদৰ্শন কৰাৰ লগতে বেণ্ড, ঢুলীয়া, নাম-প্ৰসংগৰে বিজয়নগৰৰ পৰা উপৰহালী হৈ ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ পৰিভ্ৰমণ কৰে।

## বক্তৃতা হৈছে সাধনাৰ অবিচ্ছেদ্য অংগ

### বৰভাগত শ্ৰীশ্ৰী লক্ষ্মী নাৰায়ণ বিষ্ণু মন্দিৰ ৰাইজলৈ উছৰ্গা পৰিয়ালৰ

**অগ্ৰদূত বাৰ্তা**

**বাহাৰহাট, ১৮ এপ্ৰিল ঃ** নলবাৰী জিলাৰ বৰভাগৰ সানেকুছি ওজা তোলাত প্ৰয়াত ৰমেশ চন্দ্ৰ শৰ্মাই নিৰ্মাণ কৰি থৈ যোৱা শ্ৰীশ্ৰী লক্ষ্মী নাৰায়ণ বিষ্ণু মন্দিৰটো আজি পৰিয়ালবৰ্গই ৰাইজলৈ উছৰ্গা কৰে। এই উপলক্ষে প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ মহন্তৰ সভাপতিত্বত অনুষ্ঠিত মন্দিৰ উদ্‌ঘাটন সভাত উপস্থিত থাকি দিগন্ত বিশ্ব শৰ্মাই কয় যে এটা সময়ত বক্তৃতা আছিল প্ৰবৃত্তি আৰু বৰ্তমান বক্তৃতা হৈ পৰিছে সাধনাৰ অবিচ্ছেদ্য অংগ। তেওঁ শ্ৰীমদভাগৱত গীতাৰ শ্লোকৰ উদ্ধৃতি দি আধ্যাত্মিক দিশৰ ওপৰত তত্ত্ব গধুৰ বক্তব্য প্ৰদান কৰে। তেওঁ কয় যে গীতাৰ বাহিৰে ভগৱানে নিজৰ পৰিচয় ক'তো দিয়া নাই। গীতাই হ'ল ভগৱানৰ আত্মজীৱনী। শ্ৰদ্ধাই হ'ল অন্তৰাত্মাৰ সংকল্প। বুদ্ধি বা মেধাৰ দ্বাৰা নহয়। অতিথিৰূপে অংশগ্ৰহণ কৰি অৰুণাচল প্ৰদেশৰ প্ৰাক্তন ৰাজ্যিক মন্ত্ৰী আৰ কে খ্ৰীমে কয় যে মন্দিৰ কাৰো নিজৰ নহয়, গাঁৱৰো নহয়, মন্দিৰ বিশ্ব শান্তিৰ বাবেহে। সভাত পূব গুৱাহাটীৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যই কয় যে মানুহ শিপাৰ পৰা আঁতৰি গৈছে আৰু পৰিচয় নোহোৱা হ'বলৈ ধৰিছে, তেনে সময়তে প্ৰয়াত ৰমেশ চন্দ্ৰ শৰ্মাই নিজৰ জন্মভূমিত ৰাইজৰ বাবে এনে এটা মন্দিৰ নিৰ্মাণ কৰাটো এটা আদৰণীয় বিষয়। সভাত সাংসদ কুইন ওজাই পত্ৰিকা 'গৰিমা' উন্মোচন কৰি তেওঁৰ পিতৃৰ স্মৃতিত জন্মগাঁও বৰভাগৰ মৌৰাত এটা মন্দিৰ নিৰ্মাণ কৰাৰ কথা ৰাইজক অৱগত কৰে। সভাত আন এগৰাকী অতিথি আৰ এছ এছৰ উত্তৰ-পূব ভাৰতৰ ক্ষেত্ৰ প্ৰচাৰক উলহাস কুলকাৰ্ণিয়ে এই মন্দিৰৰ পৰা সংস্কাৰ হোৱাৰ উপৰি পৰিৱেশ পৰিস্ফুট হ'ব বুলি কয়। আনহাতে, এক আছুতীয়া সাক্ষাৎকাৰত ৰিপুন বৰাৰ কংগ্ৰেছ ত্যাগ সন্দৰ্ভত সাংসদ ওজাই কয় যে কংগ্ৰেছ এটা মৰি যোৱা দল। মৰি যোৱা দলৰ ১৩ পৃষ্ঠাত চাওক

## শতাধিক গোপালকৰ মাজত ঔষধ বিতৰণ

**অগ্ৰদুত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১৮ এপ্ৰিল ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বৰাজোল গৰু বিহুৰ দিনা অৰ্থাৎ ১৪ এপ্ৰিলত পুৱা চাইন ক্লাবৰ উদ্যোগত এক উল্লেখনীয় পদক্ষেপ লোৱা পৰিলক্ষিত হৈছে। গৰু বিহু উপলক্ষে বৰাজোল ক্লাবটোৰ সভাপতি কুলেন জ্যোতি বৰুৱা, সম্পাদক জিন্টু মণি দাসসহ সদস্যসকলে অঞ্চলটোৰ শতাধিক গোপালকসকলৰ মাজত পশুধনসমূহৰ বাবে ঔষধ বিতৰণ আৰু এটি সজাগত শিবিৰ অনুষ্ঠিত কৰা হয়। বৰাজোল অঞ্চলৰ আগশাৰীৰ এই ক্লাবটোৰ এনে পদক্ষেপক কৃষক সমাজ আৰু সচেতন ৰাইজে প্ৰশংসা কৰিছে।

## 'আশ্ৰয়'ৰ উদ্যোগত কুইজ


**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ১৮ এপ্ৰিল ঃ** অসমৰ আগশাৰীৰ প্ৰকৃতি সংগঠন আশ্ৰয়ৰ উদ্যোগত আৰু প্ৰফিচিয়েণ্ট কেৰিয়াৰ কাউন্সেলিং, দেৰগাঁৱৰ সহযোগত ৰঙালী বিহু উপলক্ষে যোৱা ১৬ এপ্ৰিলত অনুষ্ঠিত বিহু বিষয়ক অনলাইন কুইজ প্ৰতিযোগিতাত যোৰহাট জিলাৰ টীয়কৰ দিগন্ত চাংমাইয়ে প্ৰথম স্থান লাভ কৰে। জনপ্ৰিয় কুইজ গ্ৰুপ 'কুইটিভেল'ৰ প্ৰশাসক সঞ্জয় কুমাৰ হাজৰিকাই পৰিচালনা কৰা আৰু ব্যতিক্ৰমী প্ৰশ্নৰে যুগুত কৰা প্ৰতিযোগিতাত ভালেসংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। গোলাঘাট জিলাৰ গণকপুখুৰীৰ পৰিস্মীতা মহন্তই দ্বিতীয় আৰু শিৱসাগৰ জিলাৰ ডিমৌৰ ৰূপজ্যোতি শইকীয়াই তৃতীয় স্থান লাভ কৰে। বিজয়ী প্ৰতিযোগীসকলে ৯৪৩৫২০৪০৪০ নম্বৰত যোগাযোগ কৰিব পাৰিব।

## বৰপথাৰত জব্দ অবৈধ ইউৰিয়াভৰ্তি দুখনকৈ বাহন

**বৰপথাৰ, ১৮ এপ্ৰিলঃ** ধনশিৰি মহকুমাৰ বৰপথাৰত অবৈধ ইউৰিয়া ভৰ্তি দুখনকৈ বাহন জব্দ কৰ হৈছে। উল্লেখ্য যে বৰপথাৰ আৰক্ষী থানাৰ অন্তৰ্গত গেলাবিলত অবৈধ ইউৰিয়াভৰ্তি বাহন দুখন ছাত্ৰ মুক্তিৰ কেইজনমান সদস্যই ৰখাই আৰক্ষীক খবৰ দিয়াত বৰপথাৰ আৰক্ষীয়ে বাহন দুখন জব্দ কৰি থানালৈ লৈ আনে। আৰক্ষীয়ে জব্দ কৰা বাহন দুখনৰ ভিতৰত এখনৰ নম্বৰ এ এছ-০৫ এ চি-১৫২৬ হোৱাত বিপৰীতে আনখন নম্বৰ প্লেট বিহীন। বাহন দুখনৰ লগতে চালক দুজনকো আটক কৰিছে আৰক্ষীয়ে। স্মৰ্তব্য যে গোলাঘাট কমাৰবন্ধাৰ পৰা ধনশিৰি মহকুমাৰ ধ্ৰুপগুৰিৰ নুৰ হুছেইন নামৰ লোকজনক ১৬০ বস্তাকৈ ইউৰিয়া সাৰ দিবলৈ আনিছিল। উল্লেখ্য যে ইয়াৰ পূৰ্বেও বৰপথাৰ আৰক্ষীৰ নাকা চেকিঙত এখন ইউৰিয়াভৰ্তি বাহন জব্দ কৰা হৈছিল। ইতিমধ্যে আৰক্ষীয়ে এটা গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰিছে।

## টংলাত ৰঙালী বিহু উৎসৱৰ সামৰণি



**অগ্ৰদূত বাৰ্তা**

**টংলা, ১৮ এপ্ৰিল ঃ** ওদালগুৰি জিলাৰ টংলাত সদৌ টংলা ৰঙালী বিহু সন্মিলনীৰ সৌজন্যত সদৌ টংলা ৰঙালী বিহু উদ্‌যাপন সমিতিয়ে আয়োজন কৰা ৭১ সংখ্যক সদৌ টংলা ৰঙালী বিহু উৎসৱৰ যোৱা নিশা সামৰণি পৰে। কাৰ্যসূচী অনুসৰি ১৫ এপ্ৰিলৰ দিনা পুৱা পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ আৰম্ভ কৰে ক্ৰমে স্থায়ী সমিতিৰ সভাপতি প্ৰমোদ হাজৰিকা আৰু উদ্‌যাপন সমিতিৰ সভাপতি বিনোদ মহন্তই। ইয়াৰ পাছতে ছহিদ তৰ্পণ কৰে স্থায়ী সমিতিৰ সম্পাদক ৰমেশ চন্দ্ৰ ডেকাই। আনহাতে, বয়োজেষ্ঠসকলক সেৱা আৰু আশীৰ্বাদ গ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হয়। ৰঙালী বিহুৰ সমূহীয়া ওলগ জ্ঞাপনৰ পাছতে দধিৰাম বড়া সোঁৱৰণি চিত্ৰাংকণ আৰু ক্ৰীড়া প্ৰতিযোগিতা উদ্বোধন কৰে সাংস্কৃতিক মহাসভা, অসমৰ ওদালগুৰি জিলা সমিতিৰ সম্পাদক জ্ঞানেন্দ্ৰ কুমাৰ চলিহাই। তদুপৰি দুপৰীয়া শিশু আৰু চেমনীয়াৰ বিহুৱা-বিহুৱতী প্ৰতিযোগিতা উদ্বোধন কৰে ভেৰগাঁও মহকুমা আৰক্ষী বিষয়া জ্যোতিপ্ৰসাদ পেগুৱে। সন্ধিয়া সভাপতি জয়ন্ত দাস আৰু ১৩ পৃষ্ঠাত চাওক

## কুশবাৰীত ট্ৰেক্টৰে মহটিয়ালে মহিলাক

**অগ্ৰদূত বাৰ্তা**

**অভয়াপুৰী, ১৮ এপ্ৰিল ঃ** বঙাইগাঁও জিলাৰ মেৰেৰচৰ আৰক্ষী থানাৰ অন্তৰ্গত কুশবাৰীত আজি পুৱা ট্ৰেক্টৰ এখনে মহিলা এগৰাকীক মহটিয়াই নিয়াত তেওঁৰ থিতাতে মৃত্যু হয়। আজি পুৱা বজাত কুশবাৰীৰ পাশাকাটাত কদভানু খাতুন (৬৪) নামৰ মহিলা এগৰাকীয়ে বাঁহ এডাল লৈ পথ অতিক্ৰম কৰিবলৈ লোৱাৰ সময়তে ট্ৰেক্টৰ এখন অহাত তেওঁৰ বাহঁডাল চকাত সোমাই পৰে। ফলত তেওঁ পথত বাগৰি পৰাত ট্ৰেক্টৰৰ চকা তেওঁৰ ওপৰেৰে পাৰ হৈ যায়। এই লৈ এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হোৱাত চেগ বুজি চালকজন পলায়ণ কৰে। পাছত আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ ট্ৰেক্টৰখন জব্দ কৰে। ৰাইজে অভিযোগ কৰা মতে ট্ৰেক্টৰখনৰ চালকৰ আসনত আছিল এজন নাবালক। উল্লেখ্য যে জিলাখনৰ উত্তৰশালমাৰা মহকুমাৰ বিশেষকৈ চৰাঞ্চলসমূহত মাটি কটাত ব্যৱহৃত ট্ৰেক্টৰসমূহ নাবালকে চলোৱা বুলি দীৰ্ঘদিন ধৰি অভিযোগ উত্থাপন হৈ আহিছে।

## শুৱালকুছিত বিদ্যালয় পৰিচালনা সমিতিৰ তিনিদিনীয়া কৰ্মশালা

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ১৮ এপ্ৰিল ঃ** 'ছাত্ৰ-ছাত্ৰীসকল আমাৰ সমল। এইসকলক সু-নাগৰিক কৰি সম্পদ হিচাপে গঢ়ি তোলাই বিদ্যালয় পৰিচালনা সমিতি আৰু আমাৰ কাম।' এই ভাষ্য হাজো প্ৰাথমিক শিক্ষা খণ্ড বিষয়া পৰিনীতা দাসৰ। আজি পশ্চিম শুৱালকুছি খণ্ড সমল কেন্দ্ৰৰ বিদ্যালয় পৰিচালনা সমিতিৰ তিনিদিনীয়া কৰ্মশালাত তেওঁ পুনৰ কয় যে নিজৰ লগতে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুন্দৰ ভৱিষ্যতৰ বাবে ভাল শিক্ষাৰে শিক্ষিত কৰাই আমাৰ প্ৰধান লক্ষ্য হোৱা উচিত। সেয়ে বিদ্যালয় পৰিচালনা সমিতিয়ে শিক্ষক-শিক্ষয়িত্ৰীসকলক পূৰ্ণ সহযোগৰ আহ্বান জনায়। সমল কেন্দ্ৰ সমন্বয়ক কমল কৃষ্ণ নাথে উদ্বোধন কৰা কৰ্মশালাত সমল ব্যক্তি হিচাপে অংশ লয় ধনজিৎ নাথ আৰু দীপু কুমাৰ দাসে। শুৱালকুছি বয়ন শিল্পী নৈশ বিদ্যালয়ত জাতীয় সংগীতৰে অনুষ্ঠিত কৰ্মশালাত উপস্থিত বিদ্যালয় পৰিচালনা সমিতিৰ একাধিক সদস্য-সদস্যাই গীত পৰিৱেশন কৰে। শুৱালকুছি বালক মজলীয়া বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী পখিলা কাকতিৰ নৃত্য পৰিৱেশন আৰু শিক্ষক ইন্দ্ৰকান্ত বৈশ্যই খুহুটীয়া গীত পৰিৱেশনেৰে কৰ্মশালা জীপাল কৰি তোলে। কাইলৈ আৰু পৰহিলৈ পুনৰ কৰ্মশালা চলিব।

## নিৰুদ্দিষ্ট কিশোৰৰ মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**বিহালী, ১৮ এপ্ৰিলঃ** যোৱা ১৪ এপ্ৰিলৰ পুৱাৰে পৰা নিৰুদিষ্ট হৈ থকা নিৰঞ্জন খাউণ্ড (৭)ৰ মৃতদেহ কালি বিয়লি ককিলা নদীত উদ্ধাৰ হয়। পৰিয়াল সূত্ৰই জানিবলৈ দিয়া মতে, ১৪ এপ্ৰিলৰ গৰু বিহুৰ দিনা নিৰঞ্জনে ওচৰতে থকা বৰদেউতাকৰ ঘৰলৈ যাওঁ বুলি আইতাকক কৈ ঘৰৰ পৰা ওলাই যায়। বিয়লিলৈকে ঘৰ আহি নোপোৱাত পৰিয়ালৰ লোকে বিচাৰ-খোচাৰ আৰম্ভ কৰে। বৰদেউতাক প্ৰিয়ৰাম খাউণ্ডে নিৰঞ্জন তেওঁলোকৰ ঘৰলৈ যোৱা নাই বুলি সদৰী কৰে। পাছত দেৱজিত খাউণ্ডে পুত্ৰ নিৰুদ্দেশ হোৱাৰ বিষয়ে থানাত লিখিতভাৱে জনায়। উল্লেখ্য যে নিৰঞ্জনৰ দুবছৰ বয়সতে মাতৃয়ে পুত্ৰসহ স্বামী ১৩ পৃষ্ঠাত চাওক

## ন বছৰে বিকল হৈ আছে ফুতুৰীপাৰা পানী যোগান আঁচনি

### ■ বিশুদ্ধ খোৱাপানী বিচাৰি হাহাকাৰ ৰাইজৰ



**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১৮ এপ্ৰিল ঃ** গোৱালপাৰা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়া- কৰ্মচাৰীৰ দুৰ্নীতিৰ বাবেই মাটিয়া উন্নয়ন খণ্ডৰ হাৰিমুৰা গাঁও পঞ্চায়তৰ অন্তৰ্গত ফুতুৰীপাৰাবাসী ৰাইজে বিশুদ্ধ খোৱা পানী যোগানৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে । উল্লেখ্য যে ১৯৮৯-৯০ত জনস্বাস্থ্য কাৰিকৰী বিভাগে ফুতুৰীপাৰাত এখন পাইপ পানী যোগান আঁচনি স্থাপন কৰে । উক্ত আঁচনিৰ পৰা স্থানীয় প্ৰায় শতাধিক পৰিয়ালে নিয়মিতভাৱে বিশুদ্ধ খোৱা পানী লাভ কৰিবলৈ সক্ষম হৈছিল, কিন্তু ২০১৩ৰ পৰাই আঁচনিখন সম্পূৰ্ণভাৱে বিকল হৈ পৰে । ফলত ৰাইজে বিশুদ্ধ খোৱা পানী যোগানৰ পৰা বঞ্চিত হৈ আহিছে । বিগত ন বছৰে সম্পূৰ্ণৰূপে বিকল হৈ থকা পানী যোগান আঁচনিখন মেৰামতিৰ নামত কে'বাবাৰো পুঁজিৰ আবণ্টন কৰা হয় যদিও বাস্তৱ ক্ষেত্ৰত বিষয়া-কৰ্মচাৰীৰ ছত্ৰছায়াত দায়িত্বৰত ঠিকাদাৰে ভুৱা বিলেৰে লাখ লাখ টকা আত্মসাৎ কৰা বুলি অভিযোগ উত্থাপিত হৈছে । উল্লেখ্য যে প্ৰতিবাৰে নিৰ্বাচনৰ সময়ত পানী যোগান আঁচনিখন কাৰ্যক্ষম কৰি তোলাৰ প্ৰতিশ্ৰুতিৰে প্ৰাৰ্থীসকলে ভোট আদায় কৰে যদিও জয়ী হোৱাৰ পাছত পাহৰি যোৱাটো এক পৰম্পৰাত পৰিণত হৈছে। বিভাগীয় সূত্ৰ এটিৰ মতে, মেৰামতিৰ নামত আবণ্টিত পুঁজি ব্যয়ৰ ক্ষেত্ৰত স্থানীয় বিধায়কৰ হস্তক্ষেপৰ বাবেই বহুতো গুৰুত্বপূৰ্ণ আঁচনিৰ কাম কৰাটো সম্ভৱ নহয়। অৱশ্যে শেহতীয়াভাৱে এমাহমান পূৰ্বে নতুনকৈ ব'ৰিং কৰা হৈছে যদিও পাইপ লাইনৰ কাম আৰম্ভ কৰা ১৩ পৃষ্ঠাত চাওক

## কৃষিকৰ্ম-বৃক্ষৰোপণেৰে স্বাৱলম্বী হোৱাৰ প্ৰয়াস অৰবিন্দ কলিতাৰ

**অগ্ৰদূত বাৰ্তা**

**টিহু,** ১৮ এপ্ৰিল ঃ নলবাৰী জিলাৰ টিহু মহকুমাৰ অন্তৰ্গত এখন গাঁও বৰঝাৰ পুৰাণবাৰী। এই গাঁৱৰে সমাজ প্ৰাণ জ্যেষ্ঠ নাগৰিক অৰবিন্দ কলিতাই কৃষি কৰ্ম আৰু বৃক্ষৰোপণেৰে স্বাৱলম্বী হোৱাৰ প্ৰয়াস কৰি উঠি অহা নৱপ্ৰজন্মক আদৰ্শৰ নিদৰ্শন দাঙি ধৰিছে । ৭১ বছৰীয়া কলিতাই ১৯৭১তে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈও চাকৰিৰ প্ৰতি মন নেমেলি কৃষিকৰ্মত নিজক নিয়োজিত কৰি কুঁহিয়াৰ, কবি, আলু, জিকা আদি বিভিন্ন খেতি কৰি যথেষ্ট লাভৱান হৈছিল । কিন্তু মৰাপাগলাদিয়া নদীৰ বানে কৃষিভূমিৰ বিস্তৰ ক্ষতি সাধন কৰাত কৃষিকাৰ্য বাদ দি গছপুলি ৰোপণত মনোনিৱেশ কৰে। কলিতাই ছয় বিঘা মাটিত গছপুলি ৰোপণ কৰি সুন্দৰকৈ প্ৰতিপালনৰ ব্যৱস্থা কৰিছে। তেওঁ নিজ ঘৰৰ দক্ষিণ দিশে দুই বিঘা ১০ লেছা মাটিত মূল্যৱান চেগুন গছ দুশ জোপা, শাল গছ ৭০ জোপা, মেহগণী গছ ১২ জোপা ৰোপণ কৰিছে। এই মূল্যৱান গছৰ বয়স অতি কমেও ২৫-৩০ বছৰ হ'ব বুলি কলিতাই কয়। আনহাতে, তেওঁৰ ঘৰৰ পশ্চিম দিশৰ ফালে থকা তিনি বিঘা মাটিত মূল্যৱান গামেৰী গছ প্ৰায় দুশ জোপা, বগা চন্দন গছ ৭০ জোপা, চেগুন গছ ৫০ জোপা, মেহগণী গছ ৫০ জোপা আৰু অগৰু গছ আছে ৪০ জোপা। উল্লেখ্য যে বৰ্তমান সময়ত এই গছসমূহৰ বজাৰ মূল্য সাত লাখৰ পৰা আঠ লাখ টকা হ'ব। চৰকাৰৰ পৰা কোনো ধৰণৰ আৰ্থিক সাহায্য অথবা অনুদান নোপোৱা কলিতাই চৰকাৰীভাৱে সহায়-সুবিধা পালে অধিক মূল্যৱান বৃক্ষৰোপণ কৰি লাভবান হ'ব পাৰিলেহেঁতেন বুলি কয়।




*লখিমপুৰৰ খেলমাটি ক্লাবত ৰঙালী বিহু উদ্‌যাপন, সোমবাৰে।*

# মুছলপুৰত মটৰ চাইকেল দুৰ্ঘটনাত নিহত এজন

**অগ্ৰদূত বাৰ্তা**

**মুছলপুৰ, ১৮ এপ্ৰিল ঃ** বাগ্‌সা জিলাৰ মুছলপুৰত যোৱা নিশা সংঘটিত এক মটৰ চাইকেল দুৰ্ঘটনাত এজন যুৱকৰ মৃত্যু হয়। তথ্য অনুসৰি জিলাখনৰ মুছলপুৰ আৰক্ষী থানাৰ অন্তৰ্গত অমৰপুৰত যোৱা নিশা ৰঙালী বিহুৰ আনন্দৰ মাজতে তীব্ৰবেগী অচিনাক্ত দুচকীয়া বাহনে খুন্দিওৱাৰ ফলত ভাস্কৰ কলিতা (৪২) নামৰ যুৱকজনৰ মৃত্যু হয়। মৃত যুৱকজনে চুবুৰীৰে এঘৰত বিয়া খাই ঘৰলৈ বুলি খোজকাঢ়ি আহি থকা অৱস্থাত অমৰপুৰৰ কালী মন্দিৰৰ সমীপত পাছফালৰ পৰা তীব্ৰবেগী বাহনখনে খুন্দিওৱাৰ ফলত গুৰুতৰভাৱে আহত হয়। পাছত সংকটজনক অৱস্থাত যুৱকজনক নিশাই উত্তৰ গুৱাহাটীস্থ জিএনআৰচি হাস্পতাললৈ প্ৰেৰণ কৰা হয় যদিও মৃত্যু হয়। মুছলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক নন্দদুলাল কলিতাৰ দ্বিতীয় পুত্ৰ তথা অঞ্চলটোৰ সৰবৰহী যুৱকজনৰ মৃত্যুত অঞ্চলবাসী ম্ৰিয়মাণ হৈ পৰিছে।

# চাৰিশতাধিক নাচনী-ঢুলীয়াই কঁপালে

*১২ পৃষ্ঠাৰ পৰা* একেলগে বঢ়মপুৰ ৰাজহুৱা খেলপথাৰৰ বাকৰিত বিহুনৃত্য প্ৰদৰ্শন কৰে। সন্ধিয়ালৈ 'হুৱাই লাহৰী', 'এনাজৰী' আদিকে ধৰি অসমৰ বিভিন্ন প্ৰান্তৰ আমন্ত্ৰিত বিহুদলৰ বিহুনৃত্য, লোকনৃত্য, লোকবাদ্য, জেংবিহু, হুঁচৰি আৰু বিভিন্ন জনগোষ্ঠীয় নৃত্য প্ৰদৰ্শন কৰা হয়। ১৭ এপ্ৰিলৰ দিনা পুৱা ১০ বজাৰ পৰা দিনযোৰা কাৰ্যসূচীৰে চিত্ৰাংকন প্ৰতিযোগিতা, মহিলাসকলৰ পিঠা-পনা প্ৰতিযোগিতা , অসমীয়া কৃষ্টি-সংস্কৃতি বিষয়ক বিশেষ কুইজ প্ৰতিযোগিতা , ঢোলবাদন, পেঁপাবাদন, গগনাবাদন , বাঁহীবাদন, বিহুগীত আৰু একক বিহুনৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়। সন্ধিয়া বিজয়ীসকলক নগদ ধন আৰু মান পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। আজি অন্তিম দিনা বিয়লি চ বজাৰ পৰা বিয়ানাম প্ৰতিযোগিতা , উৰুলি প্ৰতিযোগিতা ,অসমীয়া সাজ-পাৰ প্ৰতিযোগিতা, হুঁচৰি প্ৰতিযোগিতা আদি অনুষ্ঠিত হয়।

# নিৰুদ্দিষ্ট কিশোৰৰ মৃতদেহ উদ্ধাৰ

*১২ পৃষ্ঠাৰ পৰা* দেৱজিতক এৰি যায়। আইতাকৰ লালন-পালনত সাত বছৰত ভৰি দিয়া নিৰঞ্জন পৰিয়ালৰ লগতে অঞ্চলবাসীৰ আছিল অতি মৰমৰ। অতি সৰল কণমানিটোৰ মৃত্যুক সহজভাৱে ল'ব পৰা অঞ্চলবাসীয়ে। এই মৃত্যুৰ উৎস কি সঠিক তথ্য বিচাৰি উলিয়াবৰ বাবে অঞ্চলবাসীয়ে আৰক্ষী মহলক আহ্বান জনাইছে।

# পলাশবাৰী ৰঙামাটিত আয়ুষ্মান ভাৰতৰ

*১২ পৃষ্ঠাৰ পৰা* প্ৰাংগণত এখন খণ্ড ভিত্তিত স্বাস্থ্য মেলা অনুষ্ঠিত হয়। স্বাস্থ্য মেলাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে কামৰূপ জিলা স্বাস্থ্য বিভাগৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ গুণ গোবিন্দ শৰ্মাই। এই উপলক্ষে অনুষ্ঠিত সভাৰ আঁত ধৰে উপৰহালী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বিডিএম সুৱৰ্ণ দাস। উক্ত সভাত যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ গুণ গোবিন্দ শৰ্মা, ৰঙামাটি ৰাইজ গয়ৰহৰ সভাপতি গোলাপ মালাকৰ, কামৰূপ জিলাৰ ডিআইঅ' ডাঃ যুগল দাস, কামৰূপ জিলাৰ এন এইছ এমৰ ডিপি স্মিতা শইকীয়া, পলাশবাৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক প্ৰণৱ কলিতা, উপৰহালী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা চিকিৎসক আৰু স্বাস্থ্য বিষয়া ডাঃ শ্যাম প্ৰসাদ ৰাজমেধিয়ে উপস্থিত থাকি স্বাস্থ্য সম্পৰ্কীয় বিভিন্ন বিষয়ত ভাষণ আগবঢ়ায়।

# ন বছৰে বিকল হৈ আছে ফুতুৰীপাৰা

*১২ পৃষ্ঠাৰ পৰা* নাই বুলি স্থানীয় যুৱক নিৰ্মল সূত্ৰধৰে কয় । তেওঁ কয় যে বিগত ন বছৰে বিকল অৱস্থাত থকা আঁচনিখন কাৰ্যক্ষম কৰি তুলিবলৈ আমি বাৰে বাৰে গোৱালপাৰা জনস্বাস্থ্য কাৰিকৰী বিভাগক আবেদন জনায় আহিছো যদিও কোনো সুফল পোৱা নাই ।কৰ্তৃপক্ষৰ হেমাহিৰ বাবেই আঁচনিখন জংঘলে আৱৰি ধৰাৰ লগতে পাইপসমূহ ফাটি যোৱা বুলিও অভিযোগ উঠিছে । আৰ্থিক ভাৱে দুৰ্বল অঞ্চলটোত বসবাস কৰা ডেৰ শতাধিক পৰিয়ালৰ ভিতৰত সম্প্ৰতি অধিকাংশই বিশুদ্ধ খোৱা পানীৰ অভাৱত ভুগিছে । সেয়েহে বৃহত্তৰ স্বাৰ্থৰ খাতিৰতে অতি শীঘ্ৰেই পাইপ লাইনৰ কাম সম্পূৰ্ণ কৰি ৰাইজক পানী যোগান ধৰাৰ সুব্যৱস্থা কৰিবলৈ সূত্ৰধৰে বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে । উল্লেখ্য যে কেৱল ফুতুৰীপাৰাতেই নহয় জিলাখনৰ বিভিন্ন ঠাইত কেৱল কাগজে কলমে আঁচনি কাৰ্যক্ষম হৈ আছে যদিও বাস্তৱ ক্ষেত্ৰত বিপৰীত ছবিহে দেখিবলৈ পোৱা গৈছে ।

# টংলাত ৰঙালী বিহু উৎসৱৰ সামৰণি

*১২ পৃষ্ঠাৰ পৰা* ফটিক নন্দন ৰাভাৰ সম্পাদনাত প্ৰকাশিত মুখপত্ৰ কেতেকী উন্মোচন কৰে বিটিচিৰ উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰীয়ে। মেলাৰাম বড়ো আৰু উপেন চন্দ্ৰ ডেকাৰ সোঁৱৰণত বিশেষ সম্বৰ্ধনা আৰু অভিনন্দন অনুষ্ঠানত স্বাৱলম্বী মহিলা ইলা ডেকা, আধ্যাত্মিক সমাজ সংস্কাৰক জগন্নাথ বড়া ওজা, প্ৰবীন বৰঢুলীয়া আদিত্য ৰাভা, সমাজ কৰ্মী সত্য নাৰায়ণ বেৰীয়া, সমাজ সংস্কাৰক ডাঃ ৰঞ্জিত কুমাৰ পাল, ক্ষুদ্ৰ ব্যৱসায়ী কামিনী বৰ্মন আৰু উদীয়মান কণ্ঠশিল্পী ফুকন বড়োক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। আনহাতে, ১৬ এপ্ৰিলত পুৱা ১০ বজাত বৰ্ণাঢ্য সাংস্কৃতিক শোভা যাত্ৰা উদ্বোধন কৰে বিটিচিৰ কাৰ্যবাহী সদস্য দিগন্ত বৰুৱাই। উক্ত শোভাযাত্ৰা অংশগ্ৰহণ কৰে জনপ্ৰিয় অভিনেত্ৰী অমৃতা গগৈ, ইউটিউবাৰ বিকাশ ছেত্ৰী আৰু বিভিন্ন জনগোষ্ঠীৰ দলে। আনহাতে, আবেলি ৩-৩০ বজাত অনুষ্ঠিত হোৱা মুকলি বিহু প্ৰতিযোগিতা শুভ উদ্বোধন কৰে মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই। উক্ত প্ৰতিযোগিতাত শ্ৰেষ্ঠ বিহু দলৰ সন্মান অৰ্জন কৰে বৰজলাহ বিহু দলে। দ্বিতীয় শ্ৰেষ্ঠ দলৰ খিতাপ লাভ কৰা শিৱসাগৰৰ জাঁজীপৰীয়া দলৰ লগতে শ্ৰেষ্ঠা বিহুৱতী, শ্ৰেষ্ঠ বিহুৱা, শ্ৰেষ্ঠ ঢুলীয়াৰ সন্মান অৰ্জন কৰে দিশা বৰ্মন, ঋতু গগৈ আৰু নিতুল দাসে। শ্ৰেষ্ঠ পেঁপাবাদক মন্টু ডেকা, শ্ৰেষ্ঠ শৃংখলাবদ্ধ দল ৰংপুৰীয়া বিহু দল আৰু শ্ৰেষ্ঠ হুঁচৰি দল অসমী আঞ্চলিক হুঁচৰি দলে লাভ কৰে। কালি সন্ধিয়া ছয় বজাত সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰে অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে।

# বক্তৃতা হৈছে সাধনাৰ অবিচ্ছেদ্য অংগ

*১২ পৃষ্ঠাৰ পৰা* কথা বেছি আলোচনা কৰিলে তেওঁলোকক ওপৰলৈ লৈ যোৱা হ'ব। আনহাতে, সাংসদগৰাকীয়ে পৌৰ নিগমৰ নিৰ্বাচনত বিজেপিয়ে ভাল ফল লাভ কৰিব বুলি দাবী কৰে। ইফালে, হিন্দী ভাষা বাধ্যতামূলক সন্দৰ্ভতো প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সাংসদগৰাকীয়ে কয় যে হিন্দী ভাষা বাধ্যতামূলক কৰাটো ভাল হৈছে। নহ'লে, বাহিৰত গ'লে আমাৰ ল'ৰা-ছোৱালীয়ে ইয়াৰ বাবে অসুবিধাৰ সন্মুখীন হয়। সভাত উপস্থিত থকা ছিপাঝাৰৰ বিধায়ক পৰমানন্দ ৰাজবংশীয়ে আছুতীয়া সাক্ষাৎকাৰত হিন্দী ভাষাৰ বাধ্যতামূলক সন্দৰ্ভত দল-সংগঠনে একো নুবুজাকৈ বিষয়টোৰ ভিতৰত নোসোমোৱাকৈয়ে অনাহকত হৈ-চৈ কৰা বুলি কয়। বিধায়কজন হিন্দী ভাষা বাধ্যতামূলক অধ্যয়নৰ বিৰোধিতা কৰা দল-সংগঠনক তেওঁৰ স'তে বহিবলৈ আহ্বান জনায়। সভাৰ শেষত শলাগৰ শৰাই আগবঢ়ায় পংকজ শৰ্মাই। শিখা বৰঠাকুৰে আঁত ধৰা সভাৰ পূৰ্বে বেদ বিদ্যালয়ৰ ছাত্ৰবৃন্দৰ দ্বাৰা মংগলাচৰণ, প্ৰয়াত শৰ্মাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰা হয়। পুৱাৰ ভাগত মহিলা সমিতিৰ দ্বাৰা নাম-কীৰ্তন কৰা হয়। দুপৰীয়া হোম, পূৰ্ণাহুতি, প্ৰসাদ বিতৰণ। সন্ধিয়া ইস্কনৰ সদস্যৰ দ্বাৰা নাম-কীৰ্তন, আৰতি প্ৰদান, সংকীৰ্তন আদি অনুষ্ঠিত হয়।

# চামতাত বৰ্ণাঢ্য কাৰ্যসূচীৰে অসম কবি

*১২ পৃষ্ঠাৰ পৰা* একাডেমীৰ অধ্যক্ষ তথা বিশিষ্ট কবি ড° বিনয় কুমাৰ মজুমদাৰৰ সঞ্চালনাত অনুষ্ঠিত হ'ব লগা কবিতা পাঠৰ অনুষ্ঠানত বিশিষ্ট কবি প্ৰণৱ কুমাৰ বৰ্মন, নৱজ্যোতি পাঠক, অজিত মহন্ত, ডাঃ পংকজ গোৱিন্দ মেধি, শান্তনু শৰ্মা, ড° বিজয় শংকৰ বৰ্মন, কমল কুমাৰ জৈন, বিপুল কুমাৰ দত্ত, আবেদুৰ ৰহমান, ড° জয়জিৎ ডেকা, আব্দুল মজিদ, দিপালীমা দত্ত, ডাঃ কৌশিক বাস্যস, অনুপ দত্ত প্ৰমুখ্যে ভালেসংখ্যক বিশিষ্ট কবিয়ে আমন্ত্ৰিত কবি হিচাবে অংশগ্ৰহণ কৰিব। বিয়লি চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বীৰেন্দ্ৰ নাথ বৰ্মনে প্ৰতিনিধি শিৱিৰৰ দ্বাৰ উন্মোচন কৰাৰ পাছতে প্ৰতিনিধি সভা অনুষ্ঠিত হ'ব। সন্ধিয়া সাহিত্য একাডেমিৰ যুৱ সাহিত্য বঁটা প্ৰাপক বিশিষ্ট কবি ড° বিজয় শংকৰ বৰ্মনে কেন্দ্ৰীয় সমিতি আৰু আদৰণি সমিতিৰ অন্তৰংগ আলাপ অনুষ্ঠান উদ্বোধন কৰিব ।ইফালে, ২৪ এপ্ৰিলৰ পুৱা সম্পন্ন হ'ব লগা গছপুলি ৰোপণ কাৰ্যসূচীত নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° প্ৰমোদ হালৈ, পশ্চিম নলবাৰীৰ ৰাজহ চক্ৰ বিষয়া অৰ্পণা শৰ্মা, পশ্চিম নলবাৰীৰ খণ্ড উন্নয়ন বিষয়া শিখামণি বৰা, চামতাৰ কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ দেৱেন্দ্ৰ নাথ বেজবৰুৱা আৰু বেলশৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া লিটুমণি শৰ্মাই ৰোপক হিচাবে অংশ ল'ব। অসম কবি সন্মিলনৰ সভাপতি ড° বসন্ত কুমাৰ ভট্টাচাৰ্যৰ সভাপতিত্বত অনুষ্ঠিত হ'ব মুকলি সভা আৰু স্মৃতিগ্ৰন্থ উন্মোচনী সভা। মুকলি সভাত বিশিষ্ট সাহিত্যিক থানেশ্বৰ মালাকাৰে স্মৃতিগ্ৰন্থ উন্মোচক, বিশিষ্ট কবি নীলিম কুমাৰে গ্ৰন্থ উন্মোচক, ধৰ্মপুৰৰ বিধায়ক তথা উদ্যোগ-বাণিজ্য, পৰিবহণ, দক্ষতা বিকাশ, সংখ্যালঘু উন্নয়ন বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে মুখ্য অতিথি, অসম সাহিত্য সভাৰ উপ-সভাপতি তথা অসম কবি সন্মিলনৰ উপদেষ্টা মৃণালিনী দেৱীয়ে সন্মানীয় অতিথি, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° অৰণী কুমাৰ ভাগৱতীয়ে নিৰ্দিষ্ট বক্তা, নলবাৰী জিলাৰ উপায়ুক্ত গীতিমণি ফুকন আৰু চৰাইদেউ জিলাৰ অৱসৰপ্ৰাপ্ত উপায়ুক্ত বিবেকানন্দ ফুকনে বিশিষ্ট অতিথি হিচাবে উপস্থিত থাকিব। এই অনুষ্ঠানতে অসম কবি সন্মিলনৰ তৰফৰ পৰা সাহিত্যাচাৰ্য ড° বসন্ত কুমাৰ ভট্টাচাৰ্য, প্ৰয়াত নাট্যশিল্পী হিৰণ্য বৰ্মন আৰু বিশিষ্ট কবি আব্দুল এ কে মালিকক বিশেষ উপাধি আৰু নাগাৰা নামৰ শিল্পী ৰামচৰণ ভৰালী, সাহিত্যিক পেঞ্চনাৰ যাদৱ সেন ডেকা, প্ৰবীণ সমাজকৰ্মী অপূৰ্ব বৰ্মন, নাট্যশিল্পী মদন মজুমদাৰ আৰু প্ৰবীণ অভিনেতা বিনোদ শৰ্মাক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হ'ব।

### অধিৱেশনৰ স্থান সলনি

ইফালে, অধিৱেশনখন চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ গৌৰীকান্ত তালুকদাৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও শেহতীয়াকৈ বিশেষ কাৰণবশত: অধিৱেশনৰ সকলো কাৰ্যসূচী চামতাৰ অন্যতম সামাজিক-সাংস্কৃতিক অনুষ্ঠান ৰূপকোঁৱৰ কলা পৰিষদৰ প্ৰাংগণত অনুষ্ঠিত হ'ব বুলি আদৰণি সমিতিৰ সভাপতি দীপক কুমাৰ শৰ্মা আৰু মুখ্য সম্পাদক দ্বীপেন মেনাই আজি সাংবাদিকক জানিব দিছে।

# আমগুৰিত দুদিনীয়া কাৰ্যসূচীৰে ৰঙালী বিহু উৎসৱ উদ্‌যাপনৰ প্ৰস্তুতি

## অসম ভিত্তিত ৰচনা প্ৰতিযোগিতাৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**আমগুৰি, ১৮ এপ্ৰিল ঃ** বৃহত্তৰ আমগুৰি কেন্দ্ৰীয় ৰঙালী বিহু উৎসৱ উদ্‌যাপন সমিতিয়ে অহা ২৪ আৰু ২৫ এপ্ৰিলত আমগুৰি হাইস্কুল খেলপথাৰত ৰঙালী বিহু উৎসৱ উদ্‌যাপনৰ প্ৰস্তুতি চলাইছে। দিগন্ত বৰুৱাক কাৰ্যকৰী সভাপতি আৰু পুলকেশ বৰুৱাক মুখ্য সম্পাদক হিচাপে লৈ গঠন কৰা উদ্‌যাপন সমিতিয়ে দুয়োদিনৰ কাৰ্যসূচী আজি এক সংবাদমেলৰ যোগে ঘোষণা কৰে। প্ৰথম দিনা পতাকা উত্তোলন কৰিব উদ্‌যাপন সমিতিৰ সভাপতি দিগন্ত বৰুৱাই। স্মৃতি তৰ্পণ কৰিব কাৰ্যকৰী সভাপতি পংকজ ভট্টাচাৰ্যই। মঞ্চ আৰু মণ্ডপ উদ্বোধন কৰিব কাৰ্যকৰী সভাপতি সুনীল দাসে। উক্ত দিনাই অনুষ্ঠিত হ'ব কণী যুঁজ, চিত্ৰাংকন, পিঠা-পনা আৰু গামোচা প্ৰতিযোগিতা। দুপৰীয়া অনুষ্ঠিতব্য সৰু বিহুৱতী আৰু হুঁচৰি প্ৰতিযোগিতা উদ্বোধন কৰিব বিশিষ্ট ব্যৱসায়ী হৰিপ্ৰসন্ন হাজৰিকাই। ২৫ এপ্ৰিলৰ 'সমন্বয় অসম' শীৰ্ষক বাৰেৰহণীয়া সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰিব আমগুৰিৰ বিধায়ক প্ৰদীপ হাজৰিকাই। সন্ধিয়া অনুষ্ঠিত হ'ব বঁটা বিতৰণী আৰু বিশিষ্ট ব্যক্তিৰ সম্বৰ্ধনা। সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব সাংসদ তপন গগৈয়ে। নিশালৈ গায়ক আচুৰ্য বৰপাত্ৰই গীতৰ শৰাই আগবঢ়াব। বিভিন্ন প্ৰতিযোগিতাৰ ভিতৰত কণীযুঁজৰ পুৰস্কাৰ ক্ৰমে এহেজাৰ আৰু পাঁচশ টকা। যোগদান মাচুল ১০ টকা। দুটা শাখাত অনুষ্ঠিত হ'বলগীয়া চিত্ৰাংকন প্ৰতিযোগিতাৰ পুৰস্কাৰ ক্ৰমে এহেজাৰ, সাতশ, পাঁচশ, সাতশ, পাঁচশ আৰু তিনিশ টকা। প্ৰথম, দ্বিতীয় শ্ৰেণীলৈ 'ক' শাখা আৰু তৃতীয় শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ 'খ' শাখা। সদৌ অসম ভিত্তিত অনুষ্ঠিত ৰচনা প্ৰতিযোগিতাৰ বিষয় বিহুনামত প্ৰকৃতিৰ চিত্ৰ (নৱমৰ পৰা দ্বাদশলৈ)। প্ৰতিযোগীসকলক ক্ৰমে ১৫শ, এহেজাৰ আৰু সাতশ টকা নগদ ধনসহ কিতাপৰ টোপোলা আৰু মানপত্ৰ প্ৰদান কৰা হ'ব। ৰচনাসমূহ নৱদ্বীপ হাজৰিকা, মাৰফৎ ৰংপুৰ অফছেটৰ ঠিকনাত অথবা navadeephazarika@gmail.com ঠিকনাত প্ৰেৰণ কৰিব পাৰিব। সৰু বিহুৱতী প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ১৫ হেজাৰ, দ্বিতীয় পুৰস্কাৰ ১০ হেজাৰ আৰু তৃতীয় পুৰস্কাৰ সাত হেজাৰ টকা প্ৰদান কৰা হ'ব। বৰ বিহুৱতী প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ ৪০ হেজাৰ টকাসহ এটা টেবলেট, দ্বিতীয় শ্ৰেষ্ঠক ২৫ হেজাৰ টকা আৰু শ্ৰেষ্ঠ হুঁচৰি দলক নগদ ৪০ হেজাৰ টকা, দ্বিতীয় শ্ৰেষ্ঠ দলক ২৫ হেজাৰ টকা পুৰস্কাৰ প্ৰদান কৰা হ'ব বুলি উদ্‌যাপন সমিতিয়ে সদৰী কৰে। সকলো ধৰণৰ যোগাযোগৰ বাবে প্ৰসন্নজ্যোতি বৰঠাকুৰ, নৱদ্বীপ হাজৰিকা, নৱনীতা গগৈ আদিৰ স'তে ৯১০১২৭৫২৪৪, ৭০০২০২৭৯৫০, ৭০০২২৩৮৪৫৫ নম্বৰত যোগাযোগ কৰিবলৈ উদ্‌যাপন সমিতিয়ে অনুৰোধ জনাইছে।

# সচেতন নাগৰিক মঞ্চ, কৃষ্ণাইৰ উদ্যোগত সমূহীয়া ইফতাৰ

**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ১৮ এপ্ৰিল ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাইত কালি সন্ধিয়া সচেতন নাগৰিক মঞ্চ, কৃষ্ণাইৰ উদ্যোগত সমূহীয়া ইফতাৰ অনুষ্ঠিত হয়। কৃষ্ণাই হাইস্কুল প্ৰাংগণত আয়োজিত সমূহীয়া ইফতাৰত হিন্দু-মুছলমান সমন্বিতে সকলো জাতি-জনগোষ্ঠীৰ লোকে অংশগ্ৰহণ কৰে। উল্লেখ্য যে সচেতন নাগৰিক মঞ্চ, কৃষ্ণাই অঞ্চলটোৰ অগ্ৰণী অনুষ্ঠানটোৱে বিগত প্ৰায় দুবছৰ ধৰি এইদৰে সমূহীয়া ইফতাৰৰ আয়োজন কৰি আহিছে। অনুষ্ঠানত উপস্থিত থাকি সন্তোষ প্ৰকাশ কৰে দুধনৈ বিধানসভা সমষ্টিৰ বিধায়ক যাদৱ স্বৰ্গীয়াৰীয়ে। তেওঁ কয় যে এনে ধৰণৰ সুন্দৰ অনুষ্ঠানে ৰাইজৰ মাজত শান্তি শৃংখলা প্ৰতিষ্ঠা কৰাত অৰিহণা যোগায়। সমূহীয়া ইফতাৰত অঞ্চলটোৰ কে'বা শতাধিক লোক উপস্থিত থাকে।

# গোৱালপাৰাৰত বিজেপিৰ চাফাই অভিযান কাৰ্যসূচী



**আলোপতি, ১৮ এপ্ৰিল ঃ** বিজেপিৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আজি গোৱালপাৰা জিলাৰ অন্তৰ্গত কুশধোৱা মণ্ডল বিজেপিৰ উদ্যোগত এক চাফাই অভিযান কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বিজেপিৰ একাংশ কাৰ্যকৰ্তাই হাতে হাতে ঝাড়ু, কোৰ, পাচি আদি লৈ শিমলীতোলা বিহু ফিল্ড আৰু স্থানীয় কে এন মেধি ৰাজ্যিক চিকিৎসালয় চৌহদত চাফাই অভিযান চলাই পৰিষ্কাৰ-পৰিচ্ছন্ন কৰে। চাফাই অভিযান কাৰ্যসূচীত প্ৰাক্তন বিধায়ক তথা বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য শিৱচৰণ বসুমতাৰী, গোৱালপাৰা জিলা বিজেপিৰ উপ-সভাপতি শ্যামজিৎ ৰাভা, কুশধোৱা মণ্ডল বিজেপিৰ সভাপতি ৰাকেশ সাহা, জিলা কাৰ্যনিৰ্বাহক সদস্য হেমংগ শইকীয়া, কুশধোৱা মণ্ডলৰ উপ-সভাপতি ৰূপম ৰাভা, সাধাৰণ সম্পাদক বিশ্বজিৎ কছাৰী, বিজেপিৰ ৰাজ্যিক সামাজিক মাধ্যমৰ সদস্য অনুকূল পাল প্ৰমুখ্যে বিজেপিৰ বহু সংখ্যক কাৰ্যকৰ্তা উপস্থিত থাকে।

# টিহু মহাবিদ্যালয়ৰ অধ্যাপক জগদীশ তালুকদাৰক স্মৰণ

## বিভিন্ন সংগঠন-অনুষ্ঠানৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন



**অগ্ৰদূত বাৰ্তা**

**টিহু, ১৮ এপ্ৰিল ঃ** টিহু মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক জগদীশ তালুকদাৰক আজি টিহু ৰাজহুৱা পুথিভঁৰাল আৰু টিহু জ্যেষ্ঠ নাগৰিক সন্মিলনৰ উদ্যোগত ৰাজহুৱাভাৱে স্মৰণ কৰা হয়। এই উদ্দেশ্যে টিহু ৰাজহুৱা পুথিভঁৰাল সমিতিৰ সভাপতি ড° সুৰেশ চন্দ্ৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত স্মৃতিচাৰণ সভাত টিহু মহাবিদ্যালয়ৰ উপাধ্যক্ষ বাবুল ডেকা, টিহু জ্যেষ্ঠ নাগৰিক সন্মিলনৰ সম্পাদক গুণেশ্বৰ দাস,টিহু চেম্বাৰ্চ অৱ কমাৰ্ছৰ সম্পাদক জীতেন তালুকদাৰকে ধৰি কে'বাগৰাকী ব্যক্তিয়ে তালুকদাৰৰ কালোত্তীৰ্ণ কৰ্মজীৱনৰ বিষয়ে আলোকপাত কৰে। টিহু ৰাজহুৱা পুথিভঁৰাল সমিতিৰ সম্পাদক শংকৰ কুমাৰ দাসে উদ্দেশ্য ব্যাখ্যা কৰা আৰু আঁত ধৰা সভাৰ পূৰ্বে তালুকদাৰৰ প্ৰতিচ্ছৱিত বন্তি প্ৰজ্বলন কৰে তেওঁৰ সহধৰ্মিণী ৰঞ্জু তালুকদাৰে আৰু মাল্যাৰ্পণ কৰে একমাত্ৰ পুত্ৰ মৌচম তালুকদাৰে। সভাত টিহু আঞ্চলিক উন্নয়ন সমিতি, টিহু সাহিত্য সভা, টিহু মহকুমাৰ ৰিপ'ৰ্টাছ এছ'চিয়েছন, টিহু ৰাজহুৱা পুথিভঁৰাল সমিতি, টিহু বাৰোৱাৰী ৰাস মহোৎসৱ সমিতি, টিহু বাৰোৱাৰী দুৰ্গা পূজা সমিতি, টিহু শাখা লেখিকা সমাৰোহ সমিতি, টিহু জ্যেষ্ঠ নাগৰিক সন্মিলন, টিহু নগৰ উন্নয়ন সমিতি, অসম বিজ্ঞান সমিতি টিহু, টিহু আঞ্চলিক জ্ঞানজ্যোতি মহিলা পৰিষদ, ইলোৱা বিজ্ঞান মঞ্চ টিহু, শংকৰদেৱ একাডেমী টিহু, খৰ্গেশ্বৰী অফচেট প্ৰিণ্টাৰ্ছ, টিহু মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী গোট আদিয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

# দুদিনীয়া কাৰ্যক্ৰমণিকাৰে হাউলীত ৰঙালী বিহু আৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**হাউলী, ১৮ এপ্ৰিল ঃ** সদৌ হাউলী ৰঙালী বিহু উদ্‌যাপন সমিতিৰ উদ্যোগত আজিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে ৪৪ সংখ্যক ৰঙালী বিহু আৰম্ভ হয়। পুৱা ৰঙালী বিহুৰ পতাকা উত্তোলন কৰে উদ্‌যাপন সমিতিৰ সভাপতি উপেন দাসে। স্মৃতি তৰ্পণ কৰে উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি মহাদেৱ দাসে। ইয়াৰ পাছতে সংগ্ৰামী নেতা নিশিথ দাসৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ, ছহিদ তৰ্পণ, বৃক্ষৰোপণৰ পাছতেই সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত হয়। সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে হাউলী পৌৰসভাৰ কাৰ্যবাহী বিষয়া নিমাশ্ৰী ডাউকাই। বিয়লি ডাঃ সুৰেন্দ্ৰ নাথ দাস সোঁৱৰণী মুকলি বিহু প্ৰতিযোগিতা উদ্বোধন কৰে সদৌ অসম ছাত্ৰ সন্থাৰ উপ-সভাপতি উৎপল শৰ্মাই। অনুষ্ঠানত অংশগ্ৰহণ কৰে অভিনেত্ৰী মেঘৰঞ্জনীয়ে। কাইলৈ পুৱা বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা উদ্বোধন কৰিব হাউলী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া গোপাল বৰাই। পাছত পদ্মিনী কলিতা বায়ন সোঁৱৰণী চিত্ৰাংকন প্ৰতিযোগিতা আৰু কমল চন্দ্ৰ বায়ন সোঁৱৰণী ভেশছন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া স্মৃতিগ্ৰন্থ 'ব'হাগী' উন্মোচন আৰু বঁটা বিতৰণী অনুষ্ঠানত আদৰণি ভাষণ ৰাখিব ৰঙালী বিহুৰ উদ্‌যাপন সমিতিৰ সভাপতি উপেন দাসে। স্মৃতিগ্ৰন্থ 'ব'হাগী' উন্মোচন কৰিব বৰপেটা জিলাৰ উপায়ুক্ত তেজ প্ৰসাদ ভূষালে। অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব প্ৰাক্তন মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, বৰপেটা বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক গুণীন্দ্ৰ নাথ দাস, বিটিআৰৰ কাৰ্যবাহী সদস্য গৌতম দাস, সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক কৃষ্ণকান্ত দাসে। নিশা সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰিব অসম বিধানসভাৰ প্ৰধান সচিব হেমেন দাসে। সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰিব অসমৰ জনপ্ৰিয় কণ্ঠ শিল্পী ৰিছা ভৰদ্বাজে।

# নাহৰকটীয়াৰ আচাবাম চাহ বাগিচাৰ শতবৰ্ষ জয়ন্তীৰ সামৰণি



**অগ্ৰদূত বাৰ্তা**

**নাহৰকটীয়া, ১৮ এপ্ৰিল ঃ** এমাল গামেটেড প্লেনটেচন লিমিটেডৰ অধীনৰ আচবাম চাহ বাগিচাই গৌৰৱ উজ্জ্বল এশটা বৰ্ষ অতিক্ৰম কৰা উপলক্ষে শতবৰ্ষ জয়ন্তী উদ্‌যাপনৰ আয়োজন কৰা হয়। আচবাম চাহ বাগিচাৰ উদ্যোগত আৰু স্থানীয় ৰাইজৰ সহযোগত আচাবাম চাহ বাগিচা খেলপথাৰত যোৱা ১৬ এপ্ৰিলৰ পৰা দুদিনীয়াকৈ অনুষ্ঠিত কৰা শতবৰ্ষ জয়ন্তীৰ কালি সামৰণি পৰে। আচাবাম চাহ বাগিচাৰ প্ৰধান পৰিচালক চফিকুজ জামান বড়াই শতবৰ্ষ জয়ন্তীৰ পতাকা উত্তোলন কৰাৰ পাছতেই স্মৃতি তৰ্পণ মুকলি কৰে উদযাপন সমিতিৰ সম্পাদক খৰ্গেশ্বৰ তাঁতীয়ে। আচাবাম চাহ বাগিচাৰ কল্যাণ বিষয়া গণেশ কলিতাই মঞ্চ মুকলি কৰাৰ পাছতেই অনুষ্ঠিত হয় ঝুমইৰ, উড়ীয়া, টুচু আদি বিভিন্ন নৃত্য-গীতৰ প্ৰদৰ্শন। নিশা বন্তি প্ৰজ্বলন আৰু স্থানীয় শিল্পীৰ সাংস্কৃতিক অনুষ্ঠানেৰে প্ৰথম দিনাৰ কাৰ্যসূচীৰ অন্ত পৰে। সামৰণিৰ দিনা উলিওৱা হয় বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা। অক্ষয় পানিকা আৰু লক্ষেশ্বৰ বাৰিকে উদ্বোধন কৰা সাংস্কৃতিক শোভাযাত্ৰাত ২০টাৰো অধিক সাংস্কৃতিক দলে অংশগ্ৰহণ কৰে। বিয়লি মুকলি সভা আৰু নিশালৈ আমন্ত্ৰিত শিল্পীৰ দ্বাৰা অনুষ্ঠিত সাংস্কৃতিক সন্ধিয়াৰে সামৰণি পৰে শতবৰ্ষ জয়ন্তী। উল্লেখ্য যে ১৯২১ত মিষ্টাৰ নল নামৰ ইংৰাজ চাহাবে বৰহাটৰ পৰা ঘোঁৰাৰে আচাবামত উপস্থিত হৈ আচাবাম নামেৰে বাগিচাখন স্থাপন কৰে। ২০২১তে শতবৰ্ষ অতিক্ৰম কৰা বাগিচাখনে ক'ভিডসৃষ্ট পৰিৱেশৰ বাবে শতবৰ্ষ অনুষ্ঠান আয়োজন কৰিব নোৱৰাত চলিত বৰ্ষত দুদিনীয়াকৈ অনুষ্ঠিত কৰা হয় বুলি জানিবলৈ দিয়ে আয়োজক সমিতিয়ে।


# বিশ্বনাথৰ মধুপুৰত চোৰে চলালে চাফাই অভিযান

## ■ চোৰে পাকঘৰত সোমাই আমলেট, চাহ খাই চলালে চাফাই অভিযান

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১৮ এপ্ৰিল ঃ** বিশ্বনাথ চাৰিআলিৰ মধুপুৰত যোৱা নিশা চোৰে চুৰি কাণ্ড সংঘটিত কৰে। বিহুৰ আনন্দ-উল্লাসৰ মাজত ঘৰত কোনো নথকাৰ সুযোগ লৈ নিশা চোৰে চাফাই অভিযান চলায়। বিশ্বনাথ চাৰিআলিৰ মধুপুৰস্থিত ব্যক্তিগত খণ্ডৰ মহাবিদ্যালয় ফ্লৰেন্স একাডেমীৰ স্বত্বাধিকাৰীৰ ঘৰত চোৰে লকাৰ ভাঙি প্ৰায় নগদ ২০ হেজাৰ টকা আৰু সোণ-ৰূপৰ আ-অলংকাৰ চুৰি কৰাৰ লগতে আন বহু মূল্যবান সা-সামগ্ৰী লৈ যায়। চোৰে ইমানতে ক্ষান্ত নাথাকি পাকঘৰত সোমাই চাহ-আমলেট, মুৰি খাই যায়। পুৱাৰ ভাগত ঘৰৰ গৃহস্থ আহি উপস্থিত হোৱাত সমগ্ৰ ঘটনা পোহৰলৈ আহে। ইতিমধ্যে বিশ্বনাথ আৰক্ষী থানাৰ আৰক্ষীৰ দল উপস্থিত হৈ ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে। কিন্তু বিশ্বনাথ চাৰিআলিৰ মাজমজিয়াত বিহু উপলক্ষে নিশা কোনো নথকাৰ সুযোগ লৈ চোৰে চলোৱা চাফাই অভিযানক কেন্দ্ৰ কৰি এতিয়া বিশ্বনাথবাসীক শংকিত কৰি তুলিছে।

# অৱসৰপ্ৰাপ্ত অধ্যক্ষ পূৰ্ণিমা তামুলী গগৈৰ বিয়োগ



**খুমটাই, ১৮ এপ্ৰিল ঃ** গোলাঘাট জিলাৰ খমুটাইৰ ভোলাগুৰি কমলা মিৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা পূৰ্ণিমা তামুলী গগৈ(৬২)ৰ আজি পুৱা হৃদক্ৰিয়া বন্ধ হৈ নিজ বাসগৃহত মৃত্যু হয়। সৰবৰহী শিক্ষয়িত্ৰীগৰাকীৰ মৃত্যু খবৰ বিয়পি পৰাৰ লগে লগে পুৱাৰ পৰা বিভিন্ন গুণমুগ্ধই ভোলাগুৰিস্থিত বাসগৃহ ভিৰ কৰে। আনহাতে, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বোকাখাত জিলা শাখাৰ অন্তৰ্গত ভোলাগুৰি প্ৰাথমিক শাখাৰ একনিষ্ঠ সংগী হোৱাৰ লগতে বিভিন্ন ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত প্ৰাক্তন অধ্যক্ষাগৰাকীৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। ইফালে, প্ৰাক্তন অধ্যক্ষা তথা ধৰ্মপ্ৰাণ মহিলাগৰাকীৰ মৃত্যুত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বোকাখাত জিলা শাখা, সংঘৰ ভোলাগুৰি প্ৰাথমিক শাখা, ভোলাগুৰি কমলা মিৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়, বাদুলিপাৰ আঞ্চলিক ছাত্ৰ সন্থা, ভোলাগুৰি লাচিত ক্লাব, ভোলাগুৰি ক্ৰীড়া সন্থা, আপিৰাম গগৈ উচ্চ মাধ্যমিক বিদ্যালয়, ভোলাগুৰি বালিকা প্ৰাথমিক বিদ্যালয়, বাদুলিপাৰ উচ্চ মাধ্যমিক বিদ্যালয়, জাৰ্ণেলিষ্ট ইউনিয়ন অৱ আছাম গোলাঘাট জিলা সমিতি, খুমটাই আঞ্চলিক সাংবাদিক সংস্থা আদিৰ লগতে বিভিন্ন সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে বিভিন্নজনে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পুত্ৰ-বোৱাৰী, জী-জোঁৱাই, নাতি-নাতিনী, আত্মীয়-স্বজনক ইহ সংসাৰত এৰি গৈছে।

# দশম স্মৃতি দিৱসত মাজুলী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষলৈ শ্ৰদ্ধাঞ্জলি


## মাজুলী মহাবিদ্যালয়ত অতুল গোস্বামী স্মাৰক ৰেব-সন্মিলন সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ১৮ এপ্ৰিল ঃ** মাজুলী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ, শিক্ষাৰত্ন অতুল চন্দ্ৰ গোস্বামীৰ দশম স্মৃতি দিৱস উপলক্ষে মাজুলী মহাবিদ্যালয় পৰিয়ালৰ উদ্যোগত আৰু মহাবিদ্যালয় মহিলা কোষৰ সহযোগত আজি এক বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই উপলক্ষে পুৱা ১১ বজাত মহবিদ্যালয় প্ৰাংগণত প্ৰতিষ্ঠিত শিক্ষাৰত্নজনৰ প্ৰতিমূৰ্তিৰ সন্মুখত বন্তি প্ৰজ্বলনৰ লগতে মাল্যাৰ্পণ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ দেৱজিৎ শইকীয়াই। মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক অৰনী কুমাৰ দত্তই আঁত ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত প্ৰশাসনিক সমন্বয়ক হৰেন চন্দ্ৰ শইকীয়া, শিক্ষক গোটৰ সম্পাদক তুলসী ৰাজখোৱা, মহাবিদ্যালয় কৰ্মচাৰী গোটৰ সভাপতি গোবিন বৰুৱাই শিক্ষাবিদজনলৈ শ্ৰদ্ধা নিবেদন কৰে। বিয়লি তিনি বজাৰ পৰা অনুষ্ঠিত 'এগৰাকী ত্যাগী মানৱ-খনিকৰৰ কালজয়ী অৱদানৰ পম খেতি...' শীৰ্ষক ৰেব-সন্মিলনখন উদ্বোধন কৰি



মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শইকীয়াই কয়, 'বিংশ শতাব্দীৰ ৬০ৰ দশকৰ আওহতীয়া মাজুলীৰো ভিতৰুৱা ঠাই সাঁকোপৰা অঞ্চলৰ পৰা ওলাই আহি নিজকে সুপ্ৰতিষ্ঠিত কৰাৰ লগতে গোটেই মাজুলীখনকে বিদ্যাৰ আলোকেৰে আলোকিত কৰিবলৈ অতুল চন্দ্ৰ গোস্বামীয়ে কৰা ত্যাগৰ কথা কোনোকালে মাজুলীবাসীয়ে পাহৰিব নোৱাৰে।' অধ্যাপিকা ড০ জুলী গগৈয়ে আঁত ধৰা সন্মিলনত সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰি মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ আৰতি বৰাই কয় যে সহজ-সৰল জীৱনচৰ্যাৰে পৰিচালিত হোৱা অতুল গোস্বামী আছিল সীমাহীন ধৈৰ্য আৰু সাহসৰ প্ৰতিভূ। ৰেব সন্মিলনত উপস্থিত থাকি লখিমপুৰ তেলাহী কমলাবাৰী মহাবিদ্যালয়ৰ অৱসৰী উপাধ্যক্ষ ড০ হামিদুৰ ৰহমান, মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰশাসনিক সমন্বয়ক ড০ আনন্দ হাজৰিকা, নাজিৰা মহাবিদ্যালয়ৰ অধ্যাপক ৰাজীৱ বৰা, পূব ডিব্ৰুং মহাবিদ্যালয়ৰ অধ্যাপক ৰবীন শইকীয়া, মাজুলী জিলা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী মিনতি শইকীয়া, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী ৰেণুমালা দত্ত, শিক্ষা বিষয়া পৰশ গোস্বামী, সমাজকৰ্মী জিতেন দোলাকাষৰীয়া, যুগল হাজৰিকা আদিয়ে বক্তব্য আগবঢ়ায়।





## আইপিএলৰ ইতিহাসত প্ৰথম
# দৌৰিয়েই চাৰি ৰাণ সংগ্ৰহ কৰিলে দুই বেটাৰে

**নিউজ ব্যুৰ'**
**মুম্বাই, ১৮ এপ্ৰিল ঃ** কলকাতা নাইট ৰাইডাৰ্চৰ বিপক্ষে আজি অনুষ্ঠিত আইপিএলৰ খেলত বিশেষ নজিৰ স্থাপন কৰিলে ৰাজস্থান ৰয়েল্‌ছৰ দুই অপেনাৰ জ'ছ বাটলাৰ আৰু দেৱদত্ত পাল্লিকালে। কোনো অভাৰ থ্ৰ' অবিহনেই কেৱল দৌৰিয়েই চাৰি ৰাণ সংগ্ৰহ কৰিলে দুই বেটাৰে। আইপিএলৰ ইতিহাসত প্ৰথমবাৰলৈ এনে ঘটনা সংঘটিত হ'ল। ইনিংছৰ তৃতীয় অভাৰত উমেশ যাদৱৰ অন্তিম বলটো বেটাৰ বাটলাৰে বেকৱাৰ্ড পইণ্ট অঞ্চলেৰে ঠেলি পঠায়। ফিল্ডাৰ ভেংকটেশ আয়াৰে দৌৰি গৈ প্ৰায় নিশ্চিত বাউণ্ডেৰী ৰক্ষা কৰে যদিও তেতিয়ালৈ বহু পলম হৈছিল। কিয়নো ফিল্ডৰ সেই অঞ্চল উইকেটৰ পৰা কিছু দূৰত থকাৰ বাবে আয়াৰে বলটো বাউণ্ডেৰী লাইনত আয়ত্ত কৰি উইকেট কীপাৰলৈ পঠিওৱাৰ সময়লৈ বাটলাৰ আৰু পাল্লিকালে দৌৰিয়েই চাৰি ৰাণ সংগ্ৰহ কৰে।

# বাটলাৰৰ শতক-চাহালৰ হেট্ৰিক
# নাটকীয়ভাৱে জয় ৰাজস্থানৰ

**নিউজ ব্যুৰ'**
**মুম্বাই, ১৮ এপ্ৰিল ঃ** জ'ছ বাটলাৰৰ শতক আৰু যুজৱেন্দ্ৰ চাহালৰ হেট্ৰিকৰ সহায়েৰে কলকাতা নাইট ৰাইডাৰ্চৰ বিপক্ষে সাত ৰাণৰ নাটকীয় জয় অৰ্জন কৰিলে ৰাজস্থান ৰয়েল্‌ছে। প্ৰথমে বেটিং কৰি ৰাজস্থানে বাটলাৰৰ ১০৩ ৰাণৰ সহায়ত পাঁচ উইকেটত ২১৭ ৰাণ কৰে। বাটলাৰে ৬১টা বলত নটা বাউণ্ডেৰী আৰু পাঁচটা ছিক্সাৰ



মাৰে। প্ৰত্যুত্তৰত কলকাতাৰ ইনিংছ ২০১ ৰাণত সমাপ্ত হয়। অধিনায়ক শ্ৰেয়াছ আয়াৰ (৮৫) আৰু এৰ'ন ফিন্স (৫৮)ৰ দুৰ্দান্ত বেটিঙেৰে কলকাতাই জয়ৰ সম্ভাৱনা উজ্জ্বল কৰিছিল। যদিও ১৬সংখ্যক অভাৰত চাহালে হেট্ৰিকসহ চাৰিটা উইকেট দখল কৰি কলকাতাৰ গতি ৰুদ্ধ কৰে। পৰৱৰ্তী সময়ত উমেশ যাদৱৰ প্ৰচেষ্টাও সফল নহ'ল। চাহালে মুঠ পাঁচ উইকেট পায়।

## ডেনমাৰ্ক সাঁতোৰত স্বৰ্ণ অভিনেতা মাধৱনৰ পুত্ৰৰ

**নিউজ ব্যুৰ'**
**ক'পেনহেগেন, ১৮ এপ্ৰিল ঃ** চমকপ্ৰদ প্ৰদৰ্শনেৰে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে ভাৰতৰ প্ৰতিভাৱান সাঁতোৰবিদ বেদান্ত মাধৱনে। বলিউদৰ তাৰকা অভিনেতা আৰ মাধৱনৰ পুত্ৰ বেদান্তই ডেনমাৰ্কত চলি থকা ডেনিছ অপেন সাঁতোৰত স্বৰ্ণসহ দুটাকৈ পদক জয় কৰিবলৈ সক্ষম হৈছে। কালি ১৬ বছৰীয়া সাঁতোৰবিদজনে পুৰুষৰ ৮০০ মিটাৰ ফ্ৰীষ্টাইলত সোণৰ পদক অৰ্জন কৰে। নিজৰ ব্যক্তিগত সময়ত উন্নতি ঘটাই বেদান্তই স্থানীয় প্ৰতিযোগী আলেকজেণ্ডাৰ এল বিয়ৰ্ণক পৰাজিত কৰিবলৈ সক্ষম হয়। ইয়াৰ পূৰ্বে শুকুৰবাৰে বেদান্তই পুৰুষৰ ১৫শ মিটাৰ ফ্ৰীষ্টাইলত ৰূপৰ পদক অৰ্জন কৰিছিল।

# মেঘালয়ত দুৰ্ঘটনাত নিহত টেবুল টেনিছ খেলুৱৈ
## প্ৰধানমন্ত্ৰী মোদীৰ শোকপ্ৰকাশ

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৮ এপ্ৰিল ঃ** মেঘালয়ত দুৰ্ঘটনাত পতিত হৈ মৃত্যুক আঁকোৱালি ল'লে দেশৰ এজন প্ৰতিভাৱান টেবুল টেনিছ খেলুৱৈয়ে। তামিলনাডুৰ শীৰ্ষস্থানীয় খেলুৱৈ দীনদয়ালন বিশ্বৰ মৃত্যুত আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শোকপ্ৰকাশ কৰে। গুৱাহাটীৰ পৰা শ্বিলঙলৈ যোৱাৰ পথত কালি সংঘটিত এক দুৰ্ঘটনাত ১৮ বছৰীয়া খেলুৱৈজনে প্ৰাণ হেৰুৱায়। তেওঁ



শ্বিলঙত আজিৰে পৰা অনুষ্ঠিত হোৱা ৮৩সংখ্যক ছিনিয়ৰ ৰাষ্ট্ৰীয় টেবুল টেনিছ প্ৰতিযোগিতাত অংশ ল'বলৈ গৈছিল।

আজি প্ৰধানমন্ত্ৰী মোদীয়ে টুইটযোগে শোকপ্ৰকাশ কৰি কয়, 'টিটি চেম্পিয়ন বিশ্ব দীনদয়ালনৰ মৃত্যুৰ বাতৰি অত্যন্ত স্তম্ভিত হ'বলগীয়া আৰু মৰ্মান্তিক। তেওঁ সতীৰ্থ খেলুৱৈসকলৰ পৰাও সমীহ আদায় কৰিছিল আৰু বিভিন্ন প্ৰতিযোগিতাৰ জৰিয়তে দৃষ্টি আকৰ্ষণ কৰিছিল। তেওঁৰ পৰিয়াল তথা বন্ধুবৰ্গলৈ মোৰ সমবেদনা জনাইছো।' আইন মন্ত্ৰী কিৰেন ৰিজিজুৱেও টুইটযোগে শোক প্ৰকাশ কৰে। উল্লেখ্য যে তামিলনাডুৰ যুৱ খেলুৱৈজনে কালি বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানকোঠৰ পৰা এখন ভাড়া গাড়ীত শ্বিলং অভিমুখে ৰাওনা হৈছিল। মেঘালয়ৰ ৰি-ভই নামৰ স্থানত এখন তীব্ৰবেগী ট্ৰাকে ছুইফ্‌ট ডিজায়াৰ বাহনত খুন্দিয়াই প্ৰায় ৫০ ফুট তলত পৰে। এই ঘটনাত টিটি খেলুৱৈজনৰ লগতে চালকজন গুৰুতৰভাৱে আহত হয়। স্থানীয় লোকে ততাতৈয়াকৈ তেওঁলোক দুজনৰ লগতে বাহনখনৰ আন আহতসকলক উদ্ধাৰ কৰি শ্বিলঙৰ এখন হাস্পতাললৈ নিয়ে যদিও বাটতে খেলুৱৈজনৰ মৃত্যু হয়।

# মিলাৰ-ৰছিদৰ দৌৰাত্ম্যত থমকি ৰ'ল চেন্নাই
## অধিনায়ক অবিহনেই দুৰ্দান্ত জয় গুজৰাটৰ




**নিউজ ব্যুৰ'**
**মুম্বাই, ১৮ এপ্ৰিল ঃ** অধিনায়ক হাৰ্দিক পাণ্ডিয়া অবিহনেই চেন্নাই ছুপাৰ কিংছৰ বিপক্ষে দুৰ্দান্ত জয় অৰ্জন কৰিলে গুজৰাট টাইটান্‌ছে। যোৱা নিশাৰ খেলখনত ডেভিদ মিলাৰ আৰু ভাৰপ্ৰাপ্ত অধিনায়ক ৰছিদ খানৰ দুৰন্ত বেটিঙৰ সহায়েৰে গুজৰাটে তিনি উইকেটত জয়লাভ কৰে। আঘাতৰ বাবে হাৰ্দিকে খেলিব নোৱৰাত আফগান অলৰাউণ্ডাৰ ৰছিদে দলক নেতৃত্ব দিছিল।

খেলখনত প্ৰথমে বেটিং কৰি চেন্নাই দলে পাঁচ উইকেটৰ বিনিময়ত ১৬৯ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত গুজৰাটে সাতটা উইকেট হেৰুৱাই এটা বল বাকী থকা অৱস্থাত জয়ৰ লক্ষ্যত উপনীত হয়। উল্লেখ্য যে গুজৰাটে এটা সময়ত ৪৮ ৰাণত চাৰিটা আৰু ৮৭ ৰাণত পাঁচটা উইকেট হেৰুৱাই গভীৰ বিপদত পৰিছিল। ইয়াৰ পাছতে মিলাৰ আৰু ৰছিদে চেন্নাইৰ শিবিৰক প্ৰত্যাক্ৰমণ কৰে। ৰছিদে ২১টা বলত দুটা বাউণ্ডেৰী আৰু তিনিটা ছিক্সাৰৰ সহায়ত ৪০ ৰাণৰ বৰঙণি যোগায়। অৱশ্যে ১৯সংখ্যক অভাৰত একেৰাহে দুটা বলত ৰছিদ আৰু আলজাৰি যোছেফ আউট হোৱাত চেন্নাইৰ আশা সজীৱ হৈছিল। তেতিয়াও দলটোক জয়ৰ বাবে ১৩ ৰাণৰ প্ৰয়োজন আছিল। যদিও মিলাৰে গুজৰাটলৈ দৰ্শনীয় জয় কঢ়িয়াই আনিবলৈ সক্ষম হয়। তেওঁ ৫১টা বলত আঠটা বাউণ্ডেৰী আৰু ছটা ছিক্সাৰৰ সহায়ত ৯৪ ৰাণত অপৰাজিত হৈ ৰয়। চেন্নাইৰ ডুৱেইন ব্ৰেভ'ৱে তিনিটা উইকেট পায়। ইয়াৰ পূৰ্বে চেন্নাইৰ হৈ সৰ্বাধিক ৭৩ ৰাণ কৰে অপেনাৰ ৰুতুৰাজ গায়কোৱাড়ে। তেওঁৰ ৪৮টা বলৰ ইনিংছটোত আছিল পাঁচটাকৈ ছয় আৰু চাৰি। ইয়াৰ উপৰি অম্বাতি ৰায়ুডুৱে ৪৬ আৰু অধিনায়ক ৰবীন্দ্ৰ জাদেজাই অপৰাজিতভাৱে ২২ ৰাণ কৰে।

# পৰিকল্পনা কাৰ্যকৰী কৰিব নোৱৰাতে পৰাজয় ঃ জাদেজা

**নিউজ ব্যুৰ'**
**মুম্বাই, ১৮ এপ্ৰিল ঃ** ৰয়েল চেলেঞ্জাৰ্চ বাংগালুৰুৰ বিপক্ষে জয়ৰ ৰাস্তালৈ আহিয়েই পুনৰ পৰাজয়ৰ স্বাদ পালে চেন্নাই ছুপাৰ কিংছে। যোৱা নিশা গুজৰাট টাইটান্‌ছৰ বিপক্ষে চেন্নাই তিনি উইকেটত পৰাজিত হয়। পৰিকল্পনা সঠিকভাৱে কাৰ্যকৰী কৰিব নোৱৰাৰ ফলতে দলে পৰাজয়বৰণ কৰা বুলি স্বীকাৰ কৰিছে চেন্নাইৰ অধিনায়ক ৰবীন্দ্ৰ জাদেজাই। অধিনায়কজনে লগতে স্বীকাৰ কৰিছে যে অন্তিম পাঁচ অভাৰত তেওঁলোক অত্যন্ত চাপত থকাৰ বাবেই পৰিকল্পনাবোৰ সঠিকভাৱে কামত লগাব নোৱাৰিলে।



খেলৰ অন্তত জাদেজাই কয়, 'আমাৰ আৰম্ভণি ভাল হৈছিল। প্ৰথম ছয় অভাৰত ভাল বলিং কৰিছিলো। অৱশ্যে মিলাৰক কৃতিত্ব দিবই লাগিব। তেওঁ বহুতো দুৰ্দন্ত ক্ৰিকেটীয় শ্বট খেলিলে। যেতিয়া আমি বেটিং কৰিছিলো, তেতিয়া বল মন্থৰভাৱে বেটলৈ আহিছিল। সেয়ে জয়ৰ বাবে ১৬৯ ৰাণ যথেষ্ট বুলিয়ে ভাবিছিলো। যদিও অন্তিম পাঁচ অভাৰত আমি পৰিকল্পনা কামত লগাব নোৱাৰিলো।' উল্লেখ্য যে খেলখনত ক্ৰিছ জৰ্ডানে ৩.৫ অভাৰত ৫৮ ৰাণ খৰচ কৰে। ইয়েই দলৰ পৰাজয়ৰ অন্যতম কাৰণ বুলি ধৰা হৈছে। ইংৰাজ বলাৰজনক দলভুক্ত কৰাৰ প্ৰসংগত জাদেজাই কয়, 'মই ভাবিছিলো জৰ্ডান অভিজ্ঞ। সেয়ে অন্তিম অভাৰত তেওঁৰ ওপৰতে ভৰসা ৰাখিছিলো। তেওঁৰ চাৰি-পাঁচটা ইয়ৰ্কাৰ দিয়াৰ ক্ষমতা আছে। দুৰ্ভাগ্যবশতঃ আজি তেওঁ সেয়া কৰিব নোৱাৰিলে। অৱশ্যে টি-২০ ক্ৰিকেটৰ এয়াই মজা।'



*স্বামীৰ দলৰ পৰাজয়ত বিষণ্ণ চেন্নাই ছুপাৰ কিংছৰ অধিনায়ক ৰবীন্দ্ৰ জাদেজাৰ পত্নীৰ, দেওবাৰে।*

# দুৰ্দান্ত প্ৰত্যাৱৰ্তনেৰে স্পেনিছ লা লিগাৰ খিতাপ জয়ৰ দিশে ৰিয়াল
## অন্তিম ক্ষণত গ'ল দি জয় আনিলে বেনজেমাই

**নিউজ ব্যুৰ'**
**মাদ্ৰিদ, ১৮ এপ্ৰিল ঃ** দুগ'লত পাছ পৰি থাকিও দুৰ্দান্ত প্ৰত্যাৱৰ্তনেৰে স্পেনিছ লা লিগাৰ খিতাপ জয়ৰ দিশে আৰু এখোজ আগুৱাই গ'ল ৰিয়াল মাদ্ৰিদ। কালিৰ এখন গুৰুত্বপূৰ্ণ লীগ মেচত ৰিয়ালে ছেভিয়াক ৩-২ গ'লত পৰাজিত কৰে। লীগৰ ছটা ৰাউণ্ড বাকী থকা অৱস্থাত ৰিয়াল আন দলসমূহতকৈ ১৫ পইণ্টত আগবাঢ়ি আছে। বিগত তিনি বছৰত ৰিয়ালে দ্বিতীয়বাৰলৈ স্পেইনৰ শীৰ্ষ লীগ জয়ৰ সুযোগ পাইছে। তাৰকা ষ্ট্ৰাইকাৰ কৰিম বেনজেমাৰ আন এক দৰ্শনীয় প্ৰদৰ্শনৰ সহায়তে ৰিয়ালে কালিৰ খেলখনত বিজয় সাব্যস্ত কৰে। বিগত ১০খন খেলত বেনজেমাই ১৫টা গ'ল দি দুৰন্ত ফৰ্মৰ প্ৰমাণ দিছে। ফৰাচী ষ্ট্ৰাইকাৰজনে চলিত লা লিগাত এই পৰ্যন্ত ২৫টা গ'ল দি সৰ্বাধিক গ'লদাতা হৈ আছে।

উল্লেখ্য যে খেলখনৰ প্ৰথমাৰ্ধৰ্বত মাত্ৰ চাৰি মিনিটৰ ব্যৱধানত দুটা গ'ল দি ছেভিয়াই চমক দিছিল। অৱশ্যে দ্বিতীয়াৰ্ধৰ্বত ৰিয়ালে চমকপ্ৰদ প্ৰত্যাৱৰ্তন ঘটায়। খেলৰ ২১ মিনিটত আইভান ৰাকিটিচৰ ফ্ৰীকিকৰ সহায়ত ছেভিয়া এগ'লত আগবাঢ়ি যায়। ইয়াৰ চাৰি মিনিটৰ পাছতে দলৰ ব্যৱধান বৃদ্ধি কৰে এৰিক লামেলাই। যদিও দ্বিতীয়াৰ্ধৰ্বত ছেভিয়াই সেই আধিপত্য অব্যাহত ৰাখিব নোৱাৰিলে। খেলৰ ৫০ মিনিটত ৰিয়ালৰ হৈ প্ৰথমটো গ'ল পৰিশোধ কৰে ৰ'ড্ৰিগ'ৱে। আনহাতে, ৮২ মিনিটত নেচ' ফাৰ্ণাণ্ডেজে ৰিয়ালৰ হৈ সমতা স্থাপন কৰিবলৈ সক্ষম হয়। দুয়োটা গ'লতে সহযোগ কৰে জানি কাৰভাজালে। অৱশেষত বাধ্যতামূলক ৯০ মিনিটৰ পাছত আঘাতৰ বাবে নিৰ্ধাৰিত অতিৰিক্ত সময়ত বেনজেমাই দলৰ হৈ জয়সূচক গ'লটো দিয়ে।



*নিৰ্ণায়ক গ'লদাতা কৰিম বেনজেমাক লৈ উল্লাস পিএছজিৰ সতীৰ্থৰ।*

## কৰ'নাৰ আতংকত ভুগিছে দিল্লী কেপিটেল্‌ছে
# ক'ভিডমুক্ত হ'ল মিচেল মাৰ্শ্ব

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৮ এপ্ৰিল ঃ** আইপিএলৰ মাজতে কৰ'নাৰ আতংকত ভুগিছে দিল্লী কেপিটেল্‌ছ দল। অৱশ্যে দলক কিছু সকাহ দি ক'ভিডমুক্ত হ'ল অষ্ট্ৰেলিয়াৰ দক্ষ অলৰাউণ্ডাৰ মিচেল মাৰ্শ্ব। আজি বাধ্যতামূলক আৰটি-পিচিআৰ পৰীক্ষাত মাৰ্শ্বৰ ফলাফল নিগেটিভ আহে। বিচিচিআইৰ তৰফৰ পৰা এই কথা সদৰী কৰিছে। দলটোৰ বাকীসকলৰ ক'ভিড পৰীক্ষাৰ ফলাফলো নিগেটিভ অহা বুলি ব'ৰ্ডে জনাইছে। সেয়ে বুধবাৰে দিল্লী আৰু পঞ্জাৱৰ মাজৰ খেলখনত কোনো অসুবিধা নহ'ব বুলিও ব'ৰ্ডে সদৰী কৰিছে।

উল্লেখ্য যে মাৰ্শ্বৰ উপৰি দিল্লী কেপিটেল্‌ছৰ ফিজিঅ' পেট্ৰিক ফাৰহাৰ্ট আৰু আন এজন সহকাৰী ক'ভিডত আক্ৰান্ত হৈছিল। যাৰ বাবে সমগ্ৰ দলটোকে কোৱাৰেণ্টাইনত ৰখা হৈছিল। ফলত দিল্লীৰ খেলক কেন্দ্ৰ কৰিও অনিশ্চয়তা আহি পৰিছিল। এতিয়া সেই সংশয় আঁতৰিল।

# ৩২সংখ্যক খিতাপ কাষ চাপিল বেয়াৰ্ণ



**নিউজ ব্যুৰ'**
**বাৰ্লিন, ১৮ এপ্ৰিল ঃ** জাৰ্মান ফুটবল লীগত ৩২সংখ্যক খিতাপ জয় প্ৰায় নিশ্চিত কৰিলে বেয়াৰ্ণ মিউনিখে। কালিৰ এখন লীগ মেচত বেয়াৰ্ণে আৰ্মিনিয়া বিয়েলেফেল্ডক ৩-০ গ'লত পৰাজিত কৰে। উল্লেখ্য যে এটা আত্মঘাতী গ'লৰ সহায়ত ১১ মিনিটতে বেয়াৰ্ণে অগ্ৰগতি অৰ্জন কৰিছিল। তাৰকা ষ্ট্ৰাইকাৰ ৰ'বাৰ্ট লেৱানড'স্কিৰ আক্ৰমণত তিষ্ঠিব নোৱাৰি আৰ্মিনিয়াৰ ডিফেণ্ডাৰ জেকব বাৰেটে নিজৰ গ'লতে বল প্ৰৱেশ কৰায়। প্ৰথমাৰ্ধৰ্বৰ সমাপ্তিৰ কিছুক্ষণৰ পূৰ্বে বেয়াৰ্ণৰ হৈ গ'ল দিয়ে ছাৰ্গে জিনেব্ৰীয়ে। খেলৰ ৮৫ মিনিটত লেৱানড'স্কিৰ সহযোগত দলৰ হৈ তৃতীয়টো গ'ল দিয়ে জামাল মুছিয়ালাই। উল্লেখ্য যে এই জয়েৰে বেয়াৰ্ণে দ্বিতীয় স্থানত থকা ব'ৰুছিয়া ড'ৰ্টমুণ্ডতকৈ ন পইণ্টত আগবাঢ়ি আছে। দলটোৰ এতিয়াও চাৰিখন মেচ বাকী আছে। অহা শনিবাৰে বেয়াৰ্ণ আৰু ব'ৰুছিয়াই পৰস্পৰৰ বিপক্ষে খেলিব। সেই খেলত জয়ী হ'ব পাৰিলেই বেয়াৰ্ণে ৩২সংখ্যক খিতাপ জয় নিশ্চিত কৰিব।

# ধোনিয়ে সদায় দলৰ কথা চিন্তা কৰিছিল ঃ কাৰ্ষ্টেন
## একালৰ অধিনায়কৰ প্ৰশংসাত গদগদ হ'ল ভাৰতৰ প্ৰাক্তন প্ৰশিক্ষক

**নিউজ ব্যুৰ'**
**মুম্বাই, ১৮ এপ্ৰিল ঃ** 'মহেন্দ্ৰ সিং ধোনিয়ে কেতিয়াও নিজৰ প্ৰদৰ্শনক লৈ চিন্তিত নাছিল। বৰঞ্চ তেওঁ সদায় দলৰ স্বাৰ্থৰ হকে চিন্তা কৰিছিল।' এই মন্তব্য ভাৰতৰ প্ৰাক্তন প্ৰশিক্ষক গেৰী কাৰ্ষ্টেনৰ। সম্প্ৰতি এক সাক্ষাৎকাৰত দক্ষিণ আফ্ৰিকাৰ প্ৰাক্তন অধিনায়কজনে কয় যে ধোনি হৈছে দলৰ প্ৰকৃত খেলুৱৈ। উল্লেখ্য যে কাৰ্ষ্টেন আৰু ধোনিৰ যুগলবন্দীতে ভাৰতে ২০১১ৰ বিশ্বকাপ জয় কৰিছিল। অধিনায়কৰূপে বহু ট্ৰফী জয় কৰা ধোনি সতীৰ্থসকলৰ মাজতো মহান নেতাৰূপে চিহ্নিত আছিল।

সম্প্ৰতি গুজৰাট টাইটান্‌ছ দলৰ পৰামৰ্শদাতাৰূপে আইপিএলৰ স'তে যুক্ত হৈ থকা কাৰ্ষ্টেনে সাক্ষাৎকাৰত কয়, 'অধিনায়কৰূপে তেওঁৰ চিন্তা-ধাৰা সদায় প্ৰথমে দলৰ বাবে আছিল আৰু দলৰ হিতৰ বাবেই চিন্তা কৰিছিল। মই ভাবো তেওঁ এজন প্ৰকৃত দলগত খেলুৱৈ। তেওঁ এজন মহান নেতা আৰু দলৰ প্ৰদৰ্শনতহে তেওঁৰ আগ্ৰহ আছিল। ধোনিয়ে কেতিয়াও নিজৰ প্ৰদৰ্শনক লৈ চিন্তা কৰা নাছিল। কেনেকৈ দলে ভাল খেলিব, সেই বিষয়তহে তেওঁ সদায় মনোযোগ দিছিল।' দক্ষিণ আফ্ৰিকাৰ প্ৰাক্তন অপেনাৰজনে লগতে কয় যে দলত ভাল পৰিৱেশৰো দৰকাৰ। পৰিৱেশৰ ওপৰতে এজন অধিনায়কৰ নেতৃত্বগুণ পৰিস্ফুট হয় বুলি মন্তব্য কৰি কাৰ্ষ্টেনে কয় যে কনিষ্ঠ খেলুৱৈসকলে পৰ্যাপ্ত অভিভাৱকত্ব আৰু দিশ নিৰ্দেশনা পোৱাৰ পৰিৱেশ সৃষ্টি কৰিব লাগিব। সেইদৰে জ্যেষ্ঠ খেলুৱৈসকলকো এনে পৰিৱেশৰ প্ৰয়োজন, য'ত তেওঁলোকে অনুভৱ কৰিব যে তেওঁলোকে দলৰ বাবে অৰিহণা যোগাব লাগিব। এই ক্ষেত্ৰত ধোনিৰ তুলনা নাই বুলিও কাৰ্ষ্টেনে কয়।



# এফ এ কাপৰ ফাইনেলত চেল্‌ছি

**নিউজ ব্যুৰ'**
**লণ্ডন, ১৮ এপ্ৰিল ঃ** ইংলিছ এফ এ কাপৰ ফাইনেলত উপনীত হ'ল চেল্‌ছি। যোৱা নিশাৰ ছেমিফাইনেলত চেল্‌ছিয়ে ক্ৰিষ্টেল পেলেচক ২-০ গ'লত পৰাজিত কৰে। ফাইনেলত চেল্‌ছিয়ে লিভাৰপুলৰ বিপক্ষে খেলিব। খেলখনৰ ৬৫ মিনিটত চেল্‌ছিৰ হৈ প্ৰথমটো গ'ল দিয়ে ৰুবেন লফটাছ চিকেৰে। আনহাতে, ৭৬ মিনিটত দ্বিতীয়টো গ'ল দি দলৰ জয় নিশ্চিত কৰে মেছন মাউণ্টে। দুগ'লত জয়ী হ'লেও অৱশ্যে ক্ৰিষ্টেল পেলেচৰ ৰক্ষণ ভেদ কৰিবলৈ চেল্‌ছিৰ খেলুৱৈসকলে কঠোৰ পৰিশ্ৰম কৰিবলগীয়া হৈছিল। উল্লেখ্য যে বিগত ছবছৰত চেল্‌ছি পঞ্চমবাৰলৈ এফ এ কাপৰ ফাইনেলত উপনীত হৈছে। ইয়াৰ ভিতৰত দলটো দুবাৰ চেম্পিয়ন হৈছিল।


# মণ্টে কাৰ্লো টেনিছৰ খিতাপ ৰক্ষা ছিছিপাছৰ

**শীৰ্ষ দুটা স্থানত প্ৰৱেশৰ লক্ষ্য গ্ৰীক তাৰকাৰ**

**নিউজ ব্যুৰ'**
**মণ্টে কাৰ্লো, ১৮ এপ্ৰিল ঃ** কঠিন যুঁজত জয়ী হৈ মণ্টো কাৰ্লো মাষ্টাৰ্চ টেনিছৰ খিতাপ অক্ষুণ্ণ ৰাখিলে যোৱাবাৰৰ চেম্পিয়ন ষ্টেফান'ছ ছিছিপাছে। গ্ৰীক টেনিছ তাৰকাজনে কালিৰ ফাইনেলত স্পেইনৰ আলেজান্দ্ৰ' ডেভিদ'ভিচ ফ'কিনাক তুমুল সংগ্ৰামৰ অন্তত ৬-৩, ৭-৬ (৭/৩) ছেটত পৰাজিত কৰে। ষষ্ঠ খেলুৱৈৰূপে ছিছিপাছে মণ্টে কাৰ্লোত খিতাপ অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হ'ল। ২৩ বছৰীয়া খেলুৱৈজনে কেৰিয়াৰৰ অষ্টম এটিপি খিতাপ অৰ্জন কৰিছে। আনহাতে, বিগত ১১ মাহত তেওঁ প্ৰথমবাৰলৈ খিতাপ জয়ৰ স্বাদ পালে।

এই জয়ৰ পাছতে ছিছিপাছে স্পষ্ট কৰি দিয়ে যে বছৰৰ শেষলৈ তেওঁ বিশ্বৰ প্ৰথম দুটা স্থানত প্ৰৱেশ কৰাৰ লক্ষ্য বান্ধি লৈছে। 'মোৰ আগত নিশ্চিতভাৱে ডাঙৰ লক্ষ্য আছে আৰু হয়তো শীৰ্ষ দুইত শেষ কৰিব পাৰিম।' ছিছিপাছে এইদৰে কোৱাৰ লগতে কয় যে ইয়াৰ বাবে তেওঁক ধাৰাবাহিকতাৰ প্ৰয়োজন হ'ব। এই ক্ষেত্ৰত তেওঁ আত্মবিশ্বাসী বুলি বিশ্বৰ পঞ্চম ৰেংকিঙৰ খেলুৱৈজনে কয়। এই সময়ত ছিছিপাছৰ আগত আছে ন'ভাক ড'ক'ভিচ, ডানিল মেডভেডেভ, আলেকজেণ্ডাৰ জেৰেভ আৰু ৰাফেল নাডাল।

# বিতৰ্কিত পেনাল্টিৰে ফ্ৰেন্স লীগত পিএছজিৰ জয়



**নিউজ ব্যুৰ'**
**পেৰিছ, ১৮ এপ্ৰিল ঃ** বিতৰ্কিত গ'লৰ সহায়ত মাৰ্ছেইলক পৰাজিত কৰি ফ্ৰেন্স লীগৰ খিতাপ অৰ্জন দিশে অগ্ৰসৰ হ'ল পেৰিছ ছেইণ্ট জাৰ্মেইন। কালি পিএছজিয়ে নিকটতম প্ৰতিদ্বন্দ্বী মাৰ্ছেইলক ২-১ গ'লত পৰাজিত কৰে। পিএছজিৰ হৈ গ'ল দুটা দিয়ে ক্ৰমে দুই তাৰকা ষ্ট্ৰাইকাৰ নেইমাৰ আৰু কিলিয়ান এমবেপেই। ফৰাচী তাৰকা এমবেপেই পেনাল্টিৰ সহায়েৰে গ'লটো দিয়ে। যদিও এক বিতৰ্কিত পৰিস্থিতিত ৰেফাৰীয়ে সেই পেনাল্টিৰ নিৰ্দেশ দিছিল। নিজৰ গ'লবক্সৰ সন্মুখত মাৰ্ছেইলৰ ভেলেণ্টিন ৰজিয়েৰৰ উৰুত বল লাগি হাতত লাগিছিল। অথচ ভিডিঅ' ফুটেজ পৰীক্ষা কৰি ৰেফাৰীয়ে কেৱল হাতত বল লগা বুলি পেনাল্টিৰ নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি মাৰ্ছেইলৰ খেলুৱৈ ইউলিয়াম ছালিবাৰ এটা গ'ল ভিডিঅ' ফুটেজ চাই ৰেফাৰীয়ে অফ-ছাইড হোৱা বুলি বাতিল কৰাক কেন্দ্ৰ কৰিও খেলুৱৈসকলৰ মাজত ক্ষোভ দেখা যায়। উল্লেখ্য যে তালিকাৰ দ্বিতীয় স্থানত থকা মাৰ্ছেইলতকৈ পিএছজি ১৫ পইণ্টত আগবাঢ়ি আছে।



# বিহুৰ ষ্টাইল

ঃ হেৰি শুনিছে?
ঃ কি হ'ল?
ঃ কি কৰি আছেনো?
ঃ পেপাৰ পঢ়ি আছো।
ঃ সেইখন থওক আৰু এইফালে আহক।
ঃ কি হ'ল?
ঃ আপুনি দেখিছে নে নাই?
ঃ কি?
ঃ বিহুৰ কেইদিনত আমাৰ ল'ৰাই ক'ত কি কৰি আছে?
ঃ নাই দেখা।
ঃ কিয় দেখা নাই? বাপেক হিচাপে ল'ৰা-ছোৱালীৰ ওপৰত চকু দিয়াটো আপোনাৰ দায়িত্ব।
ঃ ল'ৰা-ছোৱালীৰ ওপৰত ক'ত চকু দিবাহে?
ঃ কিয়?
ঃ বিহুৰ কেইদিনত তোমাৰ ওপৰতে চকু দিব লগা হ'ল।
ঃ মোৰ ওপৰত কিয়?
ঃ ভয়তে।
ঃ কিহৰ ভয়?
ঃ তুমি যিহে পেখম ধৰি বিহু চাবলৈ গৈছা।
ঃ তাতে কি হ'ল?
ঃ তোমাৰ বয়স বহুখিনি কমি গ'ল।
ঃ এঃ হয়!
ঃ একেবাৰে দিপ্‌লিপ্ গাভৰু হৈ গৈছিলা তুমি!
ঃ সঁচাই!
ঃ গতিকে ব'ডিগাৰ্ড হৈ এইকেইদিন ভালকৈয়ে গাৰ্ড দি ৰাখিব লগা হ'ল তোমাক!
ঃ মোৰ ষ্টাইল দেখি লোকে কি কৈছে?
ঃ একো কোৱা নাই। আটায়ে ৰ লাগি চাই আছে।
ঃ আপোনাৰ চাগে হিংসা হৈছিল?
ঃ নাই হোৱা। সাংঘাতিক আশাবাদী হৈছিলো।
ঃ কি আশা কৰিছিলনো?
ঃ অচ্ছে দিন আহিব বুলি।
ঃ কেনেকৈ?
ঃ দেছৰ সৱ প্ৰপাৰ্টি বেপাৰীৰ হাতত তুলি দি দি যেনেকৈ দেছৰ কাৰণে অচ্ছে দিন অনা হৈছে, তেনেকৈ যদি...
ঃ মোকো আনৰ হাতত গতাই দি নিজৰ কাৰণে অচ্ছে দিন আনিব খুজিছে নহয় আপুনি?
ঃ নহয়হে!
ঃ মই আপোনাৰ মতলব বুজা নাই বুলি ভাবিছে নেকি?
ঃ ভুলকৈ বুজিছাহে!
ঃ সেইবোৰ আশা বাদ দিয়ক।
ঃ বাদ দিলো।
ঃ আচল কথাটো শুনক।
ঃ কোৱা।
ঃ আমাৰ ল'ৰাই নতুনকৈ সেইবিধত ধৰিছে!



ঃ কোন বিধত?
ঃ সেই বিধত আকৌ!
ঃ তোমাৰ দেউতাৰই যে মাজে মাজে গিলে, সেইবিধত নে?
ঃ মোৰ দেউতাক ধৰি কথা নক'ব কৈ দিছো।
ঃ ক'তনো ধৰিলোহে? সুধিছোহে!
ঃ বিহুৰ কেইদিনত মই ধৰা পেলাইছো।
ঃ কি?
ঃ সি বহু ৰাতি ৰাতি ঘৰ সোমাইছে নহয়?
ঃ অ' সোমাইছে!
ঃ পুৰা মই তাৰ মুখত চেণ্ট পাইছো।
ঃ বাঃ মই চোলাত লগাবলৈ চেণ্ট নাপাওঁ, সি আকৌ মুখতো চেণ্ট লগায়।
ঃ নহয়হে।
ঃ তেন্তে?
ঃ সেইবিধৰ চেণ্ট পাইছো।
ঃ সঁচাই! বাঃ মোৰ বেটাক দেখিছো সাংঘাতিক দেছপ্ৰেমী হৈ উঠিছে।
ঃ সেইবিধ খালে দেছপ্ৰমী হয় নেকি?
ঃ আখামৰ অৰ্থনীতি এতিয়া সেইবিধৰ পৰাহে চলি আছে। আমাৰ ল'ৰায়ো তাত অৰিহণা যোগাইছে, গৌৰৱৰ কথাহে!

## এএছএল ক্লাবৰ উদ্যোগত কলকাতাত ৰঙালী বিহু উদ্‌যাপন

**কলকাতা, ১৮ এপ্ৰিল ঃ** যোৱা ১৫ এপ্ৰিলত অসম ছ'চিঅ'লিটাৰেৰী ক্লাবৰ (এএছএল) উদ্যোগত কলকাতাৰ ৰাছেল ষ্ট্ৰীটত অৱস্থিত অসম ভৱনত ৰঙালী বিহু উদ্‌যাপন কৰা হয়। অনুষ্ঠানৰ প্ৰাৰম্ভণিতে কাৰ্যকৰী সভাপতি প্ৰকাশ আচাৰ্যই বিহুৰ পতাকা উত্তোলন কৰে তথা সভানেত্ৰী ৰেখা চলিহা বাসুৱে বন্তি প্ৰজ্বলন কৰে। লগে লগে মুখৰিত হৈ পৰে 'শ্ৰীময়ী অসমী' গীতেৰে অসম ভৱনৰ চৌপাশ। ডেৰশ বছৰ গৰকা এই এএছএল ক্লাবৰ জন্ম হৈছিল মাণিক চন্দ্ৰ বৰুৱা, জগন্নাথ বৰুৱা আদিৰ দৰে অসমীয়া সাহিত্যৰ ধ্বজাবাহকসকলৰ অহোপুৰুষাৰ্থ প্ৰচেষ্টাত ১৮৭২ত। উল্লেখ্য যে ১৮৮৮ত জন্ম লোৱা অসমৰ ভাষা উন্নতি সাধিনী সভা এএছএল ক্লাবৰ সদস্যসকলৰেই গঠিত হৈছিল। তেওঁলোকৰ প্ৰচেষ্টাক নৱপ্ৰজন্মৰ মাজলৈ আগুৱাই অনা, লগতে ক্লাবটোৰ ঐতিহ্য ৰক্ষা কৰা তথা কলকাতাবাসীক অসমীয়া জাতীয় চেতনাৰে উদ্বুদ্ধ কৰি অহা প্ৰেছিডেন্সী কলেজৰ প্ৰাক্তন অধ্যাপিকা ৰেখা চলিহা বাসুক সাংস্কৃতিক অনুষ্ঠানটোত সম্বৰ্ধনা জনোৱা হয়। তেওঁৰ লগতে অসমৰ পৰা অহা ১০৭ বছৰীয়া আইতা সুভদ্ৰা দেৱীকো সম্বৰ্ধনা জনোৱা হয়। ইন্দুকল্প শইকীয়া, মনালিছা দাসৰ গীত, প্ৰীয়ালিম, দিশা, নাজিতৰাৰ বিহু নৃত্য, ৰিংকু দলৈৰ নেতৃত্বত জনগোষ্ঠীয় বিহু নৃত্য, শিশু হিয়াৰ কবিতা আবৃত্তি, দেৱাংশীৰ গীত আদিৰ বিবিধ সাংস্কৃতিক অনুষ্ঠানেৰে বিহুৰ কাৰ্যসূচী পালন কৰা হয়। অনুষ্ঠানটোৰ আঁত ধৰে ক্লাবৰ যুটীয়া সম্পাদিকা কস্তুৰী শৰ্মা গোস্বামীয়ে।

# বতৰৰ ব্যাপক পৰিৱৰ্তনত তৰমুজ খেতিত প্ৰভাৱ

## বৰষুণৰ বাবে নিম্নগামী বজাৰ মূল্য ঃ শিলাবৃষ্টি-বৰষুণত পথাৰতে গেলিছে

অগ্ৰদূত বাৰ্তা

**চামগুৰি, ১৮ এপ্ৰিল ঃ** নেৰানেপেৰা বৰষুণ, ধুমুহা আৰু শিলাবৃষ্টিৰ কৱলত পৰি নগাঁও জিলাৰ চামগুৰি বিধানসভা সমষ্টিৰ বিভিন্ন অঞ্চলৰ তৰমুজ খেতি কৰা কৃষকে মূৰে কপালে হাত দিবলগীয়া হৈছে। এইবেলি তৰমুজৰ খেতিৰে লাভৰ মুখ দেখাৰ আশা কৰা খেতিয়কৰ অন্তৰ বিষাদৰে ভৰি পৰিছে অত্যধিক বৰষুণৰ বাবে। ভূতৰ ওপৰত দানহ পৰাদি ধুমুহা, শিলাবৃষ্টিয়ে কাঢ়ি নিছে কৃষকৰ সপোন। উল্লেখ্য যে জিলাখনৰ বৃহত্তৰ চামগুৰি অঞ্চলটো কৃষি প্ৰধান অঞ্চল। ইয়াৰ ৯৫ শতাংশ লোক কৃষিৰস'তে জড়িত। চামগুৰি অঞ্চলৰে কাঠপাৰা অঞ্চলৰ এশ শতাংশ লোক খেতিৰ ওপৰত নিৰ্ভৰ কৰি পৰিয়াল ভৰণ পোষণ দিয়ে। কৃষকসকলে ধান-মাহ-সৰিয়হৰ সমান্তৰালকৈ অঞ্চলটোত দীৰ্ঘদিন ধৰি বতৰৰ ফল তৰমুজৰ খেতি কৰি আহিছে। এই বছৰ পূৰ্বৰ দৰে উৎপাদন হোৱা নাই অঞ্চলটোত। এই বছৰ চ'ত ব'হাগত বতৰৰ ব্যাপক পৰিৱৰ্তনৰ বাবে প্ৰভাৱ পৰিছে তৰমুজ খেতিত। নেৰানেপেৰা বৰষুণৰ ফলত তৰমুজ খেতি ঠন ধৰি নুঠাত উৎপাদন ক্ষমতা কমি যোৱা বুলি ব্যক্ত কৰিছে অঞ্চলটোৰ একাংশ খেতিয়কে। খেতিয়কসকলে উল্লেখ কৰা মতে, বৰ্তমান তেওঁলোকে পূৰ্বৰ দৰে তৰমুজ খেতি কৰিছে যদিও এইবাৰ বৰষুণৰ বাবে তৰমুজৰ খেতি ঠন ধৰি বঢ়া নাই। এই সম্পৰ্কে মুৰিপুঠিখাইটি গাঁৱৰ জুলফিকৰ আলী ভুট্টো নামৰ খেতিয়কজনে কয়, 'যোৱা বছৰ এনেকুৱা দিনত এটা তৰমুজৰ ওজন চাৰি-পাঁচ কিলোগ্ৰাম পৰ্যন্ত হৈছিল; কিন্তু এই বছৰ এক-ডেৰ কিলোগ্ৰামমানহে হৈছে।' ইয়াৰ কাৰণ ব্যাখ্যা কৰি তেওঁ কয়, 'এই বছৰ চ'ত-ব'হাগত পূৰ্বৰ তুলনাত অত্যধিক বৰষুণ হৈছে। ফলত তৰমুজৰ বৃদ্ধি ক্ষমতা কমি যোৱাত উৎপাদন হ্ৰাস পাইছে। তদুপৰি ধুমুহা, শিলাবৃষ্টি আৰু তৰমুজ খেতিৰ পথাৰত পানী জমা হোৱাত গেলি গৈছে তৰমুজসমূহ। ফলত কপালৰ ঘাম মাটিত পেলাই খেতি কৰি যি লাভ দেখিম বুলি ভাবিছিলো। এইবাৰ সেই লাভ আমি দেখিবলৈ নাপাম।' উল্লেখ্য যে চামগুৰিৰ কাঠপাৰা অঞ্চলত উৎপাদন হোৱা তৰমুজ নগাঁও জিলাৰ উপৰি অসমৰ বিভিন্ন ঠাইলৈ প্ৰেৰণ কৰা হয়।

আন এজন খেতিয়কে উল্লেখ কৰা মতে, এবিঘা তৰমুজ খেতিৰ ফচল উৎপাদন হোৱালৈকে হালবোৱা শ্ৰমিক, সাৰ, গোবৰ, কীটনাশক দ্ৰব্যসহ ব্যয় হয় ২০ হেজাৰ টকা। প্ৰতি বিঘা খেতিত উৎপাদন হয় ৬০ পৰা ৭০ কুইণ্টলৰো অধিক তৰমুজ, কিন্তু এইবেলি বৰষুণৰ বাবে ভালকৈ হোৱা খেতিত ১৫ কুইণ্টলমানহে উৎপাদন হৈছে বুলি তেওঁ কয়। জুলফিকৰৰ লগত একেলগে তৰমুজ খেতি কৰা ইমাম হুছেইন আৰু ছৰিফুল ইছলাম নামৰ খেতিয়ককেইজনে বৰষুণৰ বাবে খেতিত প্ৰভাৱ পৰাৰ কথা উল্লেখ কৰি কয়, 'আমি এই বছৰ পাঁচ বিঘা মাটিত তৰমুজ খেতি কৰিছো, কিন্তু বতৰৰ পৰিৱৰ্তনৰ বাবে উৎপাদন এইবাৰ কমি গৈছে। তদুপৰি পানী জমা হোৱাত পথাৰতে তৰমুজ সমূহ গেলি গৈছে। তদুপৰি যোৱা বছৰ এনেকুৱা দিনত ২৩ টকা প্ৰতি কিলোগ্ৰাম দৰত তৰমুজ বিক্ৰী কৰিছিলো কিন্তু এইবাৰ বৰষুণৰ বাবে গৰম নপৰাত বজাৰত তৰমুজৰ চাহিদা কমি যোৱাত প্ৰতি কিলোগ্ৰামত ১৩-১৪ টকা দৰত বিক্ৰী কৰিবলৈ বাধ্য হৈছো। বৰষুণ-শিলাবৃষ্টিয়ে ক্ষতি কৰাত প্ৰতি বিঘাত৭০ কুইণ্টল তৰমুজ উৎপাদনৰ আশা কৰা আমাৰ খেতি ডৰাত এইবাৰ বিঘাত ১০ কুইণ্টলমানহে উৎপাদন হৈছে। গতিকে এইবাৰ আশানুৰূপ লাভ পোৱাৰ আশা ক্ষীণ।'



## ওদালগুৰিত জিলা এবছুৰ উদ্যোগত ৰংজালী বৈশাগু পালন

### বিহু-বৈশাগুক বিকৃত নকৰিবলৈ আহ্বান এবছুৰ

বিশেষ সংবাদদাতা

**ওদালগুৰি, ১৮ এপ্ৰিলঃ** 'বিহু অথবা বৈশাগুক পৰম্পৰাগতভাৱে জীয়াই ৰাখক। এনে ধৰণৰ জাতীয় উৎসৱক বিকৃত কৰিব নালাগে।' এই মন্তব্যৰে বিহু আৰু বৈশাগুক বিকৃত কৰি পৰিৱেশন নকৰিবলৈ সকীয়নি এবছুৰ কেন্দ্ৰীয় সভাপতি দ্বিপেন বড়োৰ। আজি নিখিল বড়ো ছাত্ৰ সন্থা চমুকৈ এবছুৰ ওদালগুৰি জিলা সমিতিয়ে স্থানীয় ৰাজহুৱা দুৰ্গাপূজা মণ্ডপত ৰংজালী বৈশাগু উৎসৱত তেওঁ এইদৰে মন্তব্য আগবঢ়ায়। কাৰ্যসূচী অনুসৰি পুৱা প্ৰাৰ্থনাৰ অন্তত এবছুৰ পতাকা উত্তোলন কৰে ওদালগুৰি জিলা এবছুৰ সভাপতি লোহিত চন্দ্ৰ বড়োৱে। আনহাত, বিহু পতাকা উত্তোলন কৰে ওদালগুৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লুক দৈমাৰীয়ে। ইয়াৰ পাছত শান্তিৰ প্ৰতীক পাৰ চৰাই উৰুওৱা হয়। ইয়াৰ পাছতে বড়ো বৈশাগু নৃত্য প্ৰদৰ্শন কৰা হয়। উক্ত অনুষ্ঠানতে ওদালগুৰিৰ বিভিন্ন ক্ষেত্ৰত জড়িত লোকসকলক একোখনকৈ আৰনাইৰে বিহুৰ শুভেচ্ছা জনায় সংগঠনটোৱে। উক্ত অনুষ্ঠানত উপস্থিত থাকি এবছুৰ কেন্দ্ৰীয় সভাপতি বড়োৱে গহপুৰত সংঘটিত পথ দুৰ্ঘটনাত নিহতসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁ আগন্তুক দিনবোৰত সকলো জাতি-জনগোষ্ঠীৰ মাজত শান্তি-সম্প্ৰীতি আৰু ভ্ৰাতৃত্ববোধ বৰ্তি ৰখাৰ কামনা কৰে। তেওঁ কয় 'ৰাজ্য চৰকাৰ তথা পৰিবহন বিভাগটোৱে ইংৰাজী নৱবৰ্ষৰ সময়ছোৱাত দুৰ্নীতি ৰোধৰ ক্ষেত্ৰত কঠোৰ হোৱাৰ দেখা গৈছিল। ফলত সেই সময়ছোৱাত ৰাজ্যত উল্লেখনীয় হাৰত দুৰ্ঘটনা ৰোধ হোৱাৰ লগতে মৃত্যুৰ সংখ্যাও হ্ৰাস পাইছিল। কিন্তু অসমীয়া নৱবৰ্ষৰ তথা বিহুৰ সময়ছোৱাত পৰিবহণ বিভাগটো তেনে ধৰণৰ কঠোৰ হোৱা পৰিলক্ষিত নহ'ল। যাৰ বাবে বিহুৰ বতৰত ৰাজ্যত একাধিক দুৰ্ঘটনাত বহু লোকৰ প্ৰাণহানি হৈছে। গতিকে বৰ্তমান চলি থকা বিহুৰ বতৰত পৰিবহন বিভাগটো পুনৰ অধিক সক্ৰিয় হোৱাৰ প্ৰয়োজন আছে। অন্যথা বিহুৰ বতৰত এনে অনাকাংক্ষিত খবৰসমূহ ৰাজ্যৱাসীয়ে পায় থাকিব।' ইফালে, বিহু তথা বৈশাগুক একাংশই বিকৃত কৰি প্ৰদৰ্শন কৰা সন্দৰ্ভত মন্তব্য প্ৰকাশ কৰি বড়োৱে কয়, 'আমি সকলোৱে মনত ৰাখিব লাগে যে বিহু বা বৈশাগু প্ৰদৰ্শনৰ নামত আমাৰ পৰম্পৰাসমূহ বিকৃত হ'ব নালাগে। এনে দৃশ্যবোৰ আমি দেখিবলৈ পাইছো যদিও এনে দৃশ্যই আমাৰ মনত আঘাত দিয়ে।' তেওঁ বড়ো জাতীয় কৃষ্টি সংস্কৃতিৰ প্ৰতি অহা ভাবুকিৰ প্ৰতি বড়ো ৰাইজক সজাগ আৰু সচেতন হ'বলৈ আহ্বান জনোৱাৰ লগতে যিকোনো প্ৰকাৰে ভাষা, কৃষ্টি আৰু সংস্কৃতিৰ প্ৰতি আহি পৰা ভাবুকি মষিমুৰ কৰিবলৈ সাজু বুলিও উল্লেখ কৰে। উক্ত কাৰ্যসূচীত সাহিত্য অকাডেমী পুৰস্কাৰ প্ৰাপক বিশিষ্ট বড়ো সাহিত্যিক নবীন মল্ল বড়ো, বড়ো সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক নিলকান্ত গয়াৰী, প্ৰাক্তন এবছু কৰ্মী বাবুল বড়ো, কৰ্ণলিয়াচ দৈমাৰী, বুদ্ধিৰাম বড়ো, ভ্ৰমণ বাগ্লাৰীৰ লগতে ওদালগুৰি জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰাঞ্জল পাটোৱাৰী, ওদালগুৰি জিলা জাতীয়তবাবাদী যুৱ ছাত্ৰ পৰিষদৰ সভাপতি কণ্ঠ কুমাৰ দাস আদি উপস্থিত থাকে।

**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720







**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com